## নিয়মীয়া হ'ব ৪৬৬৯ শিক্ষক পদ

ই-সংবাদ, ২ ডিচেম্বৰঃ ৰাজ্যৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আজি সামাজিক মাধ্যম যোগে শিক্ষকৰ ৪ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, DECEMBER 3, 2024 ■ মঙলবাৰ, ১৭ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৩০ Guwahati, Assam ।। মূল্যঃ এটকা

# ক্ৰীড়াংগন হ'ল ৰণাংগন! গিনিত ফুটবলক লৈ সংঘৰ্ষত নিহত শতাধিক

কোনাক্ৰি, ২ ডিচেম্বৰঃ খেলৰ মাজতে সৃষ্টি হোৱা সংঘৰ্ষৰ ফলত ৰক্তাক্ত হৈ পৰিল পশ্চিম আফ্ৰিকাৰ দেশ গিনিৰ এখন খেলপথাৰ। গিনিৰ এনজেৰোকোৰ এখন ফুটবল খেলপথাৰত ৰেফাৰীৰ বিতৰ্কিত সিদ্ধান্তৰ ফলত সূত্ৰপাত ঘটা হিংসাত্মক পৰিস্থিতিত মৃত্যু ঘটে শতাধিক ফুটবল অনুৰাগীৰ। খেল চলি থকাৰ সময়তে খেলপথাৰত দুয়োটা দলৰ অনুৰাগীৰ মাজত সংঘৰ্ষ হোৱাত এই ঘটনা ক্ষিপ্ৰতাৰে ষ্টেডিয়ামৰ বাহিৰলৈও



বিয়পি পৰে। ইয়াৰ পিছতে উন্মান জনতাই অগ্নিসংযোগ কৰে আৰক্ষী থানাতো। এএফপিৰ তথ্য অনুসৰি এই সংঘৰ্ষত নিহত হোৱা লোকৰ সঠিক সংখ্যা এতিয়াও নিশ্চিত হোৱা নাই শেষাংশ ২ পৃষ্ঠাত

## 'কংগ্ৰেছে ৰাজহাড় পোন কৰি কাম কৰে'

### ভূপেন বৰাৰ বিশেষ মন্তব্য



ই-সংবাদ, ২ ডিচেম্বৰঃ ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে কংগ্ৰেছ দল আৰু শেষাংশ ৭ পৃষ্ঠাত

## কংগ্ৰেছে অহংকাৰ এৰিব লাগিবঃ অখিল গগৈ



ই-সংবাদ, ২ ডিচেম্বৰঃ ৰাইজৰ দলৰ সভাপতি অখিল গগৈ পুনৰ ব্যস্ত হৈ পৰিছে শেষাংশ ৭ পৃষ্ঠাত

## চুবুৰীয়া ৰাজ্যৰ সৈতে সম্পৰ্ক বৰ্তাই ৰখাত ব্যৰ্থ হিমন্ত চৰকাৰ

# ঠাণ্ডাতো আলুৰ দামে গৰম কৰিব জনতাৰ তালু!

### ■ পশ্চিমবংগত এতিয়াও মজুত আছে ৬.৫ লাখ মেট্ৰিক টন

ই-সংবাদ, ২ ডিচেম্বৰঃ অসম চৰকাৰে চুবুৰীয়া ৰাজ্যৰ প্ৰশাসনৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰাত বিফল হোৱাৰ ফলতে অসমত আলুৰ দাম সোণৰ দৰৰ দৰেই বৃদ্ধি হ'বলৈ লৈছে। চুবুৰীয়া ৰাজ্য পশ্চিমবংগ পাৰ হৈ স্থলপথেৰে অসম তথা শেষাংশ ৩ পৃষ্ঠাত



### নিলম্বিত হ'ল বিধায়ক

## বাদ দিলে নিজামুদ্দিনক

ই-সংবাদ, ২ ডিচেম্বৰঃ বৰাক উপত্যকাৰ আলগাপুৰ সমষ্টিৰ বিধায়ক নিজামুদ্দিন চৌধুৰীক নিলম্বন শেষাংশ ৫ পৃষ্ঠাত

## যেনে কৰ্ম তেনে ফল! সিন্ধেই হেৰাইছে মনৰ বল

মুম্বাই, ২ ডিচেম্বৰঃ কোন হ'ব মহাৰাষ্ট্ৰৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী? ৰাজ্যখনৰ নতুন চৰকাৰৰ শপত গ্ৰহণৰ দিন ঘোষণা কৰিছে বিজেপি শেষাংশ ৪ পৃষ্ঠাত

### নতুন বছৰত অসমলৈ জনালে নিমন্ত্ৰণ

## তালিকা লৈ প্ৰধানমন্ত্ৰীৰ ওচৰ পালে হিমন্ত বিশ্ব শৰ্মা



ই-সংবাদ, ২ ডিচেম্বৰঃ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণক লৈ ৰাজ্যত ব্যাপক জল্পনা-কল্পনা আৰম্ভ হোৱাৰ লগে লগে বিজেপিৰ বিধায়কৰ মাজত বিধায়ক শেষাংশ ৫ পৃষ্ঠাত

## আপত যোগ চেলিব্ৰিটী গুৰু অৱধ ওঝাৰ

নতুন দিল্লী, ২ ডিচেম্বৰঃ ৰাজনীতিৰ পথাৰত খোজ দিলে মোটিভেশ্যনেল স্পীকাৰ তথা শেষাংশ ২ পৃষ্ঠাত

### চাফা কৰিব লাগিব বাথৰুম

## সুখবীৰ সিঙক শিখ ধৰ্মগুৰুৰ শাস্তি

নতুন দিল্লী, ২ ডিচেম্বৰঃ যৌন নিৰ্যাতনৰ গোচৰত কাৰাবন্দী ডেৰা সচ্চা সৌদাৰ মুৰব্বী গুৰমীত ৰাম ৰহিমক ক্ষমা কৰাৰ অপৰাধত শাস্তি প্ৰদান কৰা হৈছে শেষাংশ ৪ পৃষ্ঠাত

## পুষ্প গগৈক চ্যুকাফা সাংস্কৃতিক বঁটা প্ৰদান

ই-সংবাদ, সোণাৰি, ২ ডিচেম্বৰঃ বৃহত্তৰ অসমীয়া জাতিৰ জনক, বৰ অসমৰ ৰূপকাৰ স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ শেষাংশ ৫ পৃষ্ঠাত

### কেন্দ্ৰক দাবী জনালে মমতাই

## 'বাংলাদেশলৈ শীঘ্ৰে প্ৰেৰণ কৰক শান্তি সেনা'

ঢাকা, ২ ডিচেম্বৰঃ বাংলাদেশত সংখ্যালঘু লোকৰ ওপৰত সংঘটিত অত্যাচাৰক লৈ উদ্বেগ ব্যক্ত কৰিছে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে। শেষাংশ ৩ পৃষ্ঠাত



### ক'লে ইউডিএফৰ বিধায়কে

## মুখ্যমন্ত্ৰীৰ পৰা অম্লজান লৈ ঘূৰি আছে অখিলে!

ই-সংবাদ, ২ ডিচেম্বৰঃ অখিল গগৈয়ে আজি গোৱালপাৰাত দলীয় কাৰ্যালয় মুকলি কৰি সংখ্যালঘুৰ দল শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# আপত যোগ চেলিব্ৰিটী গুৰু অৱধ ওঝাৰ

চেলিব্ৰিটি শিক্ষক অৱধ ওঝাই। অনলাইন কোচিঙৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ পথ প্ৰদৰ্শন কৰি অহা অৱধ ওঝাই শেহতীয়াকৈ যোগদান কৰিছে আম আদমী পাৰ্টিত। শিক্ষকতা শৈলী আৰু জীৱনক উদ্বুদ্ধ কৰিব পৰা কথাৰ বাবে সুপৰিচিত অৱধ ওঝাৰ ৰাজনীতিত প্ৰৱেশৰ পিছতে সামাজিক মাধ্যমত আৰম্ভ হৈছে ব্যাপক চৰ্চা। উল্লেখ্য যে, ছাত্ৰ-ছাত্ৰীৰ মাজত ওঝা ছাৰ হিচাপে পৰিচিত অৱধ ওঝাৰ ঘৰ হৈছে উত্তৰ প্ৰদেশৰ গোণ্ডা জিলাত। ইউ পি এছ চিৰ কোচিঙৰ উপৰিও তেওঁ এগৰাকী মোটিভেশ্যনেল স্পীকাৰ হিচাপেও সমানেও জনপ্ৰিয়। সৰুৰে পৰাই পঢ়া-শুনাত মেধাৰী তেওঁৰ সপোন আছিল ইউ পি এছ চি পাছ কৰি আই এ এছ বিষয়া হোৱাৰ, কিন্তু সেই সপোন পূৰণ নহ'ল। ইয়াৰ পিছত তেওঁ কোচিং চেণ্টাৰ খুলিবলৈ সিদ্ধান্ত লয় আৰু তাৰ পিছত তেওঁৰ জনপ্ৰিয়তা আৰু উপাৰ্জন বৃদ্ধি পাবলৈ ধৰে। অৱধ ওঝাৰ মুঠ সম্পত্তিৰ পৰিমাণ প্ৰায় ১১ কোটি টকা বুলি অনুমান কৰা হৈছে। ইয়াৰ এটা ডাঙৰ অংশ তেওঁ চলোৱা কোচিং চেণ্টাৰটোৰ পৰাই আহে। তেওঁৰ কোচিং চেণ্টাৰৰ ৱেবছাইট অনুসৰি ইউ পি এছ চি জি এছ ফাউণ্ডেশ্যনৰ পাঠ্যক্ৰমৰ অনলাইন মাচুল ৯০ হাজাৰ টকা আৰু অফলাইন মাচুল ১ লাখ ৬০ হাজাৰ টকা। অন্যহাতে, কোচিঙৰ উপৰিও অৱধ ওঝাই নিজৰ ইউটিউব চেনেল আৰু ছ'চিয়েল মিডিয়া প্লেটফৰ্মৰ জৰিয়তে যথেষ্ট উপাৰ্জন কৰে। তেওঁ এজন প্ৰখ্যাত চেলিব্ৰিটি মোটিভেচনেল স্পীকাৰ হিচাপেও পৰিচিত। অৱধ ওঝাৰ মাতৃ এগৰাকী অধিবক্তা আৰু পিতৃ আছিল এগৰাকী পোষ্টমাষ্টাৰ। তেওঁৰ সপোন আছিল ইউ পি এছ চি ক্লিয়াৰ কৰি আই এ এছ বিষয়া হোৱা, কিন্তু সেয়া নহ'ল। তাৰ পিছত তেওঁ কোচিং চেণ্টাৰ খোলাৰ পথ বাছি লয়। ২০০৫ চনত দিল্লীৰ মুখাৰ্জী নগৰত প্ৰথমটো ইউ পি এছ চিৰ কোচিং চেণ্টাৰ আৰম্ভ কৰে অৱধ ওঝাই। পৰৱৰ্তী সময়ত তেওঁ এই কোচিং চেণ্টাৰৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ মাজত এগৰাকী জনপ্ৰিয় শিক্ষক হিচাপে খ্যাতি অৰ্জন কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ক্ৰীড়াংগন হ'ল ৰণাংগন! গিনিত ফুটবলক

যদিও চিকিৎসালয়ৰ মৰ্গসমূহ মৃতদেহৰে উপচি পৰিছে। এজন চিকিৎসকে জনোৱা মতে, কমেও ১০০ জন লোকৰ মৃত্যু হৈছে এই সংঘৰ্ষৰ সময়ত। হাস্পতালৰ মজিয়াত শাৰী শাৰীকৈ পৰি ৰৈছে মৃতদেহ। ইফালে ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰা এই ঘটনাৰ ভিডিঅ'ত দেখা গৈছে যে খেলপথাৰত থকা অনুৰাগীসকলে ৰেফাৰীৰ এক সিদ্ধান্তত ক্ষুব্ধ হৈ কাজিয়াত লিপ্ত হয়। কম সময়ৰ ভিতৰতে হিংসা সমগ্ৰ অঞ্চলটোত বিয়পি পৰাৰ পিছত একাংশ সমৰ্থকে থানাত জুই লগাই দিয়ে। মন কৰিবলগীয়া যে, এই মেচখন গিনিৰ জুন্টা নেতা মামাদি ডুমবুয়াক আদৰণি জনোৱাৰ উদ্দেশ্যে আয়োজন কৰা হৈছিল। ২০২১ চনত গিনিৰ ক্ষমতা দখল কৰা মামাদীয়ে নিজকে ৰাষ্ট্ৰপতি ঘোষণা কৰিছিল যদিও আন্তঃৰাষ্ট্ৰীয় হেঁচাত ক্ষমতা গতাই দিয়াৰ প্ৰতিশ্ৰুতি দিছে। অহা বছৰৰ নিৰ্বাচনত তেওঁ ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। ৰাজনৈতিক অশান্তিৰ মাজতে খেলপথাৰত সংঘটিত এই সংঘৰ্ষক লৈ এতিয়া সমগ্ৰ বিশ্বই প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।

৬নং পৃষ্ঠাৰ পৰা...

# আমগুৰিত মুখত ক'লা কাপোৰ বান্ধি

ব্যৱসায়ীয়ে জিলাখনৰ বহুকেইজন সাংবাদিকক শাৰীৰিকভাৱে অপদস্থ আৰু দৃষ্টিকটু শব্দৰে দু-ব্যৱহাৰ কৰি কৰ্তব্যপালনত বাধা আৰোপ কৰে। কেৱল ইমানেই নহয়, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত একপ্ৰকাৰৰ গুণ্ডাগিৰি প্ৰদৰ্শন কৰি সাংবাদিকক প্ৰাণে মাৰিবলৈয়ো চেঁচা লয়। ইয়াৰ পাৰিপেক্ষিতত আজি আমগুৰি চহৰত সাংবাদিক সকলে মুখত ক'লা কাপোৰ মাৰি সমদল উলিওৱাৰ লগতে ধৰ্ণা দিয়ে। শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘৰ উদ্যোগত তথা শিৱসাগৰ ই-মেডিয়া সংস্থাৰ সহযোগত আমগুৰি চাৰিআলিত মুখত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ সাব্যস্ত কৰে। বহি:ৰাজ্যৰ গাহৰি আমদানিৰে থলুৱা গাহৰি পালক সকলৰো মুৰত মাধমাৰ শোধোৱা গাহৰি ব্যৱসায়ী কেইজনৰ অতপালিৰ বিষয়ে জানিব পাৰি কেইবাটাও জাতীয় সংগঠনৰ প্ৰতিনিধিয়েও সহযোগ কৰে সাংবাদিক সকলৰ প্ৰতিবাদী কাৰ্যসূচীত। উল্লেখ্য যে, শিৱসাগৰ জিলাৰ জাঁজীত দেওবাৰে পুৱা প্ৰায় ৮ বজাত বহিংৰাজ্যৰ পৰা অহা এখন গাহৰি ভৰ্ত্তি গাড়ী সদৌ অসম গাহৰি পালক সন্থাৰ সহযোগত আৰক্ষীয়ে আৱদ্ধ কৰিছিল। সেই বাতৰি সংগ্ৰহ কৰিবৰ বাবেই সংবাদিক সকল সেই ঠাইত উপস্থিত হয়।
সাংবাদিকসকলে নিজৰ কৰ্তব্য সম্পাদন কৰি থকাৰ সময়তে সেই ঠাইত কেইগৰাকীমান গাহৰি ব্যৱসায়ী উপস্থিত হয়। ব্যৱসায়ীসকলে সাংবাদিক সকলক কৰ্তব্য পালন কৰাত বাধা প্ৰদান কৰাৰ লগতে দুব্যৱহাৰ কৰে অশ্ৰাব্য ভাষাৰে সমজুৱাভাৱে সাংবাদিকসকলক অপমান কৰাৰ বাবে আজি প্ৰতিবাদী কাৰ্যসূচী হাতত লয়। জাঁজীত নিজকে গাহৰি ব্যৱসায়ী বুলি পৰিচয় দিয়া শশাংক, নিপম, অভিজিত, লক্ষীকে ধৰি একাংশ ভেৰোণীয়া গুণ্ডাবাহিনীয়ে সাংবাদিকক বেঢ়ি ধৰি সাংবাদিকক নীতি-শিক্ষা দিবলৈ উদ্যত হোৱাৰ লগতে শাৰীৰিকভাৱে আক্ৰমণ কৰিবলৈও উদ্যত হয়। এই ঘটনাক গৰিহণা জনাই আজি কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, সদৌ টাই আহোম ছাত্ৰ সন্থা,অসম চাহ জনজাতি ছাত্ৰ সন্থা, সদৌ অসম মহিলা সমিতিকে ধৰি বহুকেইটা জাতীয় দল-সংগঠনে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আনহাতে, উক্ত প্ৰতিবাদী কাৰ্যসূচীত শিৱসাগৰ প্ৰেছ কৰেছপণ্ডেন্টছ এছ'চিয়েছন, চেলেংহাট প্ৰেছ ক্লাব, নামতি প্ৰেছ ক্লাবেও সহযোগিতা আগবঢ়ায়। ইফালে, আমগুৰিত প্ৰতিবাদী কাৰ্যসূচীৰ পিছতে আমগুৰিৰ একাংশ সাংবাদিকে গৌৰীসাগৰ আৰক্ষী থানাত সাংবাদিকৰ নিৰাপত্তা বিচাৰি এক পত্ৰ প্ৰেৰণ কৰে। লগতে কালি সাংবাদিকসকলক অপদস্থ কৰাসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। সমান্তৰালকৈ শিৱসাগৰ ই-মিডিয়া সংস্থায়ো সদৰ থানাত ঘটনা সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে। কাৰ্যসূচীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ৰিতুমণি হাজৰিকা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ ৰবীন হাজৰিকা, সদৌ টাই আহোম ছাত্ৰ সন্থা শিৱসাগৰ জিলা সমিতিৰ সভাপতি অখিল আহোম, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ জ্যোতি প্ৰসাদ নায়ক, সদৌ অসম মহিলা সমিতিৰ সম্পাদিকা ইন্দ্ৰাণী ৰাজকুমাৰী, আমগুৰিৰ প্ৰাক্তন ছাত্ৰনেতা অম্লান জ্যোতি মহন্তকে ধৰি জাতীয় সংগঠনৰ বহুকেইজন বিষয়ববীয়াই বক্তব্য প্ৰদান কৰে। যি সময়ত চৰকাৰ প্ৰশাসনে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰি সাংবাদিকৰ জয়গান গায়, নিৰাপত্তাৰ কথা কৈ আহিছে তেনে সময়তে সাংবাদিকসকলক বাতৰি সংগ্ৰহত বাধা দিয়া, আক্ৰমণ কৰা, অভব্য আচৰণৰ ঘটনা বৃদ্ধি পাবলৈ ধৰাটো অতি পৰিতাপৰ কথা বুলি ক্ষোভ প্ৰকাশ কৰে ৰিতুমণি হাজৰিকাই। আমগুৰিত গাহৰি চিণ্ডিকেট গঢ়ি তোলা একাংশই বাৰ্মিজ চুপাৰি, অৰুণাচলী সুৰা সৰবৰাহ আদিৰ দৰে বেহা চলাই থকা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰে। সাংবাদিকক অপদস্থ কৰা সকলৰ বিৰুদ্ধে পদক্ষেপ ন'ললে চৰকাৰৰ বৰমূৰীয়া কিছুমানো যে জড়িত আছে সেয়া বুজা যাব বুলিও ৰিতুমণি হাজৰিকাই অভিযোগ তোলে। প্ৰশাসনে সাংবাদিকসকলৰ দাবী মানি নল'লে অধিক প্ৰতিবাদী কাৰ্যসূচীৰ হুংকাৰ দিছে গ্ৰাম্য সাংবাদিক সংঘ আৰু শিৱসাগৰ ই-মিডিয়া সংস্থাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ঠাণ্ডাতো আলুৰ দামে গৰম কৰিব

উত্তৰ-পূৰ্বাঞ্চললৈ আলু সৰবৰাহ হয় যদিও চুবুৰীয়া ৰাজ্যখনৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি অসমলৈ খাদ্য-সামগ্ৰী সহজতে সৰবৰাহ কৰাত বিফল হৈছে ৰাজ্য চৰকাৰ। সীমান্তত আৰক্ষীয়ে আলু কঢ়িওৱা গাড়ী চালকক অত্যাচাৰ-উৎপীড়ন কৰাৰ ফলতে দুই ৰাজ্যৰ সৈতে ব্যৱসায়ীৰ মাজত সংঘাত বৃদ্ধি পাইছে। পশ্চিমবংগৰ আলু-পিঁয়াজ অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ ৰপ্তানিত নিষেধাজ্ঞা জাৰি কৰিছে পশ্চিমবংগৰ চৰকাৰে। পশ্চিমবংগৰ আলু-পিঁয়াজ অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ ৰপ্তানিৰ ক্ষেত্ৰত জাৰি কৰিছে নিষেধাজ্ঞাৰ পিছৰে পৰা পশ্চিমবংগৰ আলু ব্যৱসায়ীসকলে অসমলৈ আলুৰ সৰবৰাহ বন্ধ কৰি দিছে। যাৰ ফলত অসমত আলুৰ নাটনি আৰু মূল্যবৃদ্ধিৰ অভিযোগ উঠিছে। হঠাতে আলু প্ৰতিকেজিৰ দাম ৪০ টকাৰ সীমা অতিক্ৰম কৰিছে। যদি ২৪ ঘণ্টাৰ ভিতৰত অসমলৈ আলু সৰবৰাহ নহয় তেন্তে আলুৰ কেজি ৬০ টকা পৰ্যন্ত হওতে বেছি সময় নালাগিব। আলুৰ নাটনিৰ গইনা লৈ অসমৰ পুঁজপতি ব্যৱসায়ীসকলে আলুৰ দাম হোৱাহোৱে বৃদ্ধি কৰিছে। যাৰ পুনৰ আলুৰ দাম কম সময়ৰ ভিতৰতে ৬০ টকা পৰ্যন্ত হ'ব বুলি আশংকা কৰা হৈছে। ইপিনে পশ্চিমবংগৰ আলু ব্যৱসায়ীসকলে সোমবাৰে নিশাৰে পৰা ধৰ্মঘট অব্যাহত ৰখাত অসম অভিমুখী আলু ভৰ্তি গাড়ীসমূহৰ সৰবৰাহ বন্ধ হৈ পৰিছে। পশ্চিমবংগ চৰকাৰে উত্তৰ-পূৰ্বাঞ্চললৈ আলু প্ৰেৰণত ঘোষিত নিষেধাজ্ঞা শিথিল কৰাৰ ঘোষণা কৰা নাই। সোমবাৰে পশ্চিমবংগৰ কৃষি বিপণন মন্ত্ৰী বেচাৰাম মান্নাই ব্যৱসায়ীসকলৰ সৈতে বৈঠকত অনুষ্ঠিত কৰে যদিও সেয়া বিফল হৈছে। ৰাজ্যিক শীতল ভঁৰাল মালিক সন্থাৰ সৈতে বৈঠক কৰে পশ্চিমবংগৰ কৃষি বিপণন মন্ত্ৰী বেচাৰাম মান্নাই। কিন্তু চুবুৰীয়া ৰাজ্যৰ চৰকাৰে নিষেধাজ্ঞা আতৰোৱাৰ আশ্বাস দিয়া নাই। মঙলবাৰৰ পৰা মুকলি বজাৰত আলুৰ মূল্য আৰু বৃদ্ধি হ'ব পাৰে বুলি আশংকা কৰা হৈছে। অৱশ্যে, ব্যৱসায়ীসকলে কয় যে ধৰ্মঘট অব্যাহত থাকিব নে নাই মঙলবাৰে প্ৰগ্ৰেছিভ পটেটো ট্ৰেডাৰ্ছ এছ'চিয়েচনৰ ৰাজ্যিক সমিতিৰ এখন জৰুৰী বৈঠক আহ্বান কৰা হৈছে। সভাত ধৰ্মঘটৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰা হ'ব। উল্লেখ্য যে, পশ্চিমবংগৰ আলু ব্যৱসায়ীসকলৰ সংস্থা প্ৰগ্ৰেছিভ পটেটো ট্ৰেডাৰ্ছ এছ'চিয়েচনে ৰাজ্যৰ বাহিৰলৈ আলু ৰপ্তানিৰ সময়ত সীমান্তত আৰক্ষীৰ অত্যাচাৰ আৰু উৎপীড়নৰ অভিযোগ আনি সোমবাৰে মাজনিশাৰ পৰা ৰাজ্যব্যাপী ধৰ্মঘটৰ আহ্বান জনায়। ফলত মুকলি বজাৰত আলুৰ অভাৱ হ'ব পাৰে আৰু মূল্য বৃদ্ধি হ'ব পাৰে বুলি আশংকা কৰা হৈছে। কিন্তু এই ক্ষেত্ৰত অসম চৰকাৰে কোনো পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই। অসম চৰকাৰ তথা অসমৰ যোগান মন্ত্ৰীয়ে বিগত ৫০ ঘণ্টা ধৰি গুৰুত্ব দিয়া নাছিল যদিও ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত প্ৰতিক্ৰিয়া দিবলৈ বাধ্য হয়। ইপিনে পশ্চিমবংগৰ আলু ব্যৱসায়ীসকলে কয় যে বৈঠকত মন্ত্ৰীজনক আলু ৰপ্তানিৰ ওপৰত থকা নিষেধাজ্ঞা শিথিল কৰিবলৈ অনুৰোধ জনোৱা হৈছিল। কিন্তু মন্ত্ৰীজন তথা চৰকাৰী বিষয়াসকলে কোনো আশ্বাস দিব নোৱাৰিলে। আলু ব্যৱসায়ীসকলে স্পষ্ট কৰে যে যদি আলুৰ গাড়ী সীমান্তত ৰখা নহয়, তেন্তে ধৰ্মঘটৰ পথৰ পৰা আতৰিব নোৱাৰিব। ব্যৱসায়ীসকলৰ মতে ৰাজ্যখনৰ প্ৰায় ৫০০ শীতল ভঁৰালত এতিয়াও ৬ৰ পৰা ৬.৫ লাখ মেট্ৰিক টন আলু আছে। ডিচেম্বৰত ৰাজ্যখনৰ মুঠ আলুৰ চাহিদা ৩ৰ পৰা ৩.৫ লাখ মেট্ৰিক টন। স্বাভাৱিকতে, ডিচেম্বৰত ৰাজ্যৰ চাহিদা পূৰণ কৰাৰ পাছতো, শীতল ভঁৰালত ২.৫ ৰ পৰা ৩ লাখ মেট্ৰিক টন অতিৰিক্ত আলু থাকি যাব। চৰকাৰে ইতিমধ্যে এখন জাননী জাৰি কৰি ৰাজ্যখনৰ সকলো শীতল ভঁৰাল ৩১ ডিচেম্বৰৰ ভিতৰত খালী কৰিবলৈ কৈছে। সাধাৰণতে, অতিৰিক্ত আলু আন ৰাজ্যলৈ প্ৰেৰণ কৰাৰ বাহিৰে আন কোনো বিকল্প নাই। ইয়াৰ উপৰিও, ব্যৱসায়ীসকলে আশংকা কৰে যে ডিচেম্বৰৰ মাজভাগৰ পৰা নতুন আলু বজাৰলৈ আহিব। তেনে ক্ষেত্ৰত, ৰাজ্যৰ বজাৰত মজুত আলুৰ চাহিদা কিছু পৰিমাণে হ্ৰাস কৰা হ'ব। ৰাজ্যখনৰ প্ৰগ্ৰেছিভ পটেটো ট্ৰেডাৰ্ছ এছ'চিয়েশ্যনৰ সাধাৰণ সম্পাদক লালু মুখাৰ্জীয়ে কয় যে সোমবাৰে আবেলি মন্ত্ৰীজনৰ সৈতে আমাৰ বৈঠক হৈছে যদিও কোনো সমাধান নোলাল। মন্ত্ৰীজনে আমাক ধৰ্মঘট প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনাইছে। কিন্তু আমি সেই সভালৈ যোৱা মুষ্টিমেয় প্ৰতিনিধিসকলে সিদ্ধান্ত লোৱা সম্ভৱ নাছিল। গতিকে আমাৰ ধৰ্মঘট সোমবাৰে মাজনিশাৰ পৰা অব্যাহত থাকিব। মঙলবাৰে হুগলীৰ তাৰকেশ্বৰৰ ব্যৱসায়িক ভৱনত প্ৰগ্ৰেছিভ পটেটো ট্ৰেডাৰ্ছ এছ'চিয়েশ্যনৰ এখন জৰুৰী বৈঠক আহ্বান কৰা হৈছে। ৰাজ্য চৰকাৰৰ স্থিতি আৰু আমাৰ ধৰ্মঘটৰ বিষয়ে আলোচনা হ'ব। অসম-বংগ সীমান্তৰ পশ্চিমবংগৰ বাৰোবিশাত ব্যৱসায়ীসকলে আলু অধিক দামত কিনিব লগা হৈছে। অভিযোগ মতে, সীমান্তত আৰক্ষীক প্ৰতি বস্তা আলুৰ বাবদ ২০০ টকা দিব লাগে। এনে হাৰাশাস্তিৰ অভিযোগ পিছতে অসম-বংগ সীমান্তৰ বাৰোবিশা আৰু পাকৰিগুৰীত শ-শ আলু ভৰ্তি ট্ৰাক এসপ্তাহে থিয় হৈ আছে। ধুবুৰী জিলাৰ অসম-বংগ সীমান্তৰ ছাগলীয়াৰ ১৭নং ৰাষ্ট্ৰীয় ঘাইপথেৰে পশ্চিমবংগ প্ৰশাসনে অসমত আলু পিঁয়াজ কঢ়িওৱা বাহনৰ প্ৰৱেশত বাধা প্ৰদান কৰা ঘটনাই ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অসম-বংগ সীমান্তত উত্তৰ বংগ আৰক্ষী আৰু আৰক্ষীৰ স্বেচ্ছাসেৱী সংস্থাই সীমান্তত কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তুলিছে। অনুৰূপ ধৰণে তৃণমূল কংগ্ৰেছৰ নেতা-কৰ্মীও তহল দিয়া দেখা গৈছে। পশ্চিমবংগৰ পৰা অসমত প্ৰৱেশ কৰা সন্দেহজনক সকলোবোৰ বাহন বাদ পৰা নাই। কোঁচবিহাৰ জিলা প্ৰশাসনে পশ্চিমবংগৰ মাজেৰে অসমলৈ অহা আলু-পিঁয়াজ কঢ়িওৱা বাহনসমূহ অসমত প্ৰৱেশ কৰিব দিয়া হোৱা নাই। কোঁচ-বিহাৰ পাৰ হোৱাৰ পিছতে উভতাই পঠোৱা হৈ আছে। জুলাই বংগ চৰকাৰে আলু-পিঁয়াজ কঢ়িওৱা বাহনৰ অসমত প্ৰৱেশত বাধা প্ৰদান কৰি আহিছে যদিও অসম চৰকাৰে চুবুৰীয়া ৰাজ্যৰ চৰকাৰৰে আলোচনাত মিলিত হোৱা নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'বাংলাদেশলৈ শীঘ্ৰে শান্তি সেনা প্ৰেৰণ

শেহতীয়াকৈ মুছলমান প্ৰধান ৰাষ্ট্ৰখনত সংখ্যালঘু হিন্দুৰ ওপৰত আক্ৰমণ সংঘটিত হোৱাৰ কেইবাটাও ঘটনাই বাতৰিৰ শিৰোনাম দখল কৰাৰ পিছতে উদ্বেগ প্ৰকাশ কৰা মমতাই। চুবুৰীয়া দেশখনৰ পৰিস্থিতি কেন্দ্ৰীয় চৰকাৰৰ বিষয় বুলি উল্লেখ কৰাৰ সমান্তৰালভাৱে বাংলাদেশলৈ শান্তিৰক্ষী বাহিনী প্ৰেৰণৰ বাবে কেন্দ্ৰক প্ৰস্তাৱ আগবঢ়াইছে মমতা বেনাৰ্জীয়ে। উল্লেখযোগ্য যে নব্বৈৰ দশকৰ আৰম্ভণিতে শ্ৰীলংকাৰ গৃহযুদ্ধৰ সময়ত ভাৰতে শান্তিৰক্ষী বাহিনী প্ৰেৰণ কৰিছিল যদিও বাংলাদেশৰ পৰিস্থিতি সম্পূৰ্ণ পৃথক। বাংলাদেশৰ সৈতে এক দীঘলীয়া সীমান্ত ভাগ-বতৰা কৰে ভাৰতে। তদুপৰি দুয়োখন দেশৰ ভাষিক আৰু সাংস্কৃতিক সম্পৰ্কৰ বাবে বাংলাদেশৰ পৰিস্থিতি ভাৰতৰ বাবে অতি গুৰুত্বপূৰ্ণ হৈ আহিছে। ইফালে, সোমবাৰে বিধানসভাত মুখ্যমন্ত্ৰী মমতাই কয়, "বাংলাদেশত কি ঘটিছে তাক লৈ আমি চিন্তিত। এয়া কেন্দ্ৰৰ বিষয়, কিন্তু আমি শান্তিৰক্ষা বাহিনী প্ৰেৰণৰ প্ৰস্তাৱ দিছো। কেইদিনমান আগতে ৭৯ জন মাছমৰীয়াক বাংলাদেশৰ কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল আৰু তেওঁলোকক এতিয়াও মুকলি কৰা হোৱা নাই। আমি চৰকাৰক অৱগত কৰিছো আৰু আমি উকীলও প্ৰদান কৰিছো। ধৰ্ম বা জাতিৰ ভিত্তিত উৎপীড়ন অত্যন্ত নিন্দনীয়। কেন্দ্ৰীয় চৰকাৰে পদক্ষেপ ল'ব লাগিব যাতে আমাৰ লোকসকল নিপীড়িত নহয়।" মমতাই লগতে কয়, "আমি বিচাৰো যে প্ৰধানমন্ত্ৰী বা বৈদেশিক মন্ত্ৰীয়ে লোকসভাত এটা বিবৃতি দিয়ক যাতে আমাৰ মানুহক ঘূৰাই আনিব পৰা যায়। আমি আপোনালোকক আশ্বাস দিছো, থকা বা খাদ্যৰ ক্ষেত্ৰত আমাৰ কোনো সমস্যা নহ'ব। আমাৰ ভাষা আৰু সংস্কৃতি এক, বাংলা কোৱাটো কেতিয়াও অপৰাধ হ'ব নালাগে।" উল্লেখ্য যে বাংলাদেশত সংখ্যালঘু লোকৰ ওপৰত অত্যাচাৰৰ নতুন ছবি প্ৰকাশ পোৱাৰ পিছতে আন্তৰ্জাতিক সমাজে উদ্বেগ প্ৰকাশ কৰিছে। বাংলাদেশত ৫ আগষ্টত শিক্ষাৰ্থীৰ প্ৰতিবাদৰ পিছতে সংখ্যালঘু লোকৰ ওপৰত নিৰ্যাতনৰ ঘটনা বৃদ্ধি পাইছে। শেহতীয়াকৈ হিন্দু ধৰ্মগুৰু চিন্ময়কৃষ্ণ দাসক গ্ৰেপ্তাৰ কৰাৰ পিছতে ভাৰতত বাংলাদেশৰ পৰিস্থিতিক লৈ উদ্বেগ বৃদ্ধি পায়। কলকাতাৰ লগতে দেশৰ অন্যান্য প্ৰান্তত বাংলাদেশত সংখ্যালঘুৰ ওপৰত আক্ৰমণৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ কৰে ভাৰতীয়ই। এই পৰিস্থিতিত বাংলাদেশৰ বহু লোক ভাৰতলৈ পলায়নৰ চেষ্টা চলাইছে যদিও সীমান্তৰ পৰা উভতাই পঠিয়াওৱা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ পৰা অক্সিজেন লৈ ঘূৰি আছে

এআইইউডিএফক বিজেপিৰ অক্সিজেন লৈ জীয়াই থকা বুলি দাবী কৰিছিল। অখিল গগৈয়ে বদৰুদ্দিন আজমল আৰু আজমলৰ দলক গগৈয়ে ক্ষুৰধাৰ সমালোচনা কৰে। অখিল গগৈয়ে বিজেপিৰ অক্সিজেন লৈ এআইইউডিএফ দল জীয়াই আছে বুলি কৈ অসম বিধানসভাত এআইইউডিএফৰ বিধায়কে সেই কেইটা বিষয় উত্থাপন উল্লেখ কৰে যিকেইটা কথা উত্থাপন কৰিলে বিজেপি আৰু হিমন্ত বিশ্ব শৰ্মাই হিন্দু-মুছলমানৰ ৰাজনীতি কৰিব পাৰে বুলি অভিযোগ আনে। অখিল গগৈৰ এই মন্তব্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে এআইইউডিএফ দলৰ জ্যেষ্ঠ নেতা তথা জনীয়াৰ বিধায়ক ৰফিকুল ইছলামে প্ৰত্যুত্তৰ দিয়ে। ৰফিকুল ইছলামে কয় যে বিজেপিৰ ভোট নথকা সমষ্টিলৈ গৈ অখিল গগৈয়ে কয় বিজেপিক খেদিব লাগে। য'ত বিজেপিৰ ভোট আছে সেইবোৰ সমষ্টিলৈ অখিল গগৈ নাযায়। অখিল গগৈৰ সমষ্টিৰ পৰা মিঞা শ্ৰমিকক পিঠি ফালি পঠিয়ালে তেতিয়া অখিলৰ মাত নোলাল। অখিল গগৈয়ে মুখ্যমন্ত্ৰীৰ অক্সিজেন লৈ ঘূৰি আছে। বদৰুদ্দিন আজলমৰ পিছতে সংখ্যালঘু দল এআইইউডিএফ বিধায়ক ৰফিকুল ইছলামে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈক আক্ৰমণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যেনে কৰ্ম তেনে ফল! সিন্ধেই হেৰাইছে

দলে। কিন্তু এতিয়াও চূড়ান্ত হোৱা নাই মুখ্যমন্ত্ৰীৰ নাম। ফাড়নাবিছ, সিন্ধে, অজিত পাৱাৰ শাসনৰ বাঘজৰী লাভৰ দৌৰৰ তিনি মুখ্য দাবীদাৰ। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী পদক লৈ তিনি দলৰ ভিতৰচ'ৰাৰ লগতে ৰাজনৈতিক মহলত তীব্ৰ জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে ৰাজ্যখনৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীৰ বাছনিৰ বাবে দুগৰাকীকৈ কেন্দ্ৰীয় পৰ্যবেক্ষক নিযুক্তি দিছে বিজেপিয়ে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীক এই দায়িত্ব দিয়া হৈছে বুলি দলৰ সৰ্বভাৰতীয় সভাপতি জে পি নাড্ডাই ঘোষণা কৰিছে। মঙলবাৰে মুম্বাইত অনুষ্ঠিত হ'বলগীয়া দলটোৰ নৱনিৰ্বাচিত বিধায়কৰ বৈঠকত বিধানসভাৰ নেতাগৰাকী আনুষ্ঠানিকভাৱে নিৰ্বাচিত হ'ব বুলি বিজেপিয়ে জনাইছে। উল্লেখ্য যে, যোৱা ২৩ নৱেম্বৰত মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হয়, য'ত বিজেপি নেতৃত্বাধীন মহাযুটিয়ে ২৮৮খন আসনৰ ভিতৰত ২৩০খন আসন লাভ কৰে। কেৱল বিজেপিয়ে ১৩২খন আসন লাভ কৰে। অৱশ্যে মুখ্যমন্ত্ৰী কোন হ'ব সেয়া এতিয়াও ঘোষণা কৰা হোৱা নাই। ইফালে, বৃহস্পতিবাৰে নিশা দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু জে পি নাড্ডাক সাক্ষাৎ কৰি বিদায়ী মুখ্যমন্ত্ৰী তথা শিৱসেনা (সিন্ধে ফৈদ)ৰ মুৰব্বী একনাথ সিন্ধেয়ে জন্মস্থান সাতৰালৈ ৰাওনা হয়। তেতিয়াৰ পৰাই মহাযুটিৰ মাজত বিবাদৰ উৰাবাতৰি চলি আহিছে। অৱশ্যে দেওবাৰে এই জল্পনা-কল্পনাক খাৰিজ কৰি সিন্ধেয়ে কয়, "এই চৰকাৰ এখন জনচৰকাৰ। প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কোন মুখ্যমন্ত্ৰী হ'ব সেই সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ল'ব।" এই দৃশ্যপটত প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপি নেতা দেৱেন্দ্ৰ ফাড়নাভিছে মুম্বাইৰ আসন পুনৰ লাভ কৰাৰ সম্ভাৱনা আছে। অৱশ্যে বিজেপিৰ ৰাজ্যিক সভাপতি চন্দ্ৰশেখৰ বাৱনকুলে, প্ৰাক্তন মন্ত্ৰী ৰবীন্দ্ৰ চাৱন আৰু মুৰলীধৰ মোহলৰ নামক লৈ কিছু সতেজ জল্পনা-কল্পনা আৰম্ভ হৈছে। বিদায়ী মুখ্যমন্ত্ৰী সিন্ধেৰ পুত্ৰ শ্ৰীকান্ত সিন্ধেক উপ-মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি দিব পাৰে, কিন্তু তেওঁ কয় যে মই কোনো পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা নাই। আনহাতে, সোমবাৰে এন চি পি (অজিত)ৰ মুৰব্বী অজিত পাৱাৰে দিল্লী ভ্ৰমণ কৰাৰ লগে লগে চৰ্চাই এক নতুন গতি লাভ কৰিছে। বিজেপিৰ এক সূত্ৰ অনুসৰি, নতুন চৰকাৰত নিজৰ স্থিতি সন্দৰ্ভত দৰদাম কৰিবলৈকে দিল্লী ভ্ৰমণ কৰিছিল অজিতে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সুখবীৰ সিঙক শিখ ধৰ্মগুৰুতৰ শাস্তি

শিৰোমণি আকালি দলৰ নেতা সুখবীৰ সিং বাদলক। সোমবাৰে পঞ্জাৱৰ অমৃতসৰৰ স্বৰ্ণ মন্দিৰত আকাল তখত চাহিবে প্ৰদান কৰিছে এই শাস্তি। উল্লেখ্য যে, আকাল তখত চাহিবৰ শাস্তি পালন কৰি এঘণ্টাৰ বাবে স্বৰ্ণ মন্দিৰৰ বাথৰুম পৰিষ্কাৰ কৰিব লাগিব সুখবীৰ সিং বাদলে। ইয়াৰোপৰি তেওঁ মন্দিৰৰ লাংগাৰৰ আনে খোৱা বাচন ধুব লাগিব। ইয়াৰ পিছত তেওঁ কীৰ্ত্তন শুনি শ্ৰী সুখমণি চাহাব পাঠ কৰিব লাগিব। জাথেদৰ ৰঘবীৰ সিঙে সুখবীৰ সিং বাদলক এই শাস্তি প্ৰদান কৰি লগতে কয় যে প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰকাশ সিং বাদলক প্ৰদান কৰা 'ফকৰ-ই-কৌম' সন্মানো ওভতাই লোৱা হ'ব। তেওঁ কয় যে সুখবীৰ সিং বাদলে শাৰীৰিক সমস্যাৰ বাবে সোণালী মন্দিৰৰ ঘণ্টা টাৱাৰৰ বাহিৰত নিজৰ কৰ্তব্য পালন কৰিব পাৰিব আৰু হুইল চেয়াৰত বহি কাম কৰিব পাৰিব। জানিব পৰা মতে, সোমবাৰে প্ৰদান কৰা শাস্তি মৰ্ম পাতি লৈ ৩ ডিচেম্বৰ অৰ্থাৎ মঙলবাৰে স্বৰ্ণ মন্দিৰৰ বাথৰুম চাফা কৰিব সুখবীৰ সিং বাদল আৰু আদালি দলৰ অন্য নেতাসকলে। ইয়াৰ পিছত তেওঁলোকে গা ধুই লাংগাৰত আনে খোৱা বাচন পৰিষ্কাৰ কৰি সেৱা আগবঢ়াব। পৰৱৰ্তী সময়ত তেওঁলোকে প্ৰায় এঘণ্টা সময় কীৰ্ত্তন শুনিব। উল্লেখ্য যে, সুখবীৰ সিং বাদলক লৈ কিছু গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। তেওঁৰ বিৰুদ্ধে ডেৰা সচ্চা সৌদাৰ মুৰব্বী ৰাম ৰহিমৰ প্ৰতি নম্ৰ ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। আকালি দল শাসনত থকাৰ সময়তো ২০১৫ চনত ৰাম ৰহিমৰ শাস্তি সন্দৰ্ভত সুখবীৰ সিং বাদলে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত শিখ সম্প্ৰদায়ৰ মাজত ক্ষোভৰ সৃষ্টি হৈছিল। ২০১৫ চনত ফৰিদকোটৰ একাংশ গুৰদ্বাৰত শ্ৰীগুৰু গ্ৰন্থ চাহিবক অপবিত্ৰ কৰাৰ ঘটনা সংঘটিত হৈছিল। কিন্তু সুখবীৰ সিং বাদলে এই ঘটনাৰ তদন্ত বা অভিযুক্ত শাস্তি প্ৰদান নকৰাত পঞ্জাৱৰ পৰিস্থিতি আৰু অধিক জটিল হৈ পৰে। ইফালে, তেওঁৰ বিৰুদ্ধে উত্থাপিত হোৱা সকলো অভিযোগ মানি লৈছে। তেওঁ নিজৰ ভুল স্বীকাৰ কৰি এই সকলোবোৰ সিদ্ধান্তৰ বাবে অনুশোচনা কৰা বুলি কয়। অন্যহাতে প্ৰেম সিং চন্দুমাজৰা আৰু বলৱিন্দৰ সিং ভুন্দৰৰ দৰে আকালি দলৰ একাংশ নেতাই এই অভিযোগ অস্বীকাৰ কৰে। শিৰোমণি আকালি দলৰ নেতা পৰবিন্দৰ সিং ধীন্দছাই কয়, "আমি যি শিকিছো, সেয়া শিৰ নত কৰি মানি লৈছো। যিকোনো ভুলৰ বাবে আমি দুখী আৰু ইয়াৰ পৰা নিশ্চয় আমি শিক্ষা লাভ কৰিম।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিয়মীয়া হ'ব ৪৬৬৯ শিক্ষক পদ

চাকৰি নিয়মীয়াকৰণক লৈ খবৰ শ্বেয়াৰ কৰিছে। শ্বেয়াৰ কৰা খবৰ ঠিকাভিত্তিক শিক্ষকসকলৰ বাবে। মন্ত্ৰী পেগুৱে সামাজিক মাধ্যমযোগে এক বিজ্ঞাপন শ্বেয়াৰ কৰি ৪৬৬৯টা শিক্ষকৰ পদ নিয়মীয়াকৰণৰ বাবে আবেদন বিচাৰিছে। এই পদবীত অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকসকলে আবেদন কৰিব পাৰিব। অফিচিয়েল ৱেবছাইট https://madhyamik.assam.gov.in যোগে আবেদন কৰিব পাৰিব। শিক্ষামন্ত্ৰীয়ে উল্লেখ কৰা মতে, ঠিকাভিত্তিক শিক্ষসকলক চাকৰি নিয়মীয়াকৰণ কৰি মৌলিক দৰমহাৰ লগতে গ্ৰহণযোগ্য ভাত্তা প্ৰদান কৰা হ'ব। নিয়মীয়াকৰণৰ এবছৰ পিছত দৰমহা বৃদ্ধি পাব। কিন্তু এই বিজ্ঞাপনত প্ৰাৰ্থীসকলে পূৰ্বৰে পৰা কাম কৰি থকাৰ অজুহাত লৈ কোনো ধৰণৰ ভৱিষ্যত নিধি, পে' প্ৰটেকচন দাবী কৰিব নোৱাৰিব। কেৱল ৰাজ্যিক এনপিএছহে লাভ কৰিব। অ'পিএছ দাবী কৰিব নোৱাৰিব। প্ৰাৰ্থীসকল ২০২৪ চনৰ ৩১ অক্টোবৰলৈ অতিৰিক্ত ঠিকাভিত্তিক শিক্ষক হিচাপে ৫ বছৰ সম্পূৰ্ণ হ'ব লাগিব। ৫ বছৰ সম্পূৰ্ণ হোৱাসকলে ৮ ডিচেম্বৰৰ নিশাৰ ভিতৰত আবেদন কৰিব পাৰিব। সকলো আবেদন অনলাইন হ'ব। অফলাইন ব্যৱস্থা নাথাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তালিকা লৈ প্ৰধানমন্ত্ৰীৰ ওচৰ পালে হিমন্ত

আবাসত ভাগে ভাগে গোপন বৈঠক অনুষ্ঠিত হৈছে। কোনে মন্ত্ৰিত্ব পাব তাকে লৈ শীতল যুদ্ধ চলিছে বিজেপিৰ ভিতৰচ'ৰাত। কাৰ কপাল ফুলিব পাৰে তাকে লৈ চৰ্চা কৰিছে। মন্ত্ৰী হ'ব খোজা বিজেপিৰ দাবীদাৰ বিধায়কে বিভিন্ন চেনেলযোগে চাপ সৃষ্টিৰ ৰাজনীতি আৰম্ভ কৰিছে। চৰ্চালৈ আহিছে পদ্ম হাজৰিকা, প্ৰশান্ত ফুকন, সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, জিতু গোস্বামীৰ নাম। ইপিনে বৰাকৰ পৰা এজন বিধায়কে মন্ত্ৰিত্ব পোৱাটো খাটাং হৈছে। বৰাকৰ পাথাৰকান্দি সমষ্টিৰ বিধায়ক কৃষ্ণেন্দু পালে মন্ত্ৰিত্ব লাভ কৰিব বুলি এটা সূত্ৰই মোহৰ লগাইছে। হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত চাৰিগৰাকী মন্ত্ৰিত্ব ল'ব পৰাকৈ ঠাই আছে। কিন্তু প্ৰথম অৱস্থাত বৰাকৰ পৰা মাথো এজন বিধায়কক মন্ত্ৰিত্ব দিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছিল। কিন্তু দলৰ ভিতৰচ'ৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত বিষয়টোক লৈ দলৰ শীৰ্ষ নেতৃত্বৰ সৈতে আলোচনা কৰিবলগীয়াত পৰে মুখ্যমন্ত্ৰীয়ে। জাতি-জনগোষ্ঠীৰ সমীকৰণ মিলাই হ'বলগীয়া মন্ত্ৰীৰ তালিকা লৈ দিল্লীলৈ উৰা মৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ বিষয়টো আলোচনা কৰা বুলি এটা সূত্ৰই দাবী কৰিছে। সূত্ৰটোৱে মুখ্যমন্ত্ৰীয়ে লৈ যোৱা তালিকাত দুজন বিধায়কৰ নাম আছে বুলি দাবী কৰিছে। সূত্ৰটোৱে কয় যে বিজেপিৰ শীৰ্ষ নেতৃত্বৰে এজন বিধায়ক বৰাকৰ আৰু এজন উত্তৰ অসম, মধ্য অসম অথবা গুৱাহাটীৰ বিধায়কক স্থান দিয়াৰ চৰ্চা কৰিছে মুখ্যমন্ত্ৰীয়ে। তালিকাখনত দুজন লোকৰ নাম থকা বুলি জানিব পৰা গৈছে। বৰাকৰ পাথাৰকান্দি সমষ্টিৰ বিধায়ক কৃষ্ণেন্দু পাল আৰু পদ্ম হাজৰিকা, প্ৰশান্ত ফুকন, সিদ্ধাৰ্ধ ভট্টাচাৰ্য্য, জিতু গোস্বামীৰ ভিতৰত এজন বিধায়কে মন্ত্ৰিত্ব লাভ কৰিব পাৰে। আজি প্ৰধানমন্ত্ৰীক সাক্ষাতৰ আছিল আন এক কাৰণ। সেয়া হৈছে ২০২৫ চনৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া বিনিয়োগকাৰী সন্মিলন আৰু ঝুমুৰ নৃত্য প্ৰদৰ্শন অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ। মুখ্যমন্ত্ৰী শৰ্মাই নতুন দিল্লীত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে হোৱা বৈঠকৰ পিছতে টুইটযোগে ফটো শ্বেয়াৰ কৰি ৰাজ্যখনৰ বাবে বিভিন্ন উন্নয়নমূলক পদক্ষেপৰ বিষয়ে আলোচনা কৰা বুলি কয়। তেওঁ কয়, "আজি নতুন দিল্লীত মই বিভিন্ন উন্নয়নমূলক বিষয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশনা লাভ কৰাৰ সৌভাগ্য লাভ কৰিছো। অসমৰ জনসাধাৰণৰ হৈ মই তেওঁক ২০২৫ চনৰ ফেব্ৰুৱাৰীত অসম বিনিয়োগকাৰী আৰু আন্তঃগাঁথনি সন্মিলন আৰু মেগা ঝুমুৰ প্ৰদৰ্শনক আশীৰ্বাদ দিবলৈ আমন্ত্ৰণ জনাই আনন্দিত হৈছো। মেগা ঝুমুৰ প্ৰদৰ্শন ৰাজ্য চৰকাৰৰ এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক অনুষ্ঠান। অসমৰ সমৃদ্ধ ঐতিহ্য প্ৰদৰ্শিত হ'ব। অসমৰ চাহ বাগিচাৰ সম্প্ৰদায়ৰ সৈতে সম্পৰ্কিত এক পৰম্পৰাগত নৃত্যপ্ৰকাৰ ঝুমুৰ একতা আৰু আনন্দৰ প্ৰতীক। অসম বিনিয়োগকাৰী আৰু আন্তঃগাঁথনি সন্মিলনৰ লক্ষ্য হৈছে বিনিয়োগ আকৰ্ষিত কৰা আৰু ঔদ্যোগিক আৰু আন্তঃগাঁথনিগত বিকাশৰ কেন্দ্ৰ হিচাপে অসমৰ সম্ভাৱনা প্ৰদৰ্শন কৰা। সন্মিলন আৰু ঝুমুৰ নৃত্য প্ৰদৰ্শন দুয়োটা কাৰ্যসূচীত উপস্থিত থাকিব প্ৰধানমন্ত্ৰী।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# পুষ্প গগৈক চ্যুকাফা সাংস্কৃতিক বঁটা প্ৰদান

অৱদান আৰু আদৰ্শ সোঁৱৰি মৈত্ৰীৰ মন্ত্ৰৰে উদ্বুদ্ধ হোৱাৰ মানসেৰে প্ৰতিবছৰে দুই ডিচেম্বৰত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত ঐতিহ্যমণ্ডিত চৰাইদেউৰ সোণাৰিত কেন্দ্ৰীয়ভাৱে উদযাপন কৰি অহা চ্যুকাফা দিৱস (অসম দিৱস)টি এইবাৰ চ্যুকাফা মহোৎসৱ হিচাপে উদযাপন কৰা হয়। চ্যুকাফা মহোৎসৱৰ মুকলি সভাতেই টাই সংস্কৃতিৰ গৱেষক তথা বিশিষ্ট নাট্যকাৰ, শিক্ষাবিদ ড° পুষ্প গগৈক তৃতীয় বাৰ্ষিক চ্যুকাফা সমন্বয় সাংস্কৃতিক বঁটা প্ৰদান কৰা হয়। আজি পুৱাৰ ভাগত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই সংগঠনটোৰ পতাকা উত্তোলন কৰা পাছত সাধাৰণ সম্পাদক ৰাতুল বৰগোহাঁই শ্বহীদ তৰ্পণ, মুখ্য উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱাই সতীৰ্থ স্মৰণ কৰা পাছতেই স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰা হয়। সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত। টাই আহোম যুৱ পৰিষদ অসমৰ সভাপতি বিজয় ৰাজকোঁৱৰৰ লগতে ৰাজ্যৰ কেইবাটাও জাতীয় -জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বৰ লগতে বহু কেইগৰাকী বিশিষ্ট অতিথি উপস্থিত থকা সভাখনত বিশিষ্ট সাংবাদিক ৰাজদ্বীপ বাইলুং বৰুৱাই অভিজিৎ ভূঞাৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ "মৌং নুক নন নাম্" উন্মোচন কৰে। ইফালে চৰাইদেউস্থিত চাওলুং চ্যুকাফাৰ মৈদামত বন্তি প্ৰজ্বলন কৰি স্থানীয় লোকসকলে বৰ অসমৰ ভেটি প্ৰতিষ্ঠা কৰা চাওলুং চ্যুকাফাক স্মৰণ কৰে। চ্যুকাফা মৈদামত উপস্থিত হৈ সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে চ্যুকাফা মৈদাম সংৰক্ষণৰ বাবে টাই আহোম উন্নয়ন পৰিষদে পদক্ষেপ গ্ৰহণ কৰা বুলি মন্তব্য কৰে। টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইৰ নেতৃত্বত উন্নয়ন পৰিষদে চ্যুকাফা মৈদামৰ ৪০ বিঘা মাটি বেদখল মুক্ত কৰি সংৰক্ষণ, সংবৰ্ধনৰ বাবে পুঁজি অনুমোদন কৰা বুলি মন্তব্য আগবঢ়ায়। এই ঘোষণাই সকলোকে উৎসাহী কৰি তোলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বাদ দিলে নিজামুদ্দিনক

এআইইউডিএফ দলে। দলবিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ অভিযোগত ৬ বছৰৰ বাবে নিজামুদ্দিনক নিলম্বন কৰা হয়। দলৰ সাধাৰণ সম্পাদক হাইদৰ বৰাই এক বিবৃতিযোগে নিলম্বনৰ কথা প্ৰকাশ কৰিছে। দলৰ প্ৰশাসনিক সাধাৰণ সম্পাদক তথা বিধায়িনী দলৰ নেতা হাফিজ ৰশ্বিদ আহমেদ চৌধুৰীয়ে এক পত্ৰযোগে বিধায়কগৰাকীক অৱগত কৰিছে। ২০২৩ চনৰ জাননী মৰ্মেই নিলম্বন কৰা হৈছে নে অন্য কোনো কাৰণত নিলম্বন কৰা হৈছে সেই কথা বিবৃতিত উল্লেখ কৰা নাই দলটোৱে। পূৰ্বে ২০২৩ চনৰ মে' মাহত কাৰণ দৰ্শোৱাৰ জাননী প্ৰদান কৰিছিল দলটোৱে। সেই সময়ত দলৰ মুৰব্বী বদৰুদ্দিন আজমলক মেনজ কৰি নিলম্বনৰ পৰা ৰক্ষা পৰিছিল। ২০২৩ চনৰ মে' মাহত জলসম্পদ মন্ত্ৰী পীয়ুষ হাজৰিকাই বৰাক উপত্যকাৰ আলগাপুৰ সমষ্টি ভ্ৰমণ কৰিছিল। স্থানীয় বিধায়ক হিচাপে পীয়ুষ হাজৰিকাক সংগ দি আলগাপুৰৰ বিধায়ক নিজামুদ্দিন চৌধুৰীয়ে মিডিয়াৰ সন্মুখত 'পীয়ুষ হাজৰিকা আমাৰ মেইন মানুহ' বুলি কোৱাত কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছিল। ইয়াৰ পূৰ্বে ২৫ নৱেম্বৰত এআইইউডিএফৰ হাইলাকান্দি সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন লস্কৰক নিলম্বন কৰে। দলৰ সংবিধান বিৰোধী কাম কৰাৰ অভিযোগত দলৰ বিধায়ক জাকিৰ হুছেইন লস্কৰক নিলম্বন কৰিছে বদৰুদ্দিন আজমলে। সংখ্যালঘুৰ নামত ৰাজনীতি কৰা বদৰুদ্দিন আজমলে ধুবুৰী সংসদীয় সমষ্টিত বেয়াকৈ পৰাজিত হোৱাৰ পিছতে এআইইউডিএফ দল চম্ভালিব পৰা নাই বুলি অভিযোগ উঠি আহিছে। বিগত কেইবাটাও বছৰ ধৰি বদৰুদ্দিন আজমলে দলটোক সংখ্যালঘু ভোট বিভাজনৰ বাবে ব্যৱহাৰ কৰি বিজেপিৰ লাভান্বিত কৰি থকাৰ অভিযোগ উঠি আহিছে। অসমীয়া হিন্দু সমাজৰ বিৰুদ্ধে বাৰে বাৰে বিৰূপ মন্তব্য দি অহাত বিজেপিৰ লাভ হৈ আহিছে। বদৰুদ্দিন আজমলে নিজৰ ব্যৱসায়ৰ খাতিৰত বিজেপিক লাভ হ'ব পৰাকৈ কাম-কাজ, মন্তব্য প্ৰদান কৰি অহাৰ অভিযোগৰ মাজতে নিজ দলৰ বিধায়কে একেই অভিযোগ উত্থাপন কৰাত দলৰ পৰা বিধায়কক নিলম্বন কৰিছে আজমলে। খোৱা-কামোৱা, ক্ষমতাক লৈ বিসম্বাদত বিধ্বস্ত এআইইউডিএফ দলৰ প্ৰধান বদৰুদ্দিন আজমলে দলবিৰোধী কাম-কাজত লিপ্ত নেতা-বিধায়কৰ বিৰুদ্ধে কঠোৰ হৈছে।




আমগুৰিত মুখত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ সাব্যস্ত সাংবাদিকৰ, ফটোঃ ই-সংবাদ, আমগুৰি

## সাংবাদিকক অপদস্থ

# আমগুৰিত মুখত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ সাব্যস্ত

**ই-সংবাদ, আমগুৰি, ২ ডিচেম্বৰঃ** প্ৰশাসনৰ নিষেধাজ্ঞা সত্বেও উজনিৰ ভিন্ন প্ৰান্তত, বিশেষকৈ শিৱসাগৰত অব্যাহত আছে বহিঃৰাজ্যৰ গাহৰিৰ সৰবৰাহ। শিৱসাগৰ জিলাৰ জাঁজীত কালি বহিঃৰাজ্যৰ পৰা আমদানিকৃত গাহৰি শেষাংশ ২ পৃষ্ঠাত

## ২০২৬ত বিজেপিৰ পৰা ৪৫ খন অসন দাবী জয়নাথ শৰ্মাৰ

# আসনক লৈ নিতৌ অগপৰ নতুন অংক

**ই-সংবাদ, ২ ডিচেম্বৰঃ** বিজেপিৰ সৈতে লগলাগি চৰকাৰ চলাই থাকিলেও অগপ নেতা কমলাকান্ত কলিতা আৰু সত্যব্ৰত কলিতাই বাৰে বাৰে বিজেপিৰ বিৰুদ্ধে বিষোদগাৰ প্ৰকাশ কৰিছে। এইবাৰ অগপই ২০২৬ চনৰ নিৰ্বাচনত সহযোগী বিজেপিৰ পৰা ৪৫ খন অসন দাবী কৰিব বুলি উল্লেখ কৰিছে অগপ নেতা জয়নাথ শৰ্মাই। আজি ৰঙিয়াত অগপ বিধান পৰিষদৰ কাৰ্যালয়ত অগপ দলৰ শেষাংশ ৯ পৃষ্ঠাত

# মৰিগাঁৱত কিশোৰীৰ মৃত্যুক লৈ চাঞ্চল্য

**ই-সংবাদ, মৰিগাঁও, ২ ডিচেম্বৰঃ** নাৰী সবলীকৰণ, কিশোৰ-কিশোৰী তথা নাবালকৰ কল্যাণ সাধন আদি বিষয়ক লৈ বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে অহৰ্নিশে প্ৰয়াস অব্যাহত ৰখাৰ সময়তে আজি মৰিগাঁও জিলাৰ শেষাংশ ৮ পৃষ্ঠাত

# বেদনা গধুৰ পৰিৱেশত বুলন শইকীয়াক মৰণোত্তৰভাৱে বুদ্ধেশ্বৰ গগৈ সাংবাদিকতা বঁটা প্ৰদান

**ই-সংবাদ, দুলীয়াজান, ২ ডিচেম্বৰঃ** বঁটা-বাহন, সন্মান, স্বীকৃতি আদিৰ প্ৰতি উদাসীন আছিল তেওঁ। মাথোঁ নিৰপেক্ষ বিশ্লেষণ, সততা আৰু প্ৰচণ্ড সাহসেৰে সত্যাসত্য উদঘাটন কৰি গৈছিল এফালৰ পৰা। বহু বঁটা-সম্বৰ্ধনা বিনয়েৰে প্ৰত্যাখ্যান কৰিছিল। কিন্তু সন্মিলিত সাংবাদিক মঞ্চ, দুলীয়াজানে ঘোষণা কৰা বুদ্ধেশ্বৰ গগৈ সোঁৱৰণী সাংবাদিকতা বঁটাৰ বাবে তেওঁৰ নাম প্ৰস্তাৱ গ্ৰহণ কৰাৰ সিদ্ধান্তৰ বিষয়ে তেওঁক অৱগত কৰোতে তেওঁ সানন্দে তাত সন্মতি প্ৰদান কৰিছিল। তেওঁৰ বিশেষ শেষাংশ ৮ পৃষ্ঠাত

# আলফাৰ নামত ধন দাবী কৰিবলৈ গৈ এজন ধৃত

**ই-সংবাদ, ডুমডুমা, ২ ডিচেম্বৰঃ** আলফা স্বাধীনৰ নামত ব্যৱসায়ীক ধন দাবী কৰি অলপতে ফিল'বাৰী অঞ্চলৰ দুজন যুৱক তিনিচুকীয়া আৰক্ষীৰ হাতত আটক হোৱাৰ ঘটনাৰ শাম নাকাটোতেই এইবাৰ তিনিচুকীয়া জিলাৰ কাকপথাৰৰ শেষাংশ ১০ পৃষ্ঠাত

# গড়াজানৰ হত্যাকাণ্ডৰ সৈতে জড়িত থকা আৰু এজন ধৃত

**ই-সংবাদ, ২ ডিচেম্বৰঃ** জ্যেষ্ঠ কন্যাৰ বিয়াৰ তিনি পূৰ্বে নগাঁও জিলাৰ ৰূপহীহাটৰ গড়াজানৰ একেটা পৰিয়ালৰ তিনিজনকৈ লোকক হত্যা কৰাৰ ঘটনাক লৈ তদন্ত অব্যাহত ৰখাৰ সময়তে এই ঘটনাক লৈ চিআইডি দলে বৃহৎ সফলতা লাভ কৰিছে। হত্যাকাণ্ডত জড়িত শেষাংশ ৯ পৃষ্ঠাত



ৰাষ্ট্ৰসংঘত ভাষণ প্ৰদান বীৰ লাচিত সেনা, অসমৰ মুখ্য সচিব ৰণ্টু পানীফুকনৰ

# নলবাৰীত ধোঁৱাচাঙত পানী যোগান আঁচনি

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে ৰাজ্যৰ আন জিলাৰ লগতে নলবাৰী জিলাৰো বিভিন্ন অঞ্চলত ৰূপায়ণ কৰা চি ডব্লিউ পি পি আঁচনি এতিয়া শেষাংশ ১০ পৃষ্ঠাত

# অসমৰ ক্ষতি হ'ব পৰা কাম কৰিব নালাগেঃ ডঃ দয়ানন্দ শ্বাহ

**ই-সংবাদ, গুৱাহাটী, ২ ডিচেম্বৰঃ** চাওলুং চ্যুকাফাই আজিৰ দিনটোতে সৌমাৰ খণ্ডত ভৰি থৈছিল। আমি গৌৰৱেৰে ক'ব পাৰো যে আজিৰ দিনটোৰ পৰাই মহান অসমৰ ভূখণ্ড একত্ৰিত হ'বলৈ ধৰিছিল। এইখন অসম আমাৰ আই। এইখন অসমে অবিহনে অসমীয়া জাতি অস্তিত্বহীন। সেয়েহে আই অসম মাতৃক ক্ষতি হ'ব পৰা কাম আমি অসমীয়াই কেতিয়াও কিঞ্চিত পৰিমাণেও কৰিব নালাগে। এই আহ্বান বিশিষ্ট



সমাজকৰ্মী, শিক্ষাবিদ, সমাজ সংস্কাৰক ডঃ দয়ানন্দ শ্বাহৰ। আজি অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত এক সন্মান গ্ৰহণ কৰি এই গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰিছে সমাজ শেষাংশ ৯ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছে অহংকাৰ এৰিব লাগিবঃ অখিল

নামনি অসমত। নামনি অসমৰ মাইনিৰিটি বেল্টত পুনৰ দলীয় ভেটি মজবুত কৰিবলৈ অখিল গগৈয়ে দিনে-নিশাই সভা-সমিতি কৰি পৰিলক্ষিত হৈছে। কালি বৰপেটাৰ গণ সমাৱেশত উপস্থিত থকাৰ লগতে আজি গোৱালপাৰাত ৰাইজৰ দলৰ কাৰ্যালয় উদ্বোধন আৰু যোগদান কাৰ্যসূচীত অংশ লয়। গোৱালপাৰাত ৰাইজৰ দলৰ জিলা কাৰ্যালয় উদ্বোধন কৰাৰ লগতে অখিল গগৈৰ উপস্থিতিত ডেৰ-শতাধিক লোকে দলটোত যোগদান কৰে। অখিল গগৈয়ে আজি গোৱালপাৰাৰ কাৰ্যালয় মুকলি কৰি বিৰোধীক একত্ৰিত হ'বলৈ আহ্বান জনায়। সমানে অখিল গগৈয়ে বিগত কেবাটাও দিনৰ দৰেই কংগ্ৰেছক আক্ৰমণ কৰে। কংগ্ৰেছক আক্ৰমণ কৰি কংগ্ৰেছে পুনৰ আমাৰ লগত আহিবই লাগিব বুলি দাবী কৰে। তাৰ বাহিৰে কংগ্ৰেছৰ হাতত উপায় নাই। কংগ্ৰেছে যিয়ে নকওক, যদি বিৰোধী ঐক্যমঞ্চৰ সৈতে নাথাকে তেতিয়া ২০২৬ চনত কংগ্ৰেছে বেয়াকৈ হাৰিব। কংগ্ৰেছে এতিয়া আৰু অহংকাৰ এৰক। প্ৰতাৰণা, বিশ্বাসঘাতকতা আৰু কৰিব নালাগে বুলি কয় গগৈয়ে। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে ৰকিবুল হুছেইনে গৰুৰ মাংসেৰে ভোজ দি চামগুৰিত জয়ী হোৱাৰ অভিযোগ অনাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি অখিল গগৈয়ে কয় যে কংগ্ৰেছে এতিয়া আৰু গোমাংসৰ কথা আনিব নালাগে। সাম্প্ৰদায়িক ৰাজনীতি কৰিব নালাগে। কোনে কি মাংস খায় সেয়া নিজৰ মতে খাব। ময়তো গাহৰি খামেই। মই গাহৰি খামেই। মই আহোম মানুহ। মই গাহৰি এৰিব নোৱাৰো। যাৰ যি ইচ্ছা যায় নিজৰ নিজৰ মতে খাদ্য খাবলৈ দিব লাগে। মুছলমানে গৰু মাংস খাই খাব। হিমন্ত বিশ্ব শৰ্মাই ইমান কিডাল লাগি আছে। ভোট বিচাৰি গৰুৰ মাংস দিব পাৰে। বাকী সময়ত গৰুৰ মাংস খাব নোৱাৰে। মই গাহৰি মাংস খাম। পৃথিৱীৰ কোনোবাই গাহৰি নাখাওক বুলি কৈ চাওকচোন, মই এনেই এৰিম নেকি? হিমন্ত বিশ্ব শৰ্মাই মোক কওক আহোমে গাহৰি মাংস খাব নালাগে। হিমন্ত বিশ্ব শৰ্মাক মই ঘৰৰ পৰি উলিয়াই আনিম নে নাই চাই ল'ব। এইবোৰ ৰাজনীতি বেয়া ৰাজনীতি। কোনো কি মাংস খায় খাই থাকিবলৈ দিয়ক। কংগ্ৰেছেও এইবোৰ কৈ থাকিব নালাগে। ২০২৬ চনত আমি কি কৰিম সেইটো ক'ব লাগে। কিয়নো ৰাইজ সাজু হৈছে। ২০২৬ চন পৰ্যন্ত এদিনো ঘৰত নুশুও বুলি উল্লেখ কৰি কয় যে ৰাতি শুম, দিনত দলৰ কাম কৰিম বিজেপিক হৰুৱাবলৈ। এয়া ৰাইজৰ দলৰ সংকল্প। কেন্দ্ৰীয় নেতৃত্বই সংকল্প লৈছে যে বিজেপি, অগপ, ইউপিপিএলৰ মিত্ৰ শক্তিক হৰুৱাব লাগিব। ২০২৬ চনত হিন্দু সাম্প্ৰদায়িক দল বিজেপি আৰু মুছলমান সাম্প্ৰদায়িক দল এআইইউডিএফ নিঃশেষ কৰিব লাগিব। বিজেপিৰ চৰ্দাৰ হিমন্ত বিশ্ব শৰ্মা আৰু এআইইউডিএফৰ চৰ্দাৰ বদৰুদ্দিন আজমলক বাংলাদেশলৈ পঠিয়াই দিব লাগে। আনহাতে, অখিলে বিজেপিৰ অক্সিজেন লৈ এআইইউডিএফ দল জীয়াই আছে বুলি সকলোৰে জানে বুলি দাবী কৰে। অসম বিধানসভাত এআইইউডিএফৰ বিধায়কে সেই কেইটা কথা উল্লেখ কৰে যিকেইটা কথা উত্থাপন কৰিলে বিজেপি আৰু হিমন্ত বিশ্ব শৰ্মাই হিন্দু-মুছলমানৰ ৰাজনীতি কৰিব পাৰে। অসমত দুটা সাম্প্ৰদায়িক দল আছে। এটা হৈছে বিজেপি আনটো হৈছে এআইইউডিএফ। বিজেপিৰ অক্সিজেন লৈ জীয়াই আছে এআইইউডিএফ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছে ৰাজহাড় পোন কৰি কাম কৰে

কৰ্মীৰ প্ৰতি কৰি অহা নেতিবাচক মন্তব্যৰ আজি প্ৰত্যুত্তৰ দিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। অসম সন্মিলিত মৰ্চাৰ অংশীদাৰ ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে ৰাইজৰ দলৰ ৰাজহুৱা সভাত কংগ্ৰেছৰ নেতৃত্বৰ প্ৰতি বিৰূপ মন্তব্য কৰাৰ লগতে কংগ্ৰেছ দলৰ নীতি-আদৰ্শক মুকলিকৈ সমালোচনা অব্যাহত ৰাখিছিল। গৌৰৱ গগৈক অহংকাৰী নেতা বুলি বাৰে বাৰে আক্ৰমণ কৰাৰ লগতে কংগ্ৰেছ দলৰ সভাপতি ভূপেন বৰাৰ প্ৰতিও নেতিবাচক মন্তব্য প্ৰদান কৰিছিল অখিল গগৈয়ে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত আজি নাৰায়ণপুৰত ভূপেন বৰাই অখিল গগৈক সংযত হ'বৰ বাবে পুনৰ আহ্বান জনায়। তেওঁ কয়, উগ্ৰপন্থী সংগঠনেও চৰকাৰৰ লগত আলোচনা কৰিবলৈ হ'লে যুদ্ধবিৰতি ঘোষণা কৰে। অখিল গগৈয়ে ৰাজনৈতিক সন্ধি কৰিবলৈ বিচাৰিলে মুখৰ লেকাম ৰাখিব নোৱাৰাতো নীতি বৰ্হিভূত কথা। অখিলৰ কথাত কংগ্ৰেছ দল নচলে বুলি উল্লেখ কৰি বৰাই কয় যে কংগ্ৰেছে যি কৰিব সেয়া ৰাজহাড় পোন কৰিহে কৰিব। ভূপেন বৰাৰ এই মন্তব্যই কংগ্ৰেছ শিবিৰক উৎফুল্লিত কৰি তোলা দেখা গৈছে। উল্লেখ্য যে, অখিল গগৈয়ে সংখ্যালঘু এলেকাত নিজকে দ্বিতীয়জন বদৰুদ্দিন সজাবলৈ গৈ কংগ্ৰেছক গালি পাৰিবলৈ আৰম্ভ কৰিছিল। বিজেপিক সমালোচনা কৰাৰ নামত চৰকাৰী নীতিক ভেঙুচালি কৰি ৰাইজৰ দলৰ সভাপতিজনে এআইইউডিএফৰ ভোটবেংক নিজৰ দখললৈ অনাৰ চেষ্টাৰে সংখ্যালঘু এলেকাসমূহত ব্যাপক হাৰত সভা-সমিতি অনুষ্ঠিত কৰিছে। অখিলৰ এই সভা-সমিতিসমূহত উপস্থিত হোৱা লোকসকলক পৰিবহণ ব্যয় কোনে দিছে বুলি কংগ্ৰেছৰ একাংশ নেতাই স্থানীয়ভাৱে প্ৰশ্ন কৰাও দেখা গৈছে। কংগ্ৰেছৰ স্থানীয় নেতা-কৰ্মীৰ মতে অখিল গগৈয়ে সভা-সমিতিলৈ মানুহ মাতি ব্যাপক হাৰত পুঁজি ব্যয় কৰিছে আৰু চৰকাৰৰ একাংশ মধ্যভোগীয়ে অখিল গগৈক এই কামত সহায় কৰি আহিছে। উল্লেখ্য যে আজি চাওলুং চ্যুকাফাৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বৰ বাবে সকলোকে আহ্বান জনাইছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। আজি নাৰায়ণপুৰত অসম দিৱস উপলক্ষে ভূপেন বৰাই কয় যে শান্তি আৰু সমন্বয়ৰ জাতীয় পথ নিৰ্মাণ কৰা চাওলুং চ্যুকাফাক সোঁৱৰণ কৰি অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী আৰু সকলো সম্প্ৰদায়ৰ মাজত ঐক্য-সম্প্ৰীতি বজাই ৰাখিবৰ বাবে কংগ্ৰেছ দলে প্ৰতিবছৰে অসম দিৱস পালন কৰি আহিছে। ভাৰতীয় জনতা পাৰ্টী অথবা আৰএছএছৰ দলে দল-সংগঠনে সাম্প্ৰদায়িক মনোভাৱ লৈ ৰাজনীতি কৰে আৰু ধৰ্মৰ ভিত্তিত মানুহৰ মাজত বিভাজনৰ বীজ সিঁচে, যিটো চ্যুকাফাৰ আদৰ্শৰ পৰিপন্থী। বৰাই প্ৰসংগক্ৰমে এইবুলিও কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে এতিয়া কোনে কি খাব-নাখাব সেই চিন্তাত ব্যস্ত হৈ আছে। অসমৰ বিভিন্ন জাতি-উপ-জাতিৰ মাজত খাদ্যাভ্যাস বা সংস্কৃতি কি হ'ব সেয়া তেওঁলোকে নিজেই সিদ্ধান্ত লয়। চ্যুকাফায়ো বৰ অসম গঢ়াৰ স্বাৰ্থত বিভিন্ন জাতি-উপজাতিক একত্ৰিত কৰিছিল যদিও ৰাজধৰ্ম হিচাপে কাৰো ওপৰত কোনো ধৰ্ম জাপি দিয়া নাছিল, আনকি জাতি-জনগোষ্ঠীক আহোমৰ সংস্কৃতি গ্ৰহণ কৰিবলৈকো বাধ্য কৰা নাছিল, যিটো কাম বিজেপিয়ে কৰি আছে। আমি কংগ্ৰেছ দলে সমাজবাদত বিশ্বাস কৰো। কোনোৱে নিৰামিষ ভালপায়, কোনোৱে আমিষ ভালপায়। ৰীতি-নীতি, খাদ্যাভ্যাসৰ ওপৰত স্বকীয়তা বজাই ৰখাৰ ক্ষেত্ৰত কংগ্ৰেছ দলে অতীজৰে পৰা কাম কৰি আহিছে। মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শৰে কংগ্ৰেছ দল চলে আৰু ইয়াৰ বিপৰীত স্থিতিত আছে আৰএছএছ আৰু বিজেপি। প্ৰসংগক্ৰমে বৰাই কয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তেওঁ ৰেচিপি ঠিক কৰি নিদিয়ে, মুখ্যমন্ত্ৰীয়ে অসম কংগ্ৰেছৰ সভাপতিক সুধি মঞ্চত জঁপিয়াই জঁপিয়াই নৃত্য কৰে নেকি বুলিও তেঁও প্ৰশ্ন কৰে। আজি ৰাজীৱ ভৱনতো অসম দিৱস উদযাপন কৰা হয়। দলৰ জ্যেষ্ঠ নেতা, প্ৰাক্তন সাংসদ বলীন কুলীৰ সভাপতিত্বত অনুষ্ঠিত অসম দিৱসৰ কাৰ্যসূচী পৰিচালনা কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক বিপুল কুমাৰ গগৈয়ে। ৰাজীৱ ভৱনত অনুষ্ঠিত সভাখনত বালিকা পেগু, নিভাৰাণী কোঁৱৰ, গোপাল শৰ্মা, বেদব্ৰত বৰা আদি কংগ্ৰেছ নেতাসকলে চাওলুং চ্যুকাফাক স্মৰণ কৰি বক্তব্য প্ৰদান কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ ৬নং পৃষ্ঠাৰ পৰা...

# বেদনা গধুৰ পৰিৱেশত বুলন শইকীয়াক

ইতিবাচক সঁহাৰিয়ে উদ্দীপনা আনিছিল আয়োজক সমিতিৰ মনলৈ। তেওঁৰ হাতত এই বঁটা তুলি দিবলৈ পালে তৃপ্ত হ'ব আয়োজক সমিতি আৰু প্ৰয়াত বুদ্ধেশ্বৰ গগৈৰ পৰিয়ালৰ অন্তৰাত্মা। কিন্তু যিদিনাখন বঁটা প্ৰদান কৰাৰ কথা আছিল, সেই দিনটোতে দুৰ্ভাগ্যজনকভাৱে তেওঁৰ তিলনি পাতিবলগীয়া হ'ল। বঁটা গ্ৰহণৰ বাবে আহি তেওঁ যিখন চকীত বহাৰ কথা আছিল, সেইখন চকী তেওঁৰ নামত আছুতীয়াকৈ উকা কৰি ৰাখিবলগীয়া হ'ল। ঐতিসাহিক ভাদৈ পাঁচআলিৰ প্ৰয়াত সাংবাদিক বুদ্ধেশ্বৰ গগৈৰ সোঁৱৰণত সন্মিলিত সাংবাদিক মঞ্চ, দুলীয়াজানে প্ৰতিবছৰে প্ৰদান কৰি অহা সাংবাদিকতা বঁটা যেতিয়া বুলন কুমাৰ শইকীয়া নামৰ এক অদমনীয় শক্তিক মৰণোত্তৰভাৱে প্ৰদান কৰিবলগীয়া হ'ল তেতিয়া সমগ্ৰ পৰিৱেশ বেদনা গধুৰ হৈ পৰিছিল। সন্মিলিত সাংবাদিক মঞ্চৰ সভাপতি জয়ন্ত ভূঞাই বুদ্ধেশ্বৰ গগৈ সোঁৱৰণী সাংবাদিকতা বঁটা বুলন কুমাৰ শইকীয়াক মৰণোত্তৰভাৱে প্ৰদান কৰিবলৈ প্ৰয়াত বুদ্ধেশ্বৰ গগৈৰ পত্নীক আহ্বান জনোৱাৰ সময়তে দুলীয়াজান ৰ'টাৰী কমিউনিটী চেণ্টাৰত উপস্থিত থকা শতাধিক বিশিষ্ট ব্যক্তি বহা আসনৰপৰা থিয় হৈ সন্মান প্ৰদৰ্শন কৰে নাহৰকটীয়াৰ অসীম সাহসী সাংবাদিক বুলন কুমাৰ শইকীয়াৰ প্ৰতি। তেওঁৰ নামত আছুতীয়াকৈ ৰখা চকীত প্ৰয়াত বুদ্ধেশ্বৰ গগৈৰ পত্নী ইন্দিৰা গগৈয়ে স্মাৰক আৰু সম্বৰ্ধনা-পত্ৰ ৰাখিবলৈ গৈ উচুপি উঠে। উচুপি উঠে সন্মিলিত সাংবাদিক মঞ্চৰ প্ৰতিজন সদস্যৰ লগতে উপস্থিত সুধিবৃন্দই। সকলোৱে যেন নতুনকৈ অনুধাৱন কৰিলে কি এক অমল শক্তিৰ উৎস আছিল বুলন কুমান শইকীয়া! কি হেৰুৱালে অসমৰ সমাজ জীৱনে! উল্লেখ্য যে সন্মিলিত সাংবাদিক মঞ্চই ২০১৯ বৰ্ষৰ পৰা নিৰৱচ্ছিন্নভাৱে মঞ্চৰ প্ৰাক্তন উপ-সভাপতি বুদ্ধেশ্বৰ গগৈৰ সোঁৱৰণী সাংবাদিকতা বঁটা, প্ৰাক্তন সভাপতি অমল কুমাৰ হৰ' সোঁৱৰণী সামাজিক বঁটা আৰু মঞ্চৰ উপদেষ্টা প্ৰদীপ গগৈৰ সোঁৱৰণী যুৱ সাংবাদিকতা বঁটা প্ৰদান কৰি আহিছে। সেইমৰ্মে যোৱা ৩০ নৱেম্বৰত দুলীয়াজান ৰ'টাৰী ক্লাব প্ৰেক্ষাগৃহত অনুষ্ঠিত এক আড়ম্বৰ আৰু গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত পূৰ্বে ঘোষণা কৰা অনুসৰি বুদ্ধেশ্বৰ গগৈ সোঁৱৰণী সাংবাদিকতা বঁটা নাহৰকটীয়াৰ জ্যেষ্ঠ সাংবাদিক, লেখক, কবি, নিবন্ধকাৰ বুলন কুমাৰ শইকীয়াক মৰণোত্তৰভাৱে প্ৰদান কৰে। যোৱা ২৮ নৱেম্বৰত মৃত্যু হোৱা সাংবাদিক বুলন কুমাৰ শইকীয়াৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি মঞ্চই সভাগৃহত এখন চকী উকা কৰি সজাই ৰাখি এক শোকাকুল পৰিৱেশত বুদ্ধেশ্বৰ গগৈৰ সহধৰ্মিনী ইন্দিৰা গগৈ আৰু পৰিয়ালবৰ্গই বঁটাটো প্ৰদান কৰে। পৰৱৰ্তী সময়ত উক্ত বঁটা প্ৰয়াত সাংবাদিকগৰাকীৰ বাসগৃহত পৰিয়ালৰ হাতত অৰ্পণ কৰাৰ কথা মঞ্চই ঘোষণা কৰে। আনহাতে, অমল কুমাৰ হৰ' সোঁৱৰণী সামাজিক বঁটা ৰজত কমল বঁটা বিজয়ী বিশিষ্ট চলচ্চিত্ৰ পৰিচালক যদুমণি দত্তক আৰু প্ৰদীপ গগৈ সোঁৱৰণী যুৱ সাংবাদিকতা বঁটা গুৱাহাটীস্থিত প্ৰতিদিন টাইমৰ যুৱ সাংবাদিক যদুমনি শইকীয়াক প্ৰদান কৰা হয়। তিনিওটা বঁটাতে গামোচা, চেলেং, স্মাৰক, কিতাপৰ টোপোলা, সম্বৰ্ধনা পত্ৰ, গছপুলি, চাহপাতৰ টোপোলা, জাপি আদি প্ৰদান কৰে। একেদৰে দুলীয়াজানৰ মহ'মাৰী অঞ্চলৰ প্ৰাক্তন শিক্ষক, দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ বাটকটীয়া জগত বৰুৱা, টিপলিংঘাট হাইস্কুলৰ প্ৰাক্তন শিক্ষক, বিশিষ্ট ক্ৰীড়া সংগঠক ছবি গগৈ, ভাদৈ পাঁচআলিৰ প্ৰাক্তন শিক্ষক বিশ্বেশ্বৰ গগৈ, অইল ইণ্ডিয়া লিমিটেডৰ জন পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ প্ৰবন্ধক নয়না মধু দত্ত, দুলীয়াজানৰ প্ৰাক্তন ক্ৰীড়া সাংবাদিক মহম্মদ নাছেৰ, নামৰূপৰ মহিলা সাংবাদিক স্মৃতিৰেখা কলিতা আৰু দুলীয়াজানৰ জ্যেষ্ঠ সাংবাদিক ঘনকান্ত খনিকৰ বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত সাংবাদিক বুদ্ধেশ্বৰ গগৈ, অমল কুমাৰ হ'ৰ, প্ৰদীপ গগৈ, অলক ৰঞ্জন বড়াৰ (বাচা) প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে ক্ৰমে ইন্দিৰা গগৈ, জ্যোতি প্ৰভা হ'ৰ, দীপা গগৈ, দীপ্তি বড়াসহ পৰিয়ালবৰ্গই আৰু বুলন কুমাৰ শইকীয়াৰ প্ৰতিচ্ছবিত বিশিষ্ট ব্যক্তিসকলে বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে। ইয়াৰ পিছতে মঞ্চৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল শইকীয়াই আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানৰ আঁতধৰে সভাপতি জয়ন্ত ভূঞাই। মঞ্চৰ উপদেষ্টা মৃত্যুঞ্জয় দাসে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত দুলীয়াজান ক্লাব মিউজিক একাডেমীৰ শিক্ষয়িত্ৰী মেঘালী শইকীয়াৰ পৰিচালনাত বৰগীত পৰিৱেশন কৰে ছাত্ৰী দীক্ষিতা বৰুৱাই। অসম সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি ভূপেন শইকীয়াই উদ্বোধন কৰা সভাত ব্যস্ততাপূৰ্ণ জীৱনত স্বাস্থ্যৰ প্ৰতি হ'বলগীয়া সাৱধানতাৰ সন্দৰ্ভত বক্তব্য আগবঢ়াই অইল ইণ্ডিয়া চিকিৎসালয়ৰ বিশিষ্ট চিকিৎসক তথা অনুষ্ঠানৰ নিৰ্দিষ্ট বক্তা ডাঃ মনপ্ৰতিভ বৰুৱাই। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই সন্মিলিত সাংবাদিক মঞ্চ দুলীয়াজানৰ এটা ফেচবুক পেজ উদ্বোধন কৰে। লগতে দুলীয়াজান অঞ্চলৰ অভিভাৱকস্বৰূপ তথা দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ বাটকটীয়া, অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধিত ব্যক্তি জগত বৰুৱাৰ এখন অভিনন্দন গ্ৰন্থ প্ৰাক্তন ছাত্ৰনেতাজনৰ পৃষ্ঠপোষকতাত সন্মিলিত সাংবাদিক মঞ্চই প্ৰকাশ কৰাৰ কথা ঘোষণা কৰি শিক্ষাবিদ ড০ অজিৎ শইকীয়া আৰু মনোজ কুমাৰ দত্তক সম্পাদনাৰ দায়িত্ব ৰাজহুৱাকৈ প্ৰদান কৰে। অনুষ্ঠানত সন্মিলিত সাংবাদিক মঞ্চৰ নৱাগত প্ৰণৱজিৎ বড়া, ঘনকান্ত খনিকৰ, জিতু শইকীয়া, জিৎ দত্ত, ৰুবলু দুৱৰা, বিশাল মুৰা, মানস জ্যোতি ডেকা, মানস প্ৰতিম চেতিয়া আৰু ময়ূৰ গগৈক মঞ্চৰ বেজ পৰিধান কৰাই আনুষ্ঠানিকভাৱে সন্মিলিত সাংবাদিক মঞ্চ দুলীয়াজানৰ সদস্যপদ প্ৰদান কৰে। উঁযাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অজিত বড়াই ৰাজহুৱা মন্তব্য আৰু মঞ্চৰ সদস্য কৃষ্ণ গগৈয়ে শলাগ জ্ঞাপন কৰা অনুষ্ঠানত শিক্ষাবিদ হেমকান্ত গগৈ, গুণীন্দ্ৰ নাথ ফুকন , মৃণ্ময় কুমাৰ বৰুৱা, ৰমণী ৰঞ্জন বৰদলৈ, বেদান্ত প্ৰসাদ বৰুৱা, তাপস বৰা, উষা গগৈ, অমৰদীপ বৰঠাকুৰ অইলৰ জনসম্পৰ্ক বিভাগৰ জ্যেষ্ঠ প্ৰবন্ধক জয়ন্ত বৰমূদৈ, অসম গেছ কোম্পানীৰ বিষয়াদ্বয় ক্ৰমে ধীমান্ত বৰ্মন, মুনীন্দ্ৰ গোৱালা, বিশিষ্ট সমাজসেৱক, জ্যেষ্ঠ সাংবাদিক আদিত্য গোস্বামী, পবিত্ৰ বৰঠাকুৰ, দুলীয়াজান প্ৰেছ ক্লাবৰ সম্পাদক দিগন্ত শইকীয়া, সমাজসেৱক সঞ্জীৱ বড়া, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক কনক গগৈ, ছাত্ৰ নেতা বুবুল তালুকদাৰ, সমীৰণ গগৈ, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ পল্লৱ গগৈ, টাই আহোম ছাত্ৰ সন্থাৰ ৰাজীৱ গগৈ, আছাৰ মনোজ ওৱাং, অসমীয়া মহিলা মঞ্চৰ মীনাক্ষী গগৈ, দৈনিক জনমভূমিৰ তিনিচুকীয়া সংস্কৰণৰ কাৰ্যাধক্ষ নৱজ্যোতি শৰ্মা, ষ্টাফ ৰিপ'ৰ্টাৰ প্ৰণৱ ফুকন, কবি, লেখিকা ক্ৰমে মিতালী মহন্ত, পল্লৱী গগৈ বৰগোহাঁই, শোভামনি দত্ত তামুলী, স্বপ্না ডি নাথ, দিপালী তামুলীৰ লগতে ভালে সংখ্যক দল- সংগঠনৰ প্ৰতিনিধি আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি এই বিশেষ অনুষ্ঠানটোক এক অনন্য মাত্ৰা প্ৰদান কৰে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# মৰিগাঁৱত কিশোৰীৰ মৃত্যুক লৈ চাঞ্চল্য

ভাংঠাবড়ী গাঁৱৰ এগৰাকী চৈধ্য বছৰীয়া কিশোৰী গৰ্ভপাত কৰিবলৈ গৈ মৃত্যুৰ মুখত পৰা ঘটনাই অঞ্চলটো তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, জিলাখনৰ বৃহত্তৰ জালুগুটি অঞ্চলৰ দাঁতিকাষৰীয়া ভাংঠাবড়ী গাঁৱৰ এগৰাকী চৈধ্য বছৰীয়া কিশোৰীৰ সৈতে এজন যুৱকৰ প্ৰেমৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। অবৈধ প্ৰণয়ৰ ফলস্বৰূপে গৰ্ভৱতী হয় এই ফুলকুমলীয়া কিশোৰীগৰাকী। এই সম্পৰ্কে জানিবলৈ পাই উক্ত তথাকথিত প্ৰেমিকজনৰ বায়েকে অন্তঃসত্তা কিশোৰীগৰাকীক গোপনে নগাঁৱৰ এজন চিকিৎসকৰ ওচৰলৈ গৰ্ভপাত কৰাৰ উদ্দেশ্যে লৈ যায়। এই চিকিৎসকজনে নিজ চেম্বাৰতে অবৈধভাৱে গৰ্ভপাত কৰোৱাৰ চেষ্টা চলাওঁতে আজি পুৱাৰ ভাগত কিশোৰীগৰাকীৰ মৃত্যু হয়। ঘটনাৰ বিষয়ে জানিব পাৰি নগাঁও আৰক্ষীয়ে মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে। ইফালে, সমগ্ৰ ঘটনাক লৈ একপ্ৰকাৰে সমগ্ৰ মৰিগাঁও জিলাতেই জোকাৰণিৰ সৃষ্টি হৈছে। সমান্তৰালভাৱে ঘটনাটোৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী উত্থাপিত হৈছে। বিশেষকৈ এগৰাকী নাবালিকাৰ সৈতে এনে কাণ্ড সংঘটিত কৰা প্ৰেমিকৰূপী লম্পটটোৰ লগতে অবৈধ গৰ্ভপাতৰ সৈতে জড়িত সকলো লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী তুলিছে বিভিন্ন মহলে। ঘটনাটোৱে সমগ্ৰ মৰিগাঁৱতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

৬নং পৃষ্ঠাৰ পৰা...

# গড়াজানৰ হত্যাকাণ্ডৰ সৈতে জড়িত

থকাৰ অভিযোগত এজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ঘটনাৰ ১০টা দিন অতিক্ৰম কৰাৰ দিনটোতে চিআইডিয়ে অমল সৰকাৰ নামৰ লোক এজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। হত্যাৰ বলি পৰিয়ালটোৰ আত্মীয় অমল সৰকাৰ। অমল সৰকাৰৰ ওপৰত নজৰ ৰাখিছিল চিআইডিয়ে। ঘটনাৰ সৈতে জড়িত থকাৰ কিছু তথ্য লাভ কৰিছে বুলি জানিব পৰা গৈছে। এইগৰাকী অমল সৰকাৰেই অনুপম সৰকাৰক হত্যা কৰাৰ সন্দেহ কৰা হৈছে। ২২ নৱেম্বৰৰ নিশা নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্ঘত গড়াজানত সংঘটিত হৈছিল লোমহৰ্ষক হত্যাকাণ্ড। গড়াজানৰ নৰস্মিতা সৰকাৰৰ ঘৰত চাৰিগৰাকীকৈ লোকৰ মৃতদেহ উদ্ধাৰ হৈছিল। তিনিগৰাকী লোকক হত্যা কৰি হত্যাকাৰীয়ে নিজেই আত্মহত্যা কৰাৰ সন্দেহ কৰা হৈছিল। নৰস্মিতাৰ পিতৃ ধনুঘৰ সৰকাৰ, পত্নী সৰুধাৰী সৰকাৰ, ভগ্নী জয়স্মিতা সৰকাৰ আৰু আন এজন নগাঁৱৰ তেলিয়াপট্টিৰ যুৱক অনুপম সূত্ৰধাৰৰ মৃতদেহ উদ্ধাৰ হৈছিল। চোকা অস্ত্ৰৰে ডিঙি আৰু শৰীৰ বিভিন্ন অংশত আঘাত কৰি ধনুঘৰ সৰকাৰ, সৰুধাৰী সৰকাৰ, জয়স্মিতা সৰকাৰক হত্যা কৰি নিজেও অনুপম সূত্ৰধাৰে আত্মহত্যা কৰা বুলি সন্দেহ কৰা হৈছিল। পুত্ৰ ভাস্কৰজ্যোতি সৰকাৰ আৰু জ্যেষ্ঠ কন্যা শিক্ষয়িত্ৰী নৰস্মিতা সৰকাৰ বাচি যায়। বিয়াৰ বাবে নৰস্মিতা সৰকাৰ নগাঁও চহৰলৈ বজাৰ কৰিবলৈ গৈছিল। ভাতৃৰ সৈতে বজাৰ কৰিবলৈ ওলাই যোৱাৰ সময়তে পিতৃ-মাতৃ-ভগ্নীক হত্যা কৰা হয়। ২০২২ চনত নৰস্মিতা সৰকাৰ আৰু নগাঁৱৰ তেলিয়াপট্টিৰ অনুপম সূত্ৰধৰৰ প্ৰেমৰ সম্পৰ্ক আছিল বুলি জানিব পৰা যায়। বিয়া ঠিক হোৱাৰ পিছতে নৰস্মিতাক বিয়াত বহিবলৈ হেঁচা দি আছিল অনুপমে। অনুপমে বহুবাৰ পথত হাৰাশাস্তি কৰাত নৰস্মিতাই নগাঁও সদৰ আৰক্ষী থানাত গোচৰ ৰুজু কৰিছিল। আৰক্ষীয়ে সন্দেহ কৰা মতে, অনুপমে ভাড়াতীয়া হত্যাকাৰীৰে এই হত্যাকাণ্ডৰ পৰিকল্পনা কৰিছিল। হত্যাকাণ্ড সংঘটিত কৰাৰ সময়তে পৰিয়ালটোৱে অনুপম আৰু হত্যাকাৰীক দেখা পাইছিল। ফলত প্ৰমাণ নষ্ট কৰিবলৈ হত্যাকাৰীয়ে অনুপমকো হত্যা কৰাৰ সন্দেহ কৰা হৈছিল। কিন্তু আজি ঘটনাই নতুন মোৰ লয়। অনুপমে তিনিগৰাকী লোকক হত্যা কৰি নিজেই আত্মহত্যা কৰা বুলি সন্দেহ কৰা হৈছিল যদিও অনুপমক হত্যা কৰাৰ সন্দেহত অমল সৰকাৰক গ্ৰেপ্তাৰ কৰা হয়। হত্যাকাণ্ড সংঘটিত হৈছিল ২২ নৱেম্বৰত। বজাৰ কৰিবলৈ গৈ জীৱন ৰক্ষা পৰা জ্যেষ্ঠ কন্যা নৰস্মিতা সৰকাৰৰ বিয়া আছিল ২৮ নৱেম্বৰত। নৰস্মিতাৰ পৰিয়ালৰ তিনিজনকৈ সদস্যক হত্যা কৰাত বিয়া পিছুৱাই দিয়া হয়। দুৰ্বৃত্তই হয়তো নৰস্মিতাৰ সৈতেও অঘটন সংঘটিত কৰিবলৈ প্ৰয়াস কৰিছিল বুলিও এতিয়া অনুমান কৰা হৈছে।

৬নং পৃষ্ঠাৰ পৰা...

# অসমৰ ক্ষতি হ'ব পৰা কাম কৰিব

সংস্কাৰক ড০ দয়ানন্দ শ্বাহে। আজি অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত এক সন্মান গ্ৰহণ কৰি এই গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰিছে সমাজ সংস্কাৰকগৰাকীয়ে। কেৱল এই আহ্বান জনোৱাই নহয় শিক্ষাবিদ শ্বাহে আৰু কয় যে অসম আৰু অসমীয়া জাতিক সংগঠিত কৰা মহান বীৰ গৰাকীক আমি অধিক জানিব লাগে। নতুন প্ৰজন্মক বিশ্বৰ যুদ্ধ, বিগ্ৰহ, মনীষীক জানিবৰ দিবৰ বাবে আগ্ৰহী হও যদিও অসমৰ বীৰ-বীংগনাৰ কৃতী, সংগ্ৰামৰ বিশাল সত্তাটোক আমি এৰাই চলো। জাতিয়ে যেতিয়ালৈ নিজৰ পুৰ্বপুৰুষৰ স্বাভিমানক সম্পদ কৰি নলয় তেতিয়ালৈ জাতীয় সত্তা অপূৰ্ণ হৈ ৰয়। ৬০০ বছৰীয়া আহোম সাম্ৰাজ্য প্ৰতিষ্ঠা কৰা চাওলুং চ্যুকাফাই অসমৰ ভাষা-ভাষী, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো জাতি-জনগোষ্ঠীক এক কৰিছিল। আহোম শাসকে জাতি প্ৰতিষ্ঠা কৰি শক্তিশালী মোগলকো পৰাস্ত কৰিছিল বুলিও কয় ড০ শ্বাহে। আজি অসম অসম দিৱসত বৰ অসমৰ ভেটি গঢ়োতা স্বৰ্গদেউ চাওল্যুং চ্যুকাফাক আজি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰে দল-সংগঠনে স্মৰণ কৰে। গুৱাহাটীতো অসম দিৱসত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ নেহা আগৰৱালা সোঁৱৰণী সভাকক্ষত স্বেচ্ছাসেৱী সংস্থা ডিভাইনহেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেচনে অসম বিকাশ সংঘৰ সহযোগত অসম দিৱস পালন কৰে। অসম দিৱসৰ কাৰ্যসূচীত সমাজৰ বাবে আগবঢ়োৱা অৰিহণাৰ বাবে ড০ দয়ানন্দ শ্বাহক 'সমাজজ্যোতি এৱাৰ্ড-২০২৪' প্ৰদান কৰা হয়। এই এৱাৰ্ড গ্ৰহণ কৰি চাওল্যুং চ্যুকাফাই পাটকাই পৰ্বত পাৰ হৈ সৌমাৰ খণ্ডত ভৰি থোৱা ১২২৮ খ্ৰীষ্টাব্দৰ ২ ডিচেম্বৰৰ পৰাই অসমীয়া জাতীয় সত্তা প্ৰতিষ্ঠা হোৱা বুলি কয়। এই দিনটোৰ মহত্বক গুৰুত্ব দি বৰ অসমৰ খনিকৰ, বীৰ, আহোম সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা চাওল্যুং চ্যুকাফাৰ বিস্তৃত সমৃদ্ধ ইতিহাসক নৱ প্ৰজন্মৰ ওচৰত দাঙি ধৰিবলৈ কাতৰ আহ্বান জনায় ড০ শ্বাহে। কাৰ্যসূচী অনুসৰি দিনৰ ১ হজাৰ বন্তি প্ৰজ্বলন কৰা হয়। তাৰ পিছতে চাওল্যুং চ্যুকাফাৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰা হয়। দুপৰীয়া প্ৰদীপ কুমাৰ ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাতৃ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱী, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজসেৱক পদ্মধৰ নেওগ, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি সবিতা দেৱী, সাহিত্যিক ডেইজী ৰাণী দেৱী উপস্থিত থাকে। এই সভাতে ড০ দয়ানন্দ শ্বাহক এই এৱাৰ্ড প্ৰদান কৰা হয়।

৬নং পৃষ্ঠাৰ পৰা...

# আসনক লৈ নিতৌ অগপৰ নতুন অংক

কেন্দ্ৰীয় উপ-সভাপতি জয়নাথ শৰ্মাই ৪৫ খন আসন দাবী কৰাৰ কথা উল্লেখ কৰিছে। জয়নাথ শৰ্মাই কয় যে বিধানসভা নিৰ্বাচনত অগপ দলে আসন দাবী কৰিব। আমাক ছীট লাগে বুলি ক'লে বিজেপিৰ বিৰুদ্ধাচৰণ কৰা বুজাব নেকি? আমি আমাৰ অধিকাৰ সাব্যস্ত কৰিছো। মনত ৰাখিব, অসম গণ পৰিষদ মিত্ৰজোঁট চৰকাৰৰ সক্ৰিয় অংশীদাৰ। এই চৰকাৰখনত আন অংশীদাৰ দলসমূহৰ যি অধিকাৰ আছে, আমাৰো আছে। অগপ দলে ৪৫ খন আসন দাবী কৰিব। ২০২৬ অগপক কমেও ৪৫টা সমষ্টি লাগিব। আমি মিত্ৰদল বিজেপিক এই কথা জনাই আছো। ২০২৬ৰ বাবে আমি ৰঙিয়া, মঙলদৈ, ছিপাঝাৰকে ধৰি কেইবাটাও সমষ্টি দাবী কৰিছো। এতিয়া কথা হ'ল এই বিষয়টো নিষ্পত্তি হ'ব দুয়ো দলৰ আসন ভাগ-বাটোৱাৰা সম্পৰ্কীয় সভাত। এনেদৰে এতিয়া আসনক লৈ নতুন নতুন অংকত নামি পৰিছে একাংশ অগপ নেতা।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •

• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •

• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •

• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

UniqueBorah.Com

88764 90887

নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ৬নং পৃষ্ঠাৰ পৰা...

## আলফাৰ নামত ধন দাবী কৰিবলৈ গৈ

এগৰাকী ব্যৱসায়ীক ধন দাবী কৰি পেণ্ডেৰী আৰক্ষীৰ জালত পৰিল এজন ভুৱা আলফা। আটকাধীন যুৱকজন হৈছে কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত উবন গাঁৱৰ মিন্তু মৰাণ (২৫)। প্ৰাপ্ত তথ্য অনুসৰি, ধৃত মিন্টু মৰাণে ঘটনাৰ মূল মাষ্টাৰমাইণ্ড তথা পেণ্ডেৰী আৰক্ষী থানাৰ অন্তৰ্গত ১ নং নলনি গাঁৱৰ সুৰজিত মৰাণ (৩৩) ওৰফে কলীয়াৰ সৈতে মিলি আলফা (স্বাধীন)ৰ এজন সদস্যক চিকিৎসা প্ৰদান কৰিবৰ বাবে কাকপথাৰৰ এগৰাকী ব্যৱসায়ীক ৫০ হাজাৰ টকা ধন দাবী কৰি এক প্ৰকাৰৰ সন্ত্ৰাস সৃষ্টি কৰি আহিছিল। ব্যৱসায়ীগৰাকীয়ে উপায়ন্তৰ হৈ পেণ্ডেৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীক ফোনযোগে ঘটনাৰ বিষয়ে অৱগত কৰাত পেণ্ডেৰী আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তৎপৰতাৰে অভিযান চলাই টঙনা আৰু কাকপথাৰ আৰক্ষীৰ সহযোগত কাকপথাৰ নগৰৰ মাজমজিয়াৰ পৰা মিন্টু মৰাণক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় যদিওঁ ঘটনাৰ মূল মাষ্টাৰমাইণ্ড সুৰজিত মৰাণ ওৰফে কলীয়া এতিয়াও পলাতক অৱস্থাত আছে। পেণ্ডেৰী আৰক্ষীয়ে ধৃত মিন্তু মৰাণৰ বিৰুদ্ধে পেণ্ডেৰী আৰক্ষী থানাত ৩৩/২৪ নম্বৰত এক গোচৰ ৰুজু কৰি ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২)/৩০৮(২) ধাৰাৰ অধীনত মিন্তু মৰাণক জেল হাজোতলৈ প্ৰেৰণ কৰাৰ বিপৰীতে পলাতক কলীয়াৰ সন্ধানত অভিযান আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, পলাতক কলীয়া পূৰ্বে কেইবাটাও অভিযোগত অভিযুক্ত বুলিও জানিব পৰা গৈছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

## নলবাৰীত ধোঁৱাচাঙত পানী যোগান

ভেকোঁ-ভাওনাত পৰিণত হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নলবাৰী জিলাৰ বেলশৰ সংমণ্ডল আৰু নলবাৰী সংমণ্ডলৰ অধীনত জিলাখনৰ গাঁও অঞ্চলত বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ উদ্দেশ্যে চি ডব্লিউ পি পি খোৱা পানী যোগান ধৰা আঁচনিখন স্থাপন কৰা হৈছিল। জানিব পৰা মতে, তিনিবছৰ পূৰ্বে স্থাপন কৰা আঁচনিখনৰ পৰা চুবুৰীয়া গঞাই পানী লাভ কৰিছিল যদিও পৰিচালনাৰ অভাৱত এতিয়া আঁচনিখন নোহোৱা হোৱাৰ উপক্ৰম হৈছে। অভিযোগ অনুসৰি, প্ৰায়বোৰ গাঁৱতে অতি কম দিনতে এই আঁচনিখন মূলতঃ চাফ-চিকুনৰ অভাৱত পৰিত্যক্ত হৈ পৰিছে। শৌৰশক্তিচালিত এনে প্ৰতিখন আঁচনি নিৰ্মাণৰ নামত ৯ লাখ টকা ব্যয় কৰা হয়। এতিয়া এনে সৰহ সংখ্যক আঁচনিৰ ভূগৰ্ভৰ পৰা উত্তোলিত পানী জমা ৰখা টেকিং দুটা চাফা নকৰাৰ বাবে অত্যাধিক আইৰণ আৰু লেতেৰা পানীৰ বাবে পানী সেৱনৰ কৰিব নোৱাৰাৰ উপক্ৰম ঘটিছে। পানীৰ নামত ৰাইজে এতিয়া সেৱন কৰিছে বৰবিহ। জানিব পৰা মতে ঠিকাদাৰী ব্যৱস্থাৰে নিৰ্মাণ কৰা কেইবাখনো আঁচনিৰ পানী টেংকিত ফাঁট মেলিছে। জিলাখনৰ বৃহত্তৰ বাঁহজানী অঞ্চলৰ কেইবাখনো আঁচনি একপ্ৰকাৰ স্তব্ধ হৈ পৰিছে। আঁচনিখনৰ এনে দুৰৱস্থাৰ পিছতো বিভাগীয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা হাতত নোলোৱা বুলি গঞা ৰাইজে অভিযোগ কৰিছে।

# ২০২৫ত বিটিচিত বিপিএফ দলেই চৰকাৰ গঠন কৰিব, ওদালগুৰিত দাবী হাগ্ৰামাৰ



**ই-সংবাদ, ওদালগুৰি ২ ডিচেম্বৰঃ** "চাৰিমাহ পিছত পুনৰ আমি বিটিচিৰ শাসনলৈ আহিম। বি টি চিৰ আমাৰ স্থিতি আন দলতকৈ ভাল। গতিকে ইউপিপিএল, বিজেপি, কংগ্ৰেছ কোনো দলৰ সৈতে আমি মিত্ৰতা নকৰাকৈ বি টি চি নিৰ্বাচনত অৱতীৰ্ণ হম। প্ৰমোদ বড়ো বিগ জিৰো।" ওদালগুৰি জিলা বিপিএফ ১১ সংখ্যক বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত অংশগ্ৰহন কৰি এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে বিপিএফৰ সভাপতি তথা বি টি চিৰ প্ৰাক্তন চীফ হাগ্ৰামা মহিলাৰীয়ে। ওদালগুৰিৰ মনপুৰ খেল পথাৰত অনুষ্ঠিত বিশাল মুকলি সভাত ভাষন প্ৰসংগত মহিলাৰীয়ে কয়, শাসনলৈ আহিলে আমাৰ এজেণ্ডা হ'ব মাটিৰ পট্টা বিতৰণ। মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত উতীৰ্ণ বিটিচিৰ শীৰ্ষ দহ জনকৈ ছাত্ৰ ছাত্ৰীক পাঁচ লাখকৈ টকা দিয়াৰ কথাও মুকলিকৈ ঘোষণা কৰে মহিলাৰীয়ে। বিটিচিৰ ৪০ টা পৰিষদীয় সমষ্টিৰ প্ৰতিটো সমষ্টিৰ দুই হেজাৰকৈ দৰিদ্ৰ লোক অৰ্থাৎ মুঠ ৮০ হেজাৰ লোকক অৰ্থ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে মহিলাৰীয়ে। ইপিনে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মহিলাৰীয়ে কয় আমি লোকসভা আৰু উপনিৰ্বাচন এনেইহে খেলিছিলো। এইবাৰ ২০২৫তহে আচল খেল আমি দেখুৱাই দিম। দুইটা নিৰ্বাচন বিজেপি আৰু ইউপিপিএলে একেলগে খেলিলেও বিটিচি নিৰ্বাচন দুয়োটা দলে নিজাকৈ খেলিব। চিএম ছাৰেও কৈছে আৰু মোৰ ফিল্ড ৰিপ'ৰ্ট মতেও দুয়োটা দলে বেলেগে বেলেগে খেলিব বিটিচি নিৰ্বাচন। এনেকৈ হ'লেটো প্ৰমোদ বড়ো বিগ জিৰো। আমিয়ে বিটিচিত চৰকাৰ গঠন কৰিম। বিটিচিৰ প্ৰাক্তন ডেপুটী চীফ তথা হাগ্ৰামা মহিলাৰীৰ সোঁহাত খাম্ফা বৰগয়াৰীৰ বিজেপি গমনকলৈও মন্তব্য কৰে মহিলীৰীয়ে। তেওঁ কয় ময়ো শুনিছে, কিন্তু খাম্ফাই বিজেপিৰ টুপী, মালাটো এতিয়ালৈ পিন্ধা নাই। পিছত কি কৰে নাজানো। আনহাতে আগন্তুক বিটিআৰ নিৰ্বাচন ২০২৫ চনৰ এপ্ৰিল মাহতেই অনুষ্ঠিত কৰাৰ দাবী কৰে মহিলাৰীয়ে। ইপিনে খাম্ফায়ে দল এৰিলে দলটোৰ ক্ষতি হ'ব বুলি উল্লেখ কৰি তেওঁক দল এৰি নাযাবলৈ একপ্ৰকাৰ আহ্বান জনায় প্ৰাক্তন মন্ত্ৰী তথা বিপিএফ নেতা ৰিহন দৈমাৰীয়ে। ৰিহন দৈমাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত হাগ্ৰামা মহিলাৰীৰ লগতে বিধায়ক চৰন বড়ো, ধনশ্ৰী সমষ্টিৰ পাৰিষদ ফ্ৰেছ মোছাহাৰী ,দলৰ উপ সভাপতি ৰবিনচন মোছাহাৰীকে ধৰি কেবাগৰাকীও বিপিএফ নেতাই অংশগ্ৰহণ কৰে।

# অসম কুড়মালি সাহিত্য সভাৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, বিশ্বনাথ, ২ ডিচেম্বৰঃ** কুড়মালি ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে গঠিত অসম কুড়মালি সাহিত্য সভাৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস অসমৰ বিভিন্ন ঠাইত পালন কৰা হয়। কুড়মালি সাহিত্য সভাৰ বিশ্বনাথ জিলা সভা, শোণিতপুৰ জিলা সভা, নগাঁও জিলা সভা আৰু ওদালগুৰি জিলা সভাৰ যৌথ উদ্যোগত ওৱাং কলাগুৰু বিষ্ণু ৰাভা কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰাংগণত প্ৰতিষ্ঠা দিৱসটি পালন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত সাহিত্য সভাৰ পতাকা উত্তোলন কৰে কুড়মালি সাহিত্য সভা ওদালগুৰি জিলাৰ উপ-সভাপতি তথা মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গণেশ মাহাতোৱে। স্মৃতি তৰ্পণ কৰে ওদালগুৰি জিলা সভাৰ সম্পাদক মহাদেৱ মাহাতোৱে। শিক্ষক গোপীনাথ মাহাতোৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাৰ আঁত ধৰে ওদালগুৰি জিলা সভাৰ সভাপতি জয়ধন মাহাতোৱে। নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত থকা কেহেৰুখুন্দা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অশোক কুড়মিয়ে কুড়মালি ভাষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বক্তব্য ৰাখে । বক্তব্যত তেওঁ কয় যে জাতিটোৰ ভাষা-সংস্কৃতি সুৰক্ষিত হ'লেহে জাতিটো সুৰক্ষিত হ'ব। ঝাড়খণ্ড আৰু পশ্চিমবংগ ৰাজ্যৰ কেইবাখনো বিশ্ববিদ্যালয়ত কুড়মালি ভাষাৰ পাঠদান চলিছে। সেয়ে ভাষাটোৰ অস্তিত্ব ৰক্ষা কৰিবলৈ অধ্যয়নৰ প্ৰয়োজন হৈ পৰিছে বুলি উল্লেখ কৰে কুড়মিয়ে। গাম্ভীৰ্যপূৰ্ণ সভাত মুখ্য অতিথি কুড়মালি সাহিত্য সভাৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক জীৱন জ্যোতি কুড়মিয়ে নিজা বক্তব্যত তেওঁলোকে গঢ় দিয়া অনুষ্ঠান কুড়মালি সাহিত্য সভাই ২৪ বছৰত ভৰি দিছে বুলি কয়। আজি এই আনন্দৰ মুহূৰ্তত তেওঁ আত্মহাৰা হৈ পৰা বুলি উল্লেখ কৰে। ইতিমধ্যে অসমৰ দুগৰাকীকৈ ব্যক্তিয়ে ঝাড়খণ্ড ৰাজ্যৰ পৰা কুড়মালি ভাষাত অধ্যয়ন কৰি স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে লগতে কেইবাগৰাকী ছাত্ৰ-ছাত্ৰী ভাষাটো শিকিবলৈ আগ্ৰহী হৈছে বুলি মতপোষণ কৰে। বিশ্বনাথ জিলা কুড়মালি সাহিত্য সভাৰ সভাপতি মনোহৰ কুড়মিয়ে কু-সংস্কাৰ দুৰীকৰণ, শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে স্বাস্থ্যৰ সজাগতা বৃদ্ধি কৰিবলৈ আহ্বান জনায় ।আনহাতে, শোণিতপুৰ জিলা কুড়মালি সাহিত্য সভাৰ সম্পাদক ক্ষিতীশ কুড়মিয়ে সাহিত্য সভাৰ ৰূপালী জয়ন্তী প্ৰস্তুতি বৰ্ষ উদযাপন কৰা প্ৰসংগত কয় যে সভাত এশগৰাকী লেখকৰ ১০০ খন গ্ৰন্থ প্ৰকাশ কৰাৰ পৰিকল্পনা কৰা হৈছে। গ্ৰন্থসমূহ কুড়মালি ভাষাত আৰু অসমীয়া লিপিত প্ৰকাশ কৰা হ'ব বুলি জনায়।

## জুৱা, মদ-ভাঙৰ লগতে দেশী-বিদেশী সুৰাৰ ৰমৰমীয়া বেহা

# ভূটান সীমান্তত পৰিৱেশ বিনষ্ট হোৱাৰ পিছতো কুম্ভকৰ্ণ নিদ্ৰাত বিভাগীয় কৰ্তৃপক্ষ

**ই-সংবাদ, ডিমাকুছি, ১ ডিচেম্বৰঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাৰ অন্তৰ্গত অসম-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত মদ-ভাং, জুৱা, কুঁকুৰা-যুঁজৰ লগতে বৰ্তমান সময়ত দেশী-বিদেশী সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলি আহিছে যদিও কোনো ধৰণৰ গুৰুত্ব নাই বিভাগীয় কৰ্তৃপক্ষৰ। মদ-ভাং, জুৱা, কুঁকুৰা-যুঁজ, দেশী-বিদেশী সুৰাৰ মুকলিকৈ চলি থকা এই ৰমৰমীয়া ব্যৱসায়ে এতিয়া স্থানীয় সমাজ সচেতন লোকসকলক চিন্তিত কৰি তুলিছে। জানিব পৰা মতে, ভূটান সীমান্তৰ বৃহত্তৰ ডিমাবুছি অঞ্চলৰ টেংকিবস্তি, বামুনজুলি, কালিখোলা, আটাৰীখাট, বাদলাপাৰা, নাওঁবান্ধা, দেউচুঙা, চামৰাং, উদ্ধৱ চ'ক, নালাপাৰা, বৰংগাজুলি, ঔৰংগজুলি, ভুটিয়াচাং, ফা'ৰাম তিনিআলি চ'ক, শুক্লাই, গৰুৱাঝাৰ আদি অঞ্চলসমূহত যোৱা কেইবছৰ ধৰি অবৈধভাৱে দেশী-বিদেশী মদৰ ৰমৰমীয়া ব্যবসায় চলি অহাৰ উপৰি একাধিক অঞ্চলত কুঁকুৰা-যুঁজ, জুৱা খেলৰ মুকলি বজাৰ চলাই আহিছে একাংশ লোকে। আনকি বৰংগাজুলি গধূলি বজাৰ, দেউচুঙা সাপ্তাহিক বজাৰ, দেওবৰীয়া ডিমাকুছি সাপ্তাহিক বজাৰতো মুকলিকৈ প্ৰতিদিনে দেশীয় সুৰা(লোকেল মদ) উপলব্ধ হোৱা পৰিলক্ষিত হৈছে। এইবোৰৰ উপৰি গাঁওলীয়া অঞ্চলসমূহৰ কিছুমান সৰু-সৰু দোকানত বিদেশী সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে কিছুসংখ্যক বেপাৰীয়ে। এই অঞ্চলসমূহলৈ প্ৰতিদিনে চাইকেলেৰে ৰাতি পুৱাই মদ লৈ আহি পাইকাৰী হিচাপত বিক্ৰী কৰি আহিছে কিছু সংখ্যক লোকে। আনকি কেৱল সুৰা বিক্ৰীয়ে নহয় বিশেষকৈ চাহ বাগিচা অঞ্চলসমূহকে ধৰি বিভিন্ন প্ৰান্তত জুৱা আৰু কুঁকুৰা-যুঁজৰো ৰমৰমীয়া ব্যৱসায় চলাই আহিছে একাংশ অসাধু লোকে। প্ৰত্যেক বৃহস্পতিবাৰে বাদলাপাৰাত, বুধবাৰে গৰুৱাঝাৰত, সোমবাৰে হাতীগড়ত, দেওবাৰ আৰু বুধবাৰে ঔৰংগাজুলিত বিভাগীয় কৰ্তৃপক্ষৰ চকুত ধুলি মাৰি কুঁকুৰা-যুঁজ, জুৱা খেল চলাই আহিছে একাংশ লোকে। জুৱা, কুঁকুৰা-যুঁজ খেলৰ লগতে দেশী-বিদেশী সুৰাৰ এই মুকলি বজাৰত বিক্ৰী কৰি থকাক লৈ স্থানীয় সমাজ সচেতন লোকে চিন্তিত হৈ পৰিছে, কিয়নো বৰ্তমান সময়ত একাংশ বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাৰ্থীও এনেবোৰ অসামাজিক কাৰ্যত জড়িত হৈ ধ্বংসৰ গৰাহলৈ নামি গৈছে। যাৰ বাবে একাধিক যুৱকে সুৰা সেৱন কৰি জধে-মধে গাড়ী-মটৰ চলাই নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনা সংঘটিত কৰি অকালতে প্ৰাণ হেৰুৱাইছে। অন্যহাতে, স্থানীয় সচেতন মহলে অভিযোগ কৰা মতে, পুৱাৰে পৰা দোভাগ নিশা লৈ সঘনাই একাংশ উদণ্ড যুৱকে অত্যাধিক সুৰা সেৱন কৰি অঞ্চলটোত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰি আহিছে। স্থানীয় সচেতন লোকে ইয়াৰ বিৰোধিতা কৰিলে মাৰপিটত লিপ্ত হয় একাংশ উদণ্ড যুৱক। একাংশ লোকে টংলা, গৰুৱাঝাৰ, উত্তৰ নাওবান্ধা অঞ্চলৰ পৰা মদ সৰবৰাহ কৰি আহিছে মদ ব্যৱসায়ীয়ে। ওদালগুৰি জিলাৰ ভূটান সীমান্তৱৰ্তী এই অঞ্চলসমূহত অবৈধ এই চুলাই ভাটি উচ্ছেদ কৰিবলৈ কেইবাবাৰো স্থানীয় দল-সংগঠনে আবকাৰী বিভাগক অনুৰোধ জনাই আহিছে যদিও মদ ব্যৱসায়ীৰ পৰা পৰ্যাপ্ত পৰিমাণে পাৰ্চেন্টেজ অথবা মোটা অংকৰ ধন উৎকোচ লৈ সকলো দেখি শুনিও চকু মুদা কুলিৰ ভাও ধৰি আহিছে। আনকি কেতিয়াবা অসম আৰক্ষীয়ে জব্দ কৰা সুৰা নিবলৈও সময় নহয় বিয়াগোম আবকাৰী বিভাগটোৰ। অৱশ্যে মাজে-সময়ে ডিমাকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মহানন্দ ভূঞাই তহলদাৰী আৰক্ষী দলৰ সৈতে মিলি ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত বহুতো স্থানৰ পৰা বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষম হৈছে। ভূটান সীমান্তৱৰ্তী অঞ্চলত মদ-ভাং, জুৱা, সুৰা, কুকুৰা যুঁজৰ দৰে অলিয়ে-গলিয়ে অসামাজিক কাম-কাজবোৰ বৃদ্ধি হোৱাত শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ উপৰি বহুতো পৰিয়ালৰ সাংসাৰিক জীৱনো বিনষ্ট হোৱাৰ অভিযোগ উঠিছে। আবকাৰী বিভাগৰ চকুৰ সন্মুখতে এনেদৰে সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলি থকা দেখিও আবকাৰী বিভাগটোৱে নিৰ্লিপ্ত হোৱা ঘটনাই চকু কপালত তুলিছে সচেতন মহলৰ। সেয়েহে এই ক্ষেত্ৰত ওদালগুৰি জিলাৰ উপায়ুক্ত তথা বিভাগীয় কৰ্তৃপক্ষক অতি শীঘ্ৰে উচিত পদক্ষেপ গ্ৰহণ কৰি অবৈধ সুৰা, মদ-ভাং, জুৱা কুকুৰা যুঁজৰ এই ৰমৰমীয়া ব্যৱসায় বন্ধ কৰি চোকা দৃষ্টি ৰাখিবলৈ আহ্বান জনাইছে ভূটান সীমান্তবাসীয়ে। পৰৱৰ্তী সময়ত কুম্ভকৰ্ণ নিদ্ৰাত পৰি থকা আবকাৰী বিভাগ তথা স্থানীয় বিভিন্ন দল-সংগঠনে এই ক্ষেত্ৰত কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হৈ পৰিব।

# গড়গাঁও মহাবিদ্যালয়ৰ উদ্যোগত প্ৰগতি কৃষি পামলৈ ক্ষেত্ৰ ভ্ৰমণ কাৰ্যসূচী

**ই-সংবাদ, শিৱসাগৰ, ২ ডিচেম্বৰঃ** শিৱসাগৰ জিলাৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ে প্ৰতিষ্ঠানিক উদ্ভাৱন কোষ(আই আই চি)ৰ উদ্যোগত অবিভক্ত শিৱসাগৰৰ লাকুৱাত অৱস্থিত সফল কৃষক, উদ্যোগী তিলেশ্বৰ সন্দিকৈৰ প্ৰগতি কৃষি পামলৈ এক ক্ষেত্ৰ ভ্ৰমণ কাৰ্যসূচী হাতত লয়। কৃষি ক্ষেত্ৰৰ ধাৰণাৰপৰা সফল উদ্যোমী হোৱাৰ ক্ষেত্ৰত দৃষ্টি দিবলগীয়া কথাবোৰ উদ্যোমী ব্যক্তি তিলেশ্বৰ সন্দিকৈয়ে আজি ক্ষেত্ৰ অধ্যয়নলৈ যোৱা শিক্ষাৰ্থীসকলক অৱগত কৰে। ইয়াৰ লগতে তেওঁ ধাৰণাক কেনেকৈ সৃষ্টিশীল আৰু পদ্ধতিগতভাৱে ব্যৱহাৰ কৰি সফলতা লাভ কৰিব সেয়া নিজৰ উদাহৰণে বুজাই দিয়ে। ক্ষেত্ৰ অন্বেষণলৈ যোৱা শিক্ষাৰ্থীসকলৰ দলক গড়গাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠানিক উদ্ভাৱন কোষৰসমন্বয়ক ড০ সুৰজিৎ শইকীয়া, গড়গাঁও মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপকক্ৰমে ড০ নিলোৎপল চুতীয়া, অংকিকা দত্ত আৰু অতিথি অধ্যাপকক্ৰমে- স্বস্তিকা বৰকটকী আৰু আনছু কুমাৰীয়ে সংগ দিয়ে। ভ্ৰমণকালত শিক্ষাৰ্থীসকলে প্ৰত্যক্ষভাৱে কৃষি ক্ষেত্ৰৰ লগত জড়িত ধাৰণা আৰু কাৰ্যকৰী দিশসমূহ পৰ্যবেক্ষণ আৰু অনুধাৱন কৰি যথেষ্ট উপকৃত হৈছে বুলি জনাইছে। গড়গাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠানিক উদ্ভাৱন কোষৰ এনে ব্যতিক্ৰমী পদক্ষেপক মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ, নিবন্ধকাৰ, কবি ড০ সব্যসাচী মহন্তই সময়োপযোগী পদক্ষেপ আখ্যা দি ইয়াৰ লগত জড়িত সকলোকে প্ৰশংসা কৰে।

# সপ্তক সংগীত বিদ্যালয়ৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, মৰিগাঁও, ২ ডিচেম্বৰঃ** মৰিগাঁৱৰ অগ্ৰণী সংগীত শিক্ষানুষ্ঠান সপ্তক সংগীত বিদ্যালয়ৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটো সোমবাৰে বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে মঞ্চ উদ্বোধন কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী, সংগীত সাধক প্ৰশান্ত নাথে। ইয়াৰ পিছতে মঞ্চত বন্তি প্ৰজ্বলনেৰে কাৰ্যক্ৰমনিকাৰ শুভাৰম্ভ কৰে মৰিগাঁৱৰ অৱসৰপ্ৰাপ্ত কৃতি শিক্ষয়িত্ৰী ৰেণু মেধি মহন্ত আৰু অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি, জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাই। ভাষণ প্ৰসংগত শৰ্মাই সপ্তক সংগীত বিদ্যালয়ৰ সংগীত যাত্ৰাই ভৱিষ্যতৰ দিনবোৰত মৰিগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰি বিদ্যালয়খনৰ কৰ্মকৰ্তা আৰু ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত বিশিষ্ট সাংস্কৃতিক কৰ্মী ভদ্ৰেশ্বৰ ডেকা, নৰোত্তম বৰদলৈ, প্ৰণৱ চৌধুৰী, সাংবাদিক ক্ৰমে প্ৰণৱ ভট্টাচাৰ্য, দিপাংকৰ নাথ, চাজিদ আহমেদকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা হয়। ইফালে প্ৰতিষ্ঠা দিৱস উপলক্ষে সংগীত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা অনুষ্ঠিত নৃত্য-গীতৰ বৰ্ণাঢ্য কাৰ্যসূচীয়ে জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহ জীপাল কৰি তোলে।



সপ্তক সংগীত বিদ্যালয়ৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ এটি মুহূৰ্ত



আলফাৰ নামত ধনবাদী কৰিবলৈ গৈ কাকপথাৰত ধৃত যুৱকজন

**১৯ দেশত মুকলি এঞ্জেলিক বণ্ডছ-দ্য জাৰ্ণি অৱ ড্ৰীমছ, লাভ এণ্ড ৰেজিলিয়েন্স**

# বঙাইগাঁৱৰ ছাত্ৰৰ সাফল্য এমাজনত প্ৰকাশ কৰিলে গল্প পুথি

**ই-সংবাদ, বঙাইগাঁও, ২ ডিচেম্বৰঃ** বঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় (ইংৰাজী মাধ্যম) ৰ ১৭ বছৰীয়া ছাত্ৰ সন্দীপ বাকালীয়ে এক অনন্য সাফল্য লাভ কৰিছে। এই বয়সতে প্ৰকাশ কৰি উলিয়াইছে 'এঞ্জেলিক বণ্ডছ - দ্যা জাৰ্নি অৱ ড্ৰীমছ, লাভ এণ্ড ৰেজিলিয়েন্স '( "Angelic Bonds: The journey of Dreams, Love and resilience" ) শীৰ্ষক তেওঁৰ প্ৰথমখন গল্প পুথি । ইয়াৰ জৰিয়তে তেওঁ সাহিত্যিক জগতত এক নতুন পৰিচয় লাভ কৰিছে। নৱম শ্ৰেণীৰ ছাত্ৰ সন্দীপৰ এই সাফল্যই তেওঁৰ গল্প লিখাৰ প্ৰতি থকা গভীৰ প্ৰেম আৰু কঠোৰ পৰিশ্ৰমৰ উদাহৰণ দাঙি ধৰিছে। এই গল্প পুথিখনে ইতিমধ্যে পাঠকৰ যথেষ্ট মনোযোগ আকৰ্ষণ কৰিছে। য'ত তেওঁ প্ৰেমৰ ওপৰত এটা নতুন দৃষ্টিভংগী আগবঢ়াইছে। এঞ্জেলিক বণ্ডছত সপোন, প্ৰেম আৰু ধৈৰ্য্যৰ গভীৰ থীমসমূহৰ বৰ্ণনা দিয়া হৈছে। যাৰ বাবে সকলো বয়সৰ পাঠকৰ মাজত বিশেষ সঁহাৰি লাভ কৰিছে। আধুনিক প্ৰেমৰ কাহিনীৰ পৰা আঁতৰি গল্প পুথিখনে স্থায়ী সম্পৰ্ক আৰু অৰ্থপূৰ্ণ বন্ধুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই কাহিনী যিকোনো পাঠকৰ বাবে অনুপ্ৰেৰণামূলক আৰু প্ৰাণস্পৰ্শী। উল্লেখ্য যে সন্দীপৰ এই পুথিখন ১৯ খন দেশত মুকলি কৰা হৈছে, যাৰ জৰিয়তে অতি কম বয়সতে তেওঁ আন্তঃৰাষ্ট্ৰীয় পৰিচয় লাভ কৰিছে। এঞ্জেলিক বণ্ডছ এমাজন কিণ্ডল আৰু পথি ডট কমত উপলব্ধ। ভাৰতীয় পাঠকসকলে পোহতি ডট কমৰ জৰিয়তে এই বিশেষ সংস্কৰণ সংগ্ৰহ কৰিব পাৰে। সন্দীপ বাকালীৰ যাত্ৰাই তৰুণ লেখকৰ বাবে এটা বিশেষ অনুপ্ৰেৰণা যোগায়। তেওঁৰ সফলতাই প্ৰমাণ কৰে যে সপোনক বাস্তৱায়িত কৰাৰ বাবে বয়সৰ কোনো বাধা নাই। কঠোৰ পৰিশ্ৰম, উছাহ আৰু সহনশীলতাৰে যিকোনো লক্ষ্য সাধন কৰিব পৰা যায়। যিহেতু এঞ্জেলিক বণ্ডছ বিশ্বজুৰি পাঠকৰ মাজলৈ গৈছে , সেয়ে সন্দীপৰ এই কাহিনীয়ে তৰুণ প্ৰতিভাসকলৰ বাবে আশা আৰু সাহসৰ দীপশিখা ৰূপে কাম কৰিব। লগতে ই আমাক সোঁৱৰাই দিয়ে যে নিষ্ঠা আৰু সৃষ্টিশীলতাৰে কেনেকৈ সৰু চহৰ এখনৰ ১৭ বছৰীয়া ল'ৰা এজনেও বিশ্বব্যাপী নিজৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিব পাৰে।

# মান্দাকাটাত মুকলিভাৱে চলিছে পাহাৰ ধ্বংসযজ্ঞ, নিৰ্বিকাৰ প্ৰশাসন

**ই-সংবাদ বিশেষ, বাইহাটা চাৰিআলি, ২ ডিচেম্বৰঃ** কামৰূপ জিলা আয়ুক্তৰ কাঢ়া নিৰ্দেশৰ পিছতো মান্দাকাটাত বন্ধ হোৱা নাই বন ধ্বংসযজ্ঞ। চিলা ৰেঞ্জৰ অধীনৰ দীৰ্ঘেশ্বৰী বীটৰ অন্তৰ্গত মান্দাকাটাৰ পাহাৰত আজিও চলিল অবৈধ ব্যৱসায়ীৰ বুলডজাৰ। বন বিভাগৰ ছত্ৰ ছায়াত অসাধু ব্যৱসায়ীৰ দ্বাৰা এক্সেভেটৰ আৰু পকলেণ্ডেৰে এনেদৰে চলি থকা বন ধ্বংসৰ বিৰুদ্ধে সচেতন ৰাইজে আপত্তি দৰ্শাই আহিছে যদিও সেই আপত্তিক অংগুষ্ঠ দেখুৱাই আগতকৈ দুগুণ উৎসাহেৰে ৰঙামাটি খনন কৰি গৈছে অসাধু ব্যৱসায়ীসকলে। এই সন্দৰ্ভত অসমৰ সংবাদ মাধ্যমত সবিস্তাৰে বাতৰি প্ৰকাশ হৈ গৈছে যদিও তাৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বন বিভাগে। পূৰ্বতে উল্লেখ কৰাৰ দৰে অভিযোগকাৰীক দেখুৱাবলৈ কেইখনমান চালান কাটিয়ে আজিও সৰবৰাহ কৰা হৈছে ডাম্পাৰে ডাম্পাৰে ৰঙামাটি। এনে পৰিপ্ৰেক্ষিতত এতিয়া কামৰূপ জিলা আয়ুক্তই ৰঙামাটি খনন বন্ধ কৰিবলৈ দিয়া তাৎক্ষণিক নিৰ্দেশৰ ওপৰতো প্ৰশ্ন চিহ্ন আহি পৰিছে। আচলতে আয়ুক্তগৰাকীয়ে কেৱল ৰাইজক আশ্বস্ত কৰিবলৈহে এই নিৰ্দেশনা প্ৰদান কৰিছে বুলি ৰাইজৰ মাজত এতিয়া বু-বা চলিবলৈ আৰম্ভ কৰিছে। একাংশ লোকে অভিযোগ কৰা মতে, ৰঙামাটি খননৰ যদি অনুমতি কাৰোবাক প্ৰদানো কৰা হয় সেই মাটি ছেংমিঃ হিচাপত এটা নিৰ্দিষ্ট পৰিমাণ বান্ধি দি তাক কিমান নম্বৰ গাড়ীৰে কোন ঠাইত পেলোৱা হ'ব সেয়া স্পষ্ট উল্লেখ থাকে বিভাগীয় নিৰ্দেশনাত। মান্দাকাটাত খনন কৰা ৰঙামাটি খননৰ অনুমতি থকাসকলৰ ক্ষেত্ৰতো তেনে নিয়ম আছে যদিও কাৰ্যত সেয়া কাগজ-কলমতে আবদ্ধ। নিৰ্দেশনাৰ তেনে কোনো চৰ্ত মান্দাকাটাৰ অসাধু ব্যৱসায়ীসকলে অনুসৰণ কৰা পৰিলক্ষিত নহয়। তাৰ বিপৰীতে পাহাৰৰ এই ৰঙামাটি বিভিন্ন মানুহৰ ঘৰৰ কাৰ্যত ব্যৱহাৰ হৈছে।

# নগাঁও জিলাৰ পাঁচ সহস্ৰাধিক বিকলাংগ শিশুৰ কৰুণ চিৎকাৰ

**ই-সংবাদ, বেবেজীয়া, ২ ডিচেম্বৰঃ** বিশ্ব প্ৰতিবন্ধী দিৱস বিগত বৰ্ষৰ দৰে এইবেলিও সমগ্ৰ বিশ্বত নানা কাৰ্যসূচীৰে বিশ্ব প্ৰতিবন্ধী দিৱস উদযাপন কৰা হৈছে যদিও আজিৰ দিনটোতো বহু কষ্টকৰ জীৱন নিৰ্বাহ কৰা ৰাজ্যৰ হাজাৰ হাজাৰ বিকলাংগ শিশুৰ কথা ভাবিবলৈ কাৰোৱেই আহৰি নাই। উল্লেখ্য যে ৰাজ্যৰ আন কথা বাদেই কেৱল নগাঁও জিলাতে এক যন্ত্ৰণাদায়ক জীৱন কটাবলগীয়া হোৱা এনে বিকলাংগ শিশুসকলৰ হৃদয়স্পৰ্শী কৰুণ আৰ্তনাদে চৌপাশ কঁপাই তুলিলেও ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগে এইক্ষেত্ৰতা বিশেষ গুৰুত্ব প্ৰদান কৰা নাই। অসম সৰ্বশিক্ষা অভিযান মিছনৰ তৰফৰ পৰা চলোৱা এক সমীক্ষা অনুসৰি সমগ্ৰ নগাঁও জিলাত থকা বিকলাংগ শিশুৰ সংখ্যা হৈছে ৫,৭২৪ গৰাকী। ইয়াৰ ভিতৰত সমীক্ষাটোৰ মতে জিলাখনৰ হোজাই মহকুমাৰ যমুনামুখ সমষ্টিৰ অন্তৰ্গত বিন্নাকান্দি উন্নয়ণ খণ্ডৰ এলেকাধীন ফ্ল'ৰাইড আক্ৰান্ত গাঁওবোৰত সৰ্বাধিক বিকলাংগ শিশুয়ে জীৱন-নিৰ্বাহ কৰি আছে। বেচৰকাৰী তথ্যানুসৰি জিলাখনত এনে বিকলাংগ শিশুৰ সংখ্যা আঠ সহস্ৰাধিক হ'ব। অতি পৰিতাপৰ বিষয় যে এই শিশুসকলৰ কল্যাণাৰ্থে চৰকাৰে লাখ লাখ টকা প্ৰতিবছৰে জিলাখনলৈ আৱন্টন দি আহিছে যদিও আশ্চৰ্যজনকভাৱে শিশুসকল ইয়াৰ পৰা তিলমানো লাভান্বিত হোৱা নাই। কিয়নো এই শিশুসকলৰ সাম্প্ৰতিক সময়ৰ জীৱন-ধাৰণৰ প্ৰক্ৰিয়া সুক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলেই বিষয়টো স্পষ্টকৈ প্ৰমাণিত হয়। আনকি বহু স্বেচ্ছাসেৱী সংগঠনেও বিকলাংগ শিশুৰ নামত চৰকাৰৰ পৰা ভুৱা আঁচনি ৰূপায়ণেৰে বৃহৎ ৰাশিৰ ধন লাভ কৰি আহিছে যদিও এই ধনৰ কিমান সঠিক ব্যৱহাৰ কৰা হৈছে সেয়াও সংগঠনবোৰৰ কাম-কাজ নিৰীক্ষণ কৰিলেই সহজে অনুধাৱন কৰিব পাৰি। আনহাতে, জিলাখনৰ এচাম দালাল শ্ৰেণীৰ লোকে কোনো কোনো অঞ্চলত এনে শিশুক ধন ঘটাৰ মেচিনৰূপে ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰতিবছৰে বিশ্ব প্ৰতিবন্ধী দিৱস উদযাপন কৰা হয় যদিও এনে বিকলাংগ শিশুৰ কৰুণ আৰ্তনাদে চৌপাশ কঁপাই তুলিলেও তেওঁলোকৰ আৰ্তনাদ শুনিবলৈ যেন কাৰো আহৰি নাই ।

## নৱপ্ৰজন্মক চ্যুকাফাৰ আদৰ্শ গ্ৰহণৰ আহ্বান মন্ত্ৰী বিমল বৰাৰ

# বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামত অসম দিৱস উদযাপন



**ই-সংবাদ, সোণাৰি, ২ ডিচেম্বৰঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, চৰাইদেউ জিলা প্ৰশাসন, স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতি, বুৰঞ্জী প্ৰসিদ্ধ চৰাইদেউ মৈদাম উন্নয়ন আৰু সংৰক্ষণ সমিতি, সদৌ টাই আহোম ছাত্ৰ সন্থা, চ্যুকাফা আঞ্চলিক সমিতি, চ্যুকাফা চকিয়াল যুৱ সমাজ, মহিলা গোট আৰু স্থানীয় ৰাইজৰ সহযোগত সোমবাৰে বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামস্থলীত বিস্তৃত কাৰ্যসূচীৰে 'অসম দিৱস' (চ্যুকাফা দিৱস) উদযাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই তেওঁৰ বক্তব্যত চৰাইদেউৰ মৈদামসমূহ কেৱল জিলা বা ৰাজ্যখনৰে নহয়, সমগ্ৰ দেশৰ বাবে এক অনুপম সম্পদ বুলি উল্লেখ কৰে। নীল আৰ্মষ্ট্ৰঙৰ চন্দ্ৰপৃষ্ঠত ৰখা প্ৰথম খোজৰ দৰেই চাওলুং চ্যুকাফাই সৌমাৰপীঠত দিয়া প্ৰথমটি খোজক তেওঁ যুগান্তকাৰী খোজ বুলি অভিহিত কৰে। আহোম কীৰ্তিচিহ্ন, মৈদামসমূহ আদিয়ে সেই যুগৰ স্বৰ্ণিল ইতিহাসৰ স্বাক্ষৰ আজিও বহন কৰি আছে বুলি তেওঁ উল্লেখ কৰে। নৱপ্ৰজন্মই স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ আদৰ্শ সৰোগত কৰি দেশ আৰু দহৰ উন্নতিৰ হকে কামত আত্মনিয়োগ কৰিলেহে প্ৰকৃতাৰ্থত স্বৰ্গদেউ গৰাকীক সন্মান প্ৰদান কৰা হ'ব বুলিও তেওঁ মত পোষণ কৰে। তেওঁ মৈদামথলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি প্ৰদানৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়েও উল্লেখ কৰি তেওঁলোকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি প্ৰদান কৰা ভাষণত তেওঁ অসম দিৱসৰ দিনটো এক সমন্বয়ৰ দিন বুলি উল্লেখ কৰে। তেওঁ স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ এখন উন্নত তথা আধুনিক অসম গঢ়াৰ বাবে সকলোকে অংগীকাৰবদ্ধ হ'বলৈ আহ্বান জনায়। অসম চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহোম ৰাজত্বৰ গৌৰৱ আৰু বীৰত্বৰ গাঁথা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে বুলিও উল্লেখ কৰে। সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে তেওঁৰ ভাষণত স্বৰ্গদেউ চাওলুং চ্যুকাফাই ১২৫৩ চনত চৰাইদেউত আহোম সাম্ৰাজ্যৰ স্থায়ী ৰাজধানী স্থাপন কৰি বৰ অসম নিৰ্মাণৰ পাতনি মেলিছিল বুলি উল্লেখ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰি স্বৰ্গদেউগৰাকীয়ে বৃহৎ অসমীয়া জাতি কৰি থৈ গৈছে বুলিও কয়। চৰাইদেউ মৈদাম ক্ষেত্ৰ ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে সন্মান লাভৰ পিছত প্ৰথমবাৰৰ বাবে আজি অসমৰ মুখ্যমন্ত্ৰীৰ একান্ত আগ্ৰহ অনুসৰি চৰাইদেউত অসম দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলিও তেওঁ জানিবলৈ দিয়ে। চৰাইদেউক বিশ্ব মানচিত্ৰত সুকীয়া মৰ্যাদা প্ৰদান কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ অহৰহ প্ৰচেষ্টাৰ বাবে বিধায়কগৰাকীয়ে তেওঁলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াই তেওঁৰ বক্তব্যত স্বৰ্গদেউ চাওলুং চ্যুকাফাক শ্ৰদ্ধাৰে সুঁৱৰি আহোমৰ সৰ্বাংগীন উন্নয়নৰ হকে নিৰন্তৰ পদক্ষেপ গ্ৰহণ কৰি যাবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। মৈদাম ক্ষেত্ৰক আন্তঃৰাষ্ট্ৰীয় মৰ্যাদা প্ৰদান কৰাৰ বাবে তেওঁ সংশ্লিষ্ট সকলোৰে প্ৰচেষ্টাক শলাগ লয়। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসে। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সৌমাৰজ্যোতি মহন্তই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি সাৰগৰ্ভ তথা তত্বগধুৰ বক্তৃতা প্ৰদান কৰে। তেওঁ বৃহৎ অসমীয়া জাতি গঠনত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ অৱদান, আহোম সাম্ৰাজ্য বিস্তাৰ আৰু শক্তিশালীকৰণত ভূমিকা, ৰাজনৈতিক নীতি-দৰ্শন, প্ৰশাসনিক পাৰদৰ্শিতা তথা বিচক্ষণতা আদি দিশসমূহৰ বিষয়ে বিশ্লেষণাত্মক অৱলোকন আগবঢ়ায়। অনুষ্ঠানত আৰম্ভণিতে আমন্ত্ৰিত অতিথিসকলে পৰম্পৰাগত পূজাত অংশগ্ৰহণ কৰাৰ লগতে স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰে। অনুষ্ঠানৰ অংশস্বৰূপে বহুকেইগৰাকী আমন্ত্ৰিত শিল্পী, সাহিত্যিক, গৱেষক, সমাজকৰ্মী, আদৰ্শ খেতিয়ক আৰু দল-সংগঠনক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ হিচাপে বিভিন্ন সাংস্কৃতিক দলৰ দ্বাৰা বাৰেবৰহনীয়া সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰা হয়। নুৰচেং মহনৰ দলৰ দ্বাৰা পৰিৱেশিত লাই লুং খাম নৃত্য, বেঙেনাবাৰী বড়ো সাংস্কৃতিক দলৰ দ্বাৰা দাউশ্ৰীদেলাই নৃত্য, আইদেউ বাৰী হাবি মহিলা সাংস্কৃতিক দলৰ দ্বাৰা নেপালী লোক নৃত্য, তপন তাঁতীৰ নেতৃত্বত চৰাইদেউ ঝুমুৰ দলৰ দ্বাৰা ঝুমুৰ নৃত্য, মানৱ জ্যোতি টায়েৰ দলৰ দ্বাৰা মিচিং লোক নৃত্য, শিৱ বেজবৰুৱাৰ দলৰ দ্বাৰা বিহু নৃত্য, প্ৰীতি সন্দিকৈৰ দলৰ দ্বাৰা আই চিং লাও নৃত্য আৰু প্ৰবীণ মহনৰ দলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীত কাৰ্যসূচীয়ে অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানত চৰাইদেউ জিলাৰ জিলা আয়ুক্ত নেহা যাদৱ, আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেছৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ময়ুৰ বৰগোহাঁই প্ৰমুখ্যে জিলা প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## শীঘ্ৰে পকী দলং নিৰ্মাণৰ দাবী চেঙাৰ চৰাঞ্চলবাসীৰ

# বাঘমাৰা-শিমলীতোলাৰ জলজলী নদীত বাঁহৰ দলং নিৰ্মাণ



**ই-সংবাদ, শিমলীতোলা, ২ ডিচেম্বৰঃ** দক্ষিণ বৰপেটাৰ চেঙা সমষ্টি আৰু গোৱালপাৰা জিলাৰ নবাগত শিমলীতোলা সংযোগী জলজলী নৈৰ ওপৰত স্বাধীনতাৰ ৭৬ বছৰ পাৰ হোৱাৰ পিছতো আজিলৈকে স্থায়ী পকী দলং নিৰ্মাণ নোহোৱাৰ ফলত পূব গোৱালপাৰা আৰু দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ লাখ লাখ লোক দৈনন্দিন জীৱনত প্ৰয়োজীয় কাম বিশেষকৈ ঘৰ-দুৱাৰ নিৰ্মাণত প্ৰয়োজনীয় আচবাবৰ লগতে সা-সামগ্ৰী কঢ়িয়াওতে বস্তুৰ দাম, যাতায়াত খৰচ মিলাই দুগুণ ভৰিবলগীয়া হয়। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট সময় অপচয়ৰ লগতে নিৰ্দিষ্ট সময়ত গন্তব্য স্থানত উপস্থিত হ'ব নোৱাৰে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ৰোগী সময়মতে চিকিৎসালয় পোৱাৰ আগতেই মৃত্যুক আঁকোৱালি ল'ব লগা হয়। বাৰিষা কালত নৈৰ বাঢ়নী পানীয়ে কেতিয়াবা বিপদ সীমা অতিক্ৰম কৰাৰ ফলত জনজীৱন ব্যাহত হৈ পৰে। যোগাযোগহীনতাৰ ফলত স্তব্ধ হৈ পৰে সকলো কাম-কাজ। নদী পাৰ হোৱাত বহু সময়ত নাও দুৰ্ঘটনাত পতিত হৈ বহু লোকৰ মৃত্যু হোৱাও পৰিলক্ষিত হৈছে। চৰাঞ্চলৰ এই দীৰ্ঘদিনীয়া সমস্যা দীৰ্ঘদিন শাসনত থকা কংগ্ৰেছ চৰকাৰেও সমধান নকৰিলে। চৰাঞ্চলৰ সংখ্যালঘু ৰাইজক কংগ্ৰেছে ইমান দিনে প্ৰয়োজনত ব্যৱহাৰ কৰি আহিছে বুলি ৰাইজে মন্তব্য কৰে। কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিত অনুন্নত জিলা হিচাপে চিহ্নিত গোৱালপাৰা আৰু কামৰূপ জিলা সংযোগী বৰপেটা জিলাৰ চৰাঞ্চলৰ যোগাযোগৰ সু-ব্যৱস্থা অবিহনে জিলাখনৰ শৈক্ষিক, অৰ্থনৈতিক, বাণিজ্যিক, পৰ্যটন তথা সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত বিকাশৰ কথা ভাবিব নোৱাৰি বুলি ভুক্তভোগী ৰাইজে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। চৰাঞ্চলৰ সচেতন মহলৰ ফালৰ পৰা বিভিন্ন সময়ত প্ৰতিবাদী কাৰ্যসূচী, ছ'চিয়েল মেডিয়া, প্ৰিণ্ট মেডিয়াৰ মাধ্যমত বৰপেটা জিলাৰ দক্ষিণে থকা বিশাল জলজলী নদীৰ ওপৰত এখন দলং নিৰ্মাণৰ ব্যাপক দাবী উত্থাপন কৰি আহিছে যদিও এনে গুৰুতৰ সমস্যাৰ প্ৰতি ৰাজ্যৰ পৰিৱৰ্তনকামী বিজেপি চৰকাৰেও তেনেকুৱা বিশেষ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। উপায়ান্তৰ হৈ স্থানীয় ৰাইজে পাৰঘাটৰ লেচীৰ সহযোগত দান-বৰঙনিৰে জলজলী নৈত দুমাহ জোৰা প্ৰচেষ্টাৰ অন্তত অৱশেষত বাঁহ আৰু কাঠৰ সংমিশ্ৰণেৰে এখন বৃহৎ দলং নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে। দলংখন পৰিচালনা কৰা পাৰঘাটৰ লেচীয়ে জনেৱা মতে, প্ৰায় কোটি টকীয়া দলংখন ছয়মাহৰ বাবে যাতায়াতৰ বাবে উপযোগী হৈ থাকিব আৰু বাৰিষা আহিলেই জলজলী নৈৰ কোবাল সোঁতে দলংখন উটুৱাই নিয়াৰ সম্ভৱনা আছে। তেতিয়া পুনৰাই টুলুঙা নাৱেৰে বিপদসংকুলভাৱে যাতায়তা কৰিবলগীয়া হ'ব। প্ৰায় দুমাহ জোৰা চেষ্টাৰ ফলত জলজলী নৈৰ বুকুত নিৰ্মাণৰ পিছৰে পৰা উৎফুল্লিত হৈ পৰিছে বৃহত্তৰ অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজ। শীঘ্ৰে অঞ্চলটোৰ সুচল যাতায়াতৰ প্ৰতি লক্ষ্য কৰি বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাক নৱাগত শিমলীতোলা আৰু বাঘমাৰা সংযোগী জলজলী নৈৰ ওপৰত স্থায়ী পকী দলং নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ দাবী উত্থাপন কৰিছে।

# পুৰণিগুদাম কলং কলা কেন্দ্ৰৰ ৰূপালী জয়ন্তী উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, পুৰণিগুদাম, ২ ডিচেম্বৰঃ** অসমৰ লোককলাৰ সংৰক্ষণ, চৰ্চা আৰু প্ৰচাৰৰ বাবে ২০০০ চনৰ ১ জানুৱাৰীত গঠন হোৱা পুৰণিগুদামৰ কলং কলা কেন্দ্ৰৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ বাবে প্ৰস্তুতি চলোৱাৰ অৰ্থে অনুষ্ঠানটিৰ প্ৰাংগণত ১ ডিচেম্বৰত এখনি সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত যতীন্দ্ৰ মোহন বৈৰাগী, থিৰেন বৰা, জগৎ চন্দ্ৰ বৈৰাগী, প্ৰফুল্ল শইকীয়া, দ্বিজেন্দ্ৰ মোহন শইকীয়া, ৰবীন্দ্ৰ নাথ কলিতা, বিমল গোঁহাই, কেশৱ বৰা, প্ৰমোদ কুমাৰ শৰ্মা, বিনুলতা বৰা আদিয়ে অনুষ্ঠানটিয়ে ভিন্ন দিশত যোগাই অহা অৰিহণাৰ কথা ব্যাখ্যা কৰি ৰূপালী বৰ্ষ উদযাপনৰ প্ৰয়োজনীয়তা সম্পৰ্কত সহমত প্ৰকাশ কৰে। কলং কলা কেন্দ্ৰৰ তৰফৰ পৰা সভাপতি গকুল ছেত্ৰী আৰু উপ-সভাপতি অশ্বিনী শৰ্মাই বক্তব্য ৰাখি ৰূপালী জয়ন্তী উদযাপনৰ বাবে ৰাইজ আগবাঢ়ি অহাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠাটিৰ সম্পাদক চিত্তৰঞ্জন বৰাই আঁত ধৰা সভাখনিত আগন্তক নৱবৰ্ষৰ দিনা আৰম্ভ হ'ব লগা ৰূপালী জয়ন্তীৰ কাৰ্যসূচী সম্পৰ্কে আলোচনা কৰা হয়। সভাত সভাপতিৰ ভাষণ প্ৰদান কৰি প্ৰফুল্ল কলিতাই কয় যে, অসম তথা ভাৰতত সুনাম কঢ়িয়াই অনা কলং কলা কেন্দ্ৰৰ কাম-কাজৰ উচিত মূল্যায়ন কৰাৰ অন্যতম উপযুক্ত সুযোগ হ'ল ৰূপালী জয়ন্তী উদযাপন কৰা। সভাত আগন্তক বৰ্ষজোৰা ৰূপালী জয়ন্তী উদযাপনৰ বাবে কৃষ্ণ গোস্বামীক সভাপতি আৰু চিত্তৰঞ্জন বৰাক সম্পাদক হিচাপে লৈ শক্তিশালী সমিতি গঠন কৰা হয়।

# অসম বৈদিক বৈষ্ণৱৰ মহাসভাৰ পশ্চিম গোলাঘাট আঞ্চলিক সমিতি গঠন

**ই-সংবাদ, খুমটাই, ২ ডিচেম্বৰঃ** আজি অসম বৈদিক বৈষ্ণৱ মহাসভাৰ চিনাতলী বৰনামঘৰৰ প্ৰাংগণত বিপিন শইকীয়াৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হয়। উক্ত সভাত শ্ৰী শ্ৰী গোমোথা মাহৰা সত্ৰৰ সত্ৰাধিকাৰ গৌতম গোস্বামী, বৈদিক বৈষ্ণৱ মহাসভাৰ মুখ্য উপদেষ্টা ডঃ দেৱজিৎ বৰা, বোকাখাত জিলা সভাপতি অজিত ৰাজখোৱা, ননী নাথ, নগেন শইকীয়া, প্ৰফুল্ল দত্তৰ উপৰি চিনাতলী, আধাৰসত্ৰ, ঘৰকটীয়া, বেতিয়নী, মেলামৰা গাঁৱৰ প্ৰতিনিধি উপস্থিত থাকে। উক্ত সভাতে সৰ্বসন্মতিক্ৰমে পশ্চিম গোলাঘাট অসম বৈদিক বৈষ্ণৱ মহাসভা আঞ্চলিক সমিতি গঠন কৰা হয়। উক্ত সমিতিৰ মুখ্য উপদেষ্টা বিপিন শইকীয়া, সভাপতি ৰমেন বৰা, কাৰ্যকৰী সভাপতি শ্ৰীমন্ত তামুলী শইকীয়া, উপ-সভাপতি ৰজত বৰা, সুৱেন বৰা, ৰিতু বৰা, ভূৱন কোঁৱৰ, সাধাৰণ সম্পাদক চন্দন গোস্বামী, সহকাৰী সম্পাদক প্ৰমোদ দত্ত আৰু জয়ন্ত বৰাকলৈ এখনি একত্ৰিশ জনীয়া সমিতি গঠন কৰা হয়। আনহাতে, অসম বৈদিক বৈষ্ণৱ মহাসভাৰ ৰাজ্যিক সমিতিয়ে বোকাখাত জিলা সমিতি আৰু অসমবাসী ৰাইজৰ সহযোগত ১৭, ১৮, ১৯, ২০ আৰু ২১ জানুৱাৰী ২০২৫ত প্ৰয়াত বানেশ্বৰ মহন্ত সমণ্বয় ক্ষেত্ৰ, বালিজান নতুন গাঁও, বোকাখাতত মহাসভাৰ আয়োজন কৰিছে। উক্ত অনুষ্ঠানত ৰাইজৰ উপস্থিতি আৰু দিহা-পৰামৰ্শ উদযাপন সমিতিয়ে কামনা কৰিছে।

# গড়গাঁও কলেজত বিশ্ব এইডছ দিৱসত বক্তৃতানুষ্ঠান

**ই-সংবাদ, শিৱসাগৰ, ২ ডিচেম্বৰঃ** ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত বিশ্ব এইডছ দিৱস উপলক্ষে এইচআইভি, এইডছ সম্পৰ্কে সচেতনতা বৃদ্ধি কৰা আৰু প্ৰতিৰোধমূলক ব্যৱস্থা প্ৰচাৰ কৰাৰ উদ্দেশ্যৰে এক বিশেষ বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত যোগ বিশেষজ্ঞ, যোৰহাট আইন মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা মেঘালী বৰাই সমল ব্যক্তিৰূপে বক্তৃতা প্ৰদান কৰে। তেওঁৰ উদ্দীপনামূলক বক্তৃতাত বিশ্ব এইডছ দিৱসৰ মুখ্য বিষয়ত গভীৰভাৱে আলোকপাত কৰাৰ উপৰি সচেতনতা, সজাগতা শিক্ষা আৰু বাস্তৱিক কাৰ্যকৰীতাৰ গুৰুত্বক প্ৰকাশ কৰি এইডছ সম্পৰ্কে বিশদ বৰ্ণনা প্ৰতিফলিত হয়। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ডঃ ৰিমঝিম বৰাই অনুষ্ঠানটিৰ আঁত ধৰাৰ লগতে বিশ্ব এইডছ দিৱসৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি ৰোগমুক্ত সমাজ গঠন আৰু এইচআইভি/এইডছৰ সৈতে জীৱন যাপন কৰা লোকসকলক সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰয়াসৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিশিষ্ট শিক্ষাবিদ, নিবন্ধকাৰ তথা গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সব্যসাচী মহন্তই, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ এই উদ্যোগক বিশেষভাৱে প্ৰশংসা কৰি এনে ধৰণৰ অনুষ্ঠানে যে সমাজলৈ ধনাত্মক বাৰ্তা কঢ়িয়াব পাৰে সেই সম্পৰ্কে মত ব্যক্ত কৰে।

# ডিব্ৰুগড়ৰ বাণীপুৰ মইনা পাৰিজাতৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি

**ই-সংবাদ, ডিব্ৰুগড়, ২ ডিচেম্বৰঃ** ডিব্ৰুগড়ৰ অগ্ৰণী বেচৰকাৰী শিশু অনুষ্ঠান বাণীপুৰ মইনা পাৰিজাতৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশনখনি দুদিনীয়া কাৰ্যসূচীৰে বাণীপুৰস্থিত ডিব্ৰুগড় জিলা মইনা পাৰিজাত প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। প্ৰথমদিনা আৰম্ভণিতে পতাকা উত্তোলন কৰে পাৰিজাতৰ সভাপতি প্ৰাঞ্জল ৰাজকুমাৰে। বন্তি প্ৰজ্বলন কৰে মইনা দীক্ষিত ফুকনে। ইয়াৰ পিছতেই মইনাসকলৰ মাজত মনোযোগী খেল, ভুপেন্দ্ৰ সংগীত, কবিতা আবৃত্তি, চিত্ৰাংকন, ভেশচন আৰু অভিভাৱক-মাতৃসকলৰ মাজত আকৰ্ষণীয় মিউজিক চেয়াৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আৰম্ভণিতে মইনা বিপ্ৰা গোহাঁয়ে বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পিছতেই ডিব্ৰুগড় আঞ্চলিকৰ অন্তৰ্গত ১০ খন শাখা পাৰিজাতৰ মইনাসকলে এক বৰ্ণাঢ্য প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ উপদেষ্টা ৰঞ্জন দত্তই। শোভাযাত্ৰাৰ বিচাৰক হিচাপে উপস্থিত থাকে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ প্ৰসাৰণ কাৰ্যবাহী জিন্তু চেতিয়া আৰু জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই। শোভাযাত্ৰাৰ পিছতেই বিভিন্ন শাখাৰ মইনাসকলৰ মাজত সমবেত সংগীত আৰু কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে সংবাদকৰ্মী প্ৰশান্ত কোঁৱৰ আৰু শিক্ষক জয়ন্ত দত্তই। অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰে জ্যোতি মইনা পাৰিজাতৰ মইনা অনন্যা বৰুৱাই। এই সভাতে বাণীপুৰ মইনা পাৰিজাতৰ ৪ গৰাকী প্ৰাক্তন মইনাকো বিদায় সম্বৰ্ধনা জনোৱা হয়। সভাৰ শেষত বঁটা বিতৰণী অনুষ্ঠান আৰু নিশাৰ ভাগলৈ বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়াও অনুষ্ঠিত হয়। অনুষ্ঠানত ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সম্পাদক মামণি শৰ্মা, উপসভাপতি হিৰণ্য সেনাপতি, নৰেন চক্ৰৱৰ্তী, জিলা সমিতিৰ উপদেষ্টা ৰঞ্জন দত্ত, জিলা সমিতিৰ সাংস্কৃতিক সম্পাদক ৰাজীৱ ফুকন, কেন্দ্ৰীয় সদস্য হৰিপ্ৰসাদ দত্ত, আঞ্চলিক সমিতিৰ সম্পাদক কল্পনা বুজৰবৰুৱা, বাণীপুৰ শাখাৰ উপদেষ্টা অজয় দত্ত, উপ-সভাপতি জগন্নাথ দুৱৰা, মুখ্য পৰিচালিকা উষা দত্ত, পৰিচালিকা বৰ্ণালী মেছ চাংমাই, সহঃ সম্পাদক দিলীপ ডেকাবৰুৱাকে প্ৰমুখ্যে কৰি আন বিষয়ববীয়াসকলো উপস্থিত থাকে। অধিৱেশনৰ দুয়োটা দিনৰ অনুষ্ঠানসমূহ পৰিচালনা কৰে বাণীপুৰ শাখা সমিতিৰ সম্পাদক বিষ্ণু গোহাঁয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

# বঙাইগাঁৱত স্বাস্থ্য সেৱা উৎসৱ ৩.০

**ই-সংবাদ, বঙাইগাঁও, ২ ডিচেম্বৰঃ** অসম চৰকাৰে ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ সৰ্বাংগীন উন্নয়ন তথা স্বাস্থ্য সেৱাৰ মান অধিক উন্নীতকৰণৰ উদ্দেশ্যে সমগ্ৰ অসমত অনুষ্ঠিত কৰিবলৈ লোৱা স্বাস্থ্য সেৱা উৎসৱ ৩.০ বঙাইগাঁও জিলাতো কাইলৈ ৩ ডিচেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈ তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এই স্বাস্থ্য সেৱা উৎসৱ সন্দৰ্ভত সোমবাৰে জিলা স্বাস্থ্য সমিতিৰ তৰফৰ পৰা বঙাইগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত জিলাখনৰ অতিৰিক্ত আয়ুক্ত(স্বাস্থ্য) ডিম্পী গগৈয়ে সদৰি কৰা মতে এই স্বাস্থ্য সেৱা উৎসৱত বঙাইগাঁও জিলাৰ মুঠ ৩৯ খন চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি লোৱা হ'ব। ইয়াৰ ভিতৰত এখন অসামৰিক চিকিৎসালয়, ৫ খন সামূহিক চিকিৎসালয় আৰু আদৰ্শ চিকিৎসালয়, ২৮ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৫ খন আয়ুষ্মান আৰোগ্য মন্দিৰ স্বাস্থ্য কেন্দ্ৰক এই স্বাস্থ্য সেৱা উৎসৱৰ নীৰিক্ষণে সামৰি ল'ব। অতিৰিক্ত আয়ুক্তগৰাকীয়ে এই স্বাস্থ্য সেৱা উৎসৱত ১৩ টা দলে তিনিদিনত ভাগে ভাগে বিভিন্ন স্বাস্থ্য কেন্দ্ৰসমূহত উপস্থিত হৈ স্বাস্থ্য সেৱাৰ বাবে থাকিবলগীয়া আৱশ্যকীয় সা-সুবিধাসমূহৰ পৰ্যালোচনা কৰি সেই অনুসৰি মূল্যাংকন কৰিব। এই পৰ্যবেক্ষণকাৰী দলত কোকৰাঝাৰ চিকিৎসা মহাবিদ্যায় আৰু হস্পিতালৰ চিকিৎসক আৰু দণ্ডাধীশসকল থাকিব। লগতে ৰাজ্যিক পৰ্যায়ৰ থাকিব ছয় গৰাকী পৰ্যবেক্ষক। তেওঁলোকেও বিভিন্ন স্বাস্থ্য কেন্দ্ৰত উপস্থিত হৈ আন্তঃগাঁথনি, ঔষধ পাতি আছে নে নাই, লেবৰেটৰীৰ সা-সুবিধা, চিকিৎসক আৰু ৰোগীৰ মাজৰ সম্পৰ্ক আদি সকলো দিশ পুংখানুপুংখভাৱে নিৰীক্ষণ কৰাৰ লগতে ৰোগীৰ সৈতে বাৰ্তালাপো কৰিব আৰু সেই মতে মূল্যাংকন কৰিব। ইয়াৰ ফলত চিকিৎসালয়সমূহৰ অৱস্থাৰ সঠিক অৱলোকন হ'ব বুলিও কয়। জিলাৰ অতিৰিক্ত আয়ুক্তগৰাকীয়ে ইয়াৰ আগৰ বাৰ স্বাস্থ্য সেৱা উৎসৱত জিলাখনৰ এখনো স্বাস্থ্য প্ৰতিষ্ঠানে চি গ্ৰেড পোৱা নাছিল বুলি কৈ যিকেইখনে এ গ্ৰেডৰ সলনি বি গ্ৰেড লাভ কৰিছিল সেই স্বাস্থ্য প্ৰতিষ্ঠানকেইখনে ইতিমধ্যে আঁসোৱাহসমূহ দূৰ কৰিছে আৰু এইবাৰ এ গ্ৰেডলৈ উন্নীত হ'ব বুলি আশা ব্যক্ত কৰে। উল্লেখ্য যে মূলতঃ স্বাস্থ্য সেৱাত থাকি যোৱা আঁসোৱাহ তথা ত্ৰুটিসমূহ দূৰ কৰাৰ উদ্দেশ্যে স্বাস্থ্য প্ৰতিষ্ঠানসমূহক ভাৰতীয় জনস্বাস্থ্য মানলৈ উন্নীত কৰাৰ লক্ষ্যৰে এই উৎসৱৰ আয়োজন কৰা হৈছে। সুৰক্ষিত আৰু গুণগত মান সম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ দিশত অনুষ্ঠিত কৰা এই স্বাস্থ্য সেৱা উৎসৱৰ তথ্যসমূহ ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন অভিযান ৰাজ্যৰ স্বাস্থ্য বিভাগক দাখিল কৰা হ'ব। ইপিনে, সংবাদমেলত জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ বলেন্দ্ৰ নাৰায়ণ ডেকাই প্ৰকাশ কৰে যে অসম চৰকাৰৰ এই কাৰ্যসূচীত জিলাৰ চিকিৎসা বিশেষজ্ঞৰ উপৰি জিলাখনৰ বিধায়ক, সাংসদ, অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়াসকল, সমজিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্তৰ উপৰি ৰাজ্যৰ যুটীয়া সচিব পৰ্যায়ৰ বহিঃ মূল্যায়কে স্বাস্থ্য সেৱা উৎসৱৰ চিকিৎস্যালয়সমূহ মূল্যাংকন কৰিব। যদিও বিগত বৰ্ষত জিলাখনৰ ১৯ খন চিকিৎসা প্ৰতিষ্ঠানে এ গ্ৰেড পাবলৈ সক্ষম হৈছিল, এইবেলি নিশ্চয়কৈ অতি কমেও ২৫ খনৰ অধিক চিকিৎস্যালয়ক ভাল মূল্যাংকনৰ আশা কৰিছে। সংবাদমেলত জিলা তথ্য আৰু জনসংযোগ বিষয়া বিনুৱাণী ৰাজবংশী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ডি পি এম কৰুণা ব্ৰহ্ম আৰু মিডিয়া বিশেষজ্ঞ সংগীতা দাসো উপস্থিত আছিল।

# যমুনামুখ আঞ্চলিক কবি সন্মিলনৰ 'কাব্যালাপ' আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান

**ই-সংবাদ, কামপুৰ, ২ ডিচেম্বৰঃ** সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত নগাঁও জিলা কবি সন্মিলনৰ অন্তৰ্ভুক্ত যমুনামুখ শাখা কবি সন্মিলনৰ উদ্যোগত ১ ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে যামিনী দেৱী মজলীয়া বিদ্যালয়ৰ প্ৰেক্ষাগৃহত কাব্যালাপ শীৰ্ষক কবিতা পাঠ আৰু এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সদৌ অসম কবি সন্মিলনৰ প্ৰাণ প্ৰতিষ্ঠাপক পথাৰৰ কবি ৰাম গগৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে যমুনামুখ শাখা কবি সন্মিলনৰ সভাপতি মিনতি দেৱী কাকতিয়ে। প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে উপ-সভাপতি অনুপমা বৰাই। ইয়াৰ পাছতে 'কাব্যালাপ' আৰু গ্ৰন্থ উন্মোচনী সভাৰ শুভাৰম্ভ হয় বণিতা আগৰৱালৰ বৰগীত পৰিৱেশনেৰে। সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় সম্পাদক পৱন শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত মিনতি দেৱী কাকতি আৰু তেওঁৰ পুত্ৰ কল্পজ্যোতি কাকতি ৰচিত 'অস্তিত্বহীন এখন আকাশ' শীৰ্ষক গ্ৰন্থৰ উন্মোচন কৰে অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠান ৰামানুজনৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ দিলীপ কুমাৰ বৰাই। গ্ৰন্থখনি উন্মোচন কৰি দিলীপ কুমাৰ বৰাই ভাষণ প্ৰসংগত গ্ৰন্থৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়াই উল্লেখ কৰে যে আমাৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহে গ্ৰন্থ অধ্যয়নৰ পৰা বঞ্চিত হ'লে জ্ঞানৰ বাটত আগবাঢ়ি যোৱাত বহু বাধা আহি পৰিব। মানৱ জাতিৰ সকলোধৰণৰ উদগতিৰ মূল হৈছে গ্ৰন্থ অধ্যয়ন। লগতে বৰাই কয় যে অধ্যয়নশীল অভ্যাসে মানুহৰ দায়বদ্ধতা বৃদ্ধি কৰি তোলাৰ লগতে শিক্ষাৰ দ্বাৰাই মানুহৰ প্ৰমূল্যবোধে সঠিক দিশ লাভ কৰে। শিক্ষাবিদগৰাকীয়ে উপস্থিত ৰাইজক উদ্দেশ্যি কয়ে যে ১৮ বছৰলৈ ছাত্ৰ-ছাত্ৰীৰ হাতত অভিভাৱকে ম'বাইল আদিৰ পৰিৱৰ্তে কিতাপ তুলি দিব লাগে। সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দুৰ্গেশ্বৰ বৰকটকীয়ে কবিতাৰ কলাত্মক দিশৰ প্ৰতি কবিসকলৰ দৃষ্টি প্ৰখৰ হ'ব লাগিব বুলি উল্লেখ কৰে। কেইবাটিও সত্ৰত আয়োজিত কাব্যালাপ অনুষ্ঠানত কবিতা পাঠ কৰে নগাঁও জিলা সন্মিলনৰ সম্পাদক দ্বীপজ্যোতি কাকতি, প্ৰাক্তন সভাপতি দ্বিজেন্দ্ৰ নাথ হাজৰিকা, প্ৰাক্তন সম্পাদক ৰাজু সমীৰণ, উপদেষ্টা গুণ কাকতী, অশোকৰাম ভট্টাচাৰ্য, শশী কেওঁট, মোলান লস্কৰ, কৰবী লিগিৰা, এল প্ৰদীপ কুমাৰ সিংহ, সঞ্জীৱ সাগৰ চৌধুৰী, পদ্মকান্ত বৰা, কবিতা বৰাৰ লগতে নগাঁও জিলা কবি সন্মিলনৰ সহযোগী সম্পাদক ৰূপম নাথ, স্বপ্না দেৱী, মুখপত্ৰ সম্পাদক প্ৰদ্যুম্ন বৰা, প্ৰচাৰ সম্পাদক নৱজ্যোতি বৰা, শিখাৰাণীআদিয়ে। সভাৰ শেষৰ ফাললৈ যমুনামুখ শাখা কবি সন্মিলনৰ সম্পাদক মিনাৰাম নাথে বক্তব্য প্ৰদান কৰাৰ লগতে নতুন সমিতিক জিলাৰ তৰফৰ পৰা অভিনন্দনৰ এক কাৰ্যসূচীও সম্পন্ন কৰা হয়।

# মোৰাঝাৰ স্বাস্থ্য উপ-কেন্দ্ৰৰ গৃহ নিৰ্মাণত অনিয়মৰ অভিযোগ

**ই-সংবাদ, মোৰাঝাৰ, ২ ডিচেম্বৰঃ** হোজাই জিলাৰ মোৰাঝাৰ স্বাস্থ্য উপ-কেন্দ্ৰৰ নিৰ্মাণ হৈ থকা নতুন গৃহৰ কাম সম্পূৰ্ণ নোহোৱাত ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। হোজাই জিলাৰ বৃহৎ মোৰাঝাৰ অঞ্চলবাসীৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত থকা চৰকাৰী প্ৰতিষ্ঠান হৈছে মোৰাঝাৰ স্বাস্থ্য উপ-কেন্দ্ৰ। বৃহৎ অঞ্চলটোৰ কেবাখন গাঁৱৰ বাসিন্দাই উপ-কেন্দ্ৰটোৰ পৰা প্ৰাথমিক চিকিৎসা লাভ নকৰে যদিও প্ৰসূতি মাতৃ আৰু কেঁচুৱাক প্ৰতিষেধক প্ৰদান কৰি আহিছে। বৃহৎ অঞ্চলটোৰ ৰাইজৰ প্ৰৱল দাবীত ৰাজ্যৰ স্বাস্থ্য বিভাগে উক্ত উপ-কেন্দ্ৰটো প্ৰাথমিক চিকিৎসা কেন্দ্ৰলৈ উন্নীত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। গৃহ নিৰ্মাণৰ নামত আয়ুষ মিছনৰ অধীনত ৫১ লাখ ৭০ হাজাৰ টকা আবণ্টন দিয়ে আৰু ঠিকাদাৰে নিৰ্মাণ কাম আৰম্ভ কৰে। কিন্তু অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ অভিযোগ কৰিছে ৰাইজে। ইতিমধ্যে গৃহৰ নিৰ্মাণ কাম এক প্ৰকাৰৰ সমাপ্তিৰ পথত আগবাঢ়িছে। ইপিনে, এন এইচৰ অধীনত দহ লক্ষাধিক টকা ভৱন নিৰ্মাণ কৰিবলৈ কেইমাহ পূৰ্বে মোকলাই দিছিল যদিও চালৰ টিন, দুৱাৰ-খিৰিকী, মজিয়া আৰু চিলিং নিৰ্মাণৰ কাম অসম্পূৰ্ণ হৈ বিগত ১০/১২ মাহ ধৰি পৰি থকা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। মোৰাঝাৰ স্বাস্থ্য উপ-কেন্দ্ৰৰ নতুন চিকিৎসালয় গৃহ নিৰ্মাণৰ কাম ওলমি ৰোৱাত স্থানীয় ৰাইজৰ মাজত প্ৰচণ্ড ক্ষোভৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজৰ অভিযোগ নিৰ্মাণ কামৰ ঠিকা লোৱা ঠিকাদাৰে অতি লেহেম গতিত কাম চলাই নিয়াত নিৰ্মাণ কাম সময়ত সম্পূৰ্ণ কৰিব পৰা নাই। উক্ত সময়ত ৰাজ্য চৰকাৰে আবণ্টন দিয়া অন্যান্য ঠাইৰ চিকিৎসালয় গৃহ বহু পূৰ্বতে সম্পূৰ্ণ হৈ উঠা বুলি ৰাইজে অভিযোগ তুলিছে। এইক্ষেত্ৰত হোজাই জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে নীৰৱ ভূমিকা গ্ৰহণ কৰাৰো অভিযোগ উত্থাপিত হৈছে। অঞ্চলটোৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা মোৰাঝাৰ স্বাস্থ্য উপ-কেন্দ্ৰৰ নতুন গৃহৰ নিৰ্মাণ সম্পূৰ্ণ কৰি তুলিবলৈ ৰাইজে দাবী জনাইছে।

# কেন্দ্ৰীয় ভাওনা সমাৰোহ-২০২৫ৰ আয়োজন

**ই-সংবাদ, হালোৱাটিং, ২ ডিচেম্বৰঃ** আমগুৰিত সদৌ অসম ভিত্তিত এখন অংকীয়া ভাওনা আৰু মাতৃভাষাৰ ভাওনা প্ৰতিযোগিতা 'কেন্দ্ৰীয় ভাওনা সমাৰোহ ২০২৫'ৰ আয়োজন কৰা হৈছে। এই উপলক্ষে যোৱা ৩০ নৱেম্বৰত আমগুৰি ৰাজহুৱা ভৱনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। স্থানীয় সাংস্কৃতিক কৰ্মী পংকজ ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত শিৱসাগৰৰ ভালেসংখ্যক ভাওনা চৰ্চা কৰা প্ৰতিনিধি, বৃহত্তৰ আমগুৰি অঞ্চলৰ বহুকেইজন গণ্য মান্য ব্যক্তি আৰু জাতীয় সংগঠনৰ স্থানীয় নেতা-কৰ্মী উপস্থিত থাকে। উক্ত সভাতেই 'সদৌ অসম ভিত্তিত অংকীয়া ভাওনা আৰু মাতৃভাষাৰ ভাওনা প্ৰতিযোগিতা' অনুষ্ঠিত কৰাৰ লক্ষ্যৰে আমগুৰি কছাৰী লাইনৰ ত্ৰিবিক্ৰম নাট্য গোষ্ঠীৰ উদ্যোগত আৰু আমগুৰি অঞ্চলৰ ভাওনা দলৰ সহযোগত 'আমগুৰি কেন্দ্ৰীয় ভাওনা সমাৰোহ-২০২৫' অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই উদ্দেশ্যৰে উক্ত সভাতে সৰ্বসম্মতি ক্ৰমে পংকজ ভট্টাচাৰ্যক সভাপতি, ঘন গগৈ আৰু কৃপাল ভূএগ্ৰাক কাৰ্যকৰী সভাপতি, অবিস্মৃতা হাজৰিকাক মুখ্য সম্পাদক আৰু তপন দাসক কোষাধ্যক্ষ হিচাপে লৈ এখন শক্তিশালী উদাপন সমিতি গঠন কৰা হয়।

# উত্তৰ অভয়াপুৰী সমষ্টিত দুই শতাধিক ইউডিএফ- অগপৰ কৰ্মীৰ কংগ্ৰেছত যোগদান

**ই-সংবাদ, সৃজনগ্ৰাম, ২ ডিচেম্বৰঃ** সৃজনগ্ৰাম সমষ্টিৰ অন্তৰ্গত সৃজনগ্ৰাম আৰু টাপাট্ৰাৰী ব্লক কংগ্ৰেছৰ উদ্যোগত বৰজানা গাওঁ পঞ্চায়তত মনছুৰ আলী সভাপতিত্বত অনুষ্ঠিত সভাত শতাধিক এআইইউডিএফ কৰ্মীয়ে আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান কৰে।আৰু সৃজনগ্ৰাম ব্লক কংগ্ৰেছৰ সভাপতি ছেকান্দাৰ প্ৰধানীৰ পৌৰহিত্যত কাহিবাৰী শতাধিক অসম গণ পৰিষদ দলৰ নেতা কৰ্মী কংগ্ৰেছত যোগদান কৰে ১৭ নং সৃজনগ্ৰাম সমষ্টিত অসম গণ পৰিষদ ভেটি নোহোৱা কৰাৰ লক্ষ্য কৰি লৈছে কংগ্ৰেছয়ে বঙাইগাঁও জিলা অসম গণ পৰিষদ দলৰ সৃজনগ্ৰাম আঞ্চলিক সম্পাদক মেহেৰ আলীৰ নেতৃত্বত কাহিবাৰী শতাধিক অগপই কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে। আনহাতে প্ৰায় ১০০ জন এআইইউডিএফ কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে বৰঝনাত। নতুনকৈ দলত যোগদান কৰা লোকে বিধায়ক তথা কংগ্ৰেছৰ জেষ্ঠ মুখপাত্ৰ আব্দুল বাতিন খন্দকাৰে ফুলাম গামোচাৰে আদৰনি জনায়। সভাত সৃজনগ্ৰাম ব্লক কংগ্ৰেছৰ সভাপতি ছেকেণ্ডাৰ প্ৰধানী, টাপাট্ৰাৰী ব্লক কংগ্ৰেছৰ কৰ্মকৰ্তাৰ লগতে জিলা পৰিষদৰ প্ৰাক্তন সদস্য আবুল কালাম আজাদ উপস্থিত থাকে। নতুনকৈ গঠন হোৱা সৃজনগ্ৰাম সমষ্টিত এজনো এআইডিইউএফৰ কৰ্মী আৰু অসম গণ পৰিষদ দলৰ কৰ্মী নাথাকে বুলি বিধায়কজনে কয়।

# তিনি বছৰত জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একে শ্ৰেণীৰ চাৰিগৰাকীকৈ শিক্ষাৰ্থীৰ মৃত্যু

**ই-সংবাদ, মৰিগাঁও, ২ ডিচেম্বৰঃ** বিগত তিনি বছৰত জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চাৰিগৰাকী শিক্ষাৰ্থীৰ মৃত্যুৰ তথ্যই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। দেওবাৰে আবেলিৰ পৰত নিজ বাসগৃহতে এগৰাকী ছাত্ৰী চিপ লোৱা অৱস্থাত উদ্ধাৰ হোৱাৰ পাছতে পোহৰলৈ আহিছে এই তথ্য। লাভ কৰা তথ্য অনুসৰি যোৱা তিনিটা বছৰত বিদ্যালয়খনৰ অষ্টম শ্ৰেণীৰ 'খ' শাখাৰ চাৰিগৰাকীকৈ শিক্ষাৰ্থীৰ মৃত্যু হয়। প্ৰথমটো বৰ্ষত পুখুৰীত গা ধুবলৈ গৈ সলিল সমাধি ঘটে এজন ছাত্ৰৰ। দ্বিতীয়তে এগৰাকী ছাত্ৰৰ এক জটিল ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। তৃতীয়তে আন এগৰাকী ছাত্ৰৰ এক ট্ৰেক্টৰ দুৰ্ঘটনাত মৃত্যু হোৱা বিপৰীতে দেওবাৰে বিদ্যালয়খনৰ অষ্টম শ্ৰেণীৰ এগৰাকী ছাত্ৰী নিজ বাসগৃহতে চিপ লোৱা অৱস্থাত উদ্ধাৰ হয়।

# গদেবড়ীত সাহিত্য-সংস্কৃতি বিকাশ গোষ্ঠীৰ সভা

**ই-সংবাদ, মির্জা, ২ ডিচেম্বৰঃ** কালি দিনৰ ১১ বজাত কামৰূপ জিলাৰ গদেবড়ী গাঁৱৰ দ্বিজেন তালুকদাৰৰ গৃহত সাহিত্য-সংস্কৃতি বিকাশ গোষ্ঠীৰ এখনি কাৰ্যনিৰ্বাহক সভা সভাপতি ডাঃ শৰত চন্দ্ৰ ৰাভাদেৱৰ সভাপতিত্বত অনুষ্ঠিত কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মুখ্য-সম্পাদক প্ৰফুল্ল চন্দ্ৰ চৌধুৰীয়ে। সভাত উপস্থিত থকা সদস্যসকলে আলোচনামৰ্মে আগন্তুক ২০২৫ নতুন বৰ্ষৰ ২৮ জনুৱাৰীত সাহিত্য-সংস্কৃতি বিকাশ গোষ্ঠী কামৰূপৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে। উক্ত সভাতে বিকাশ গোষ্ঠীৰ সংবিধান খচৰাৰ প্ৰস্তুতি সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰাৰ লগতে এখন সংবিধান উপ-সমিতি গঠন কৰা হয়। প্ৰতিষ্ঠা দিৱসত 'গোষ্ঠী'ৰ পৰা এখনি প্ৰবন্ধ সংকলনৰ গ্ৰন্থ প্ৰকাশ কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। লেখকসকলৰ পৰা নিজৰ স্বৰচিত প্ৰবন্ধ ৩১ ডিচেম্বৰৰ আগতে গোষ্ঠীৰ সভাপতি শৰত চন্দ্ৰ ৰাভা, কাৰ্যকৰী সভাপতি ৰণজিৎ চৌধুৰী নাইবা মুখ্য সম্পাদক প্ৰফুল্ল চন্দ্ৰ চৌধুৰীৰ হাতত জমা দিবলৈ সভাপতিয়ে আহ্বান জনায়। সভাত উপস্থিত থাকি ড০ শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, ড০ তপন কলিতা, মালব্য মালী, কৈলাশ নাথ শৰ্মা, ৰণজিৎ চৌধুৰী, নগেন বৰা, পদ্মেশ্বৰ ৰাজবংশী আদিয়ে গঠনমূলক ভাষণ দাঙি ধৰে। সভাপতি ডাঃ শৰত চন্দ্ৰ ৰাভাই সাহিত্য প্ৰেমী লোকৰ সহায়-সহযোগিতা কামনা কৰি অসমীয়া ভাষা-সংস্কৃতি ৰক্ষা তথা সংৰক্ষণত সকলোকে আগুৱাই আহিবলৈ আহ্বান সভাখন সমাপ্ত কৰে।



কচুৱাত ভাৰতীয় জনতা পাৰ্টীৰ যোগদান কাৰ্যসূচীৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, কামপুৰ

# গোলকগঞ্জত চুৰিকাণ্ডত জড়িত দুজনক আটক

**ই-সংবাদ, গোলকগঞ্জ, ২ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ বিৰাট নগৰ চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ দমকল চুৰি কৰি হাতে-লোটে ধৰা পৰা চোৰৰ স্বীকাৰোক্তিৰ ভিত্তিত আজি আৰক্ষীয়ে আন দুজন অভিযুক্তক আটক কৰে। এই ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কালি চুৰি কৰি থাকোঁতে হাতে-লোটে ধৰা পৰিছিল টোকৰেৰছৰা প্ৰথম খণ্ড গাঁৱৰ ৰাজু মণ্ডল(২৭)। ৰাইজে চোৰটোক আটক কৰি গোলকগঞ্জ আৰক্ষীক গতাই দিয়ে। আনহাতে, ৰাইজৰ হাতৰ পৰা কালি পলাবলৈ সক্ষম হৈছিল একে গাঁৱৰে কাশেম মণ্ডল। আজি আৰক্ষীয়ে কাশেম মণ্ডলকো আটক কৰে। ইপিনে, ৰাজুয়ে আৰক্ষীৰ জেৰাত স্বীকাৰ কৰিছিল যে তেওঁ কিছুদিন পূৰ্বে মনসা মন্দিৰৰ সমীপৰ চাউলৰ মিলৰ কাষতো চুৰি কাৰ্য সংঘটিত কৰিছিল। চুৰি সামগ্ৰী পাঁচশ টকাত বিৰাট নগৰ চাৰিআলিৰ ৰূপম দেৱনাথৰ দোকানত বিক্ৰী কৰিছিল। গোলকগঞ্জ আৰক্ষীয়ে আজি চুৰি সামগ্ৰী ক্ৰয় কৰাৰ অপৰাধত ৰূপম দেৱনাথকো আটক কৰে।

# নগাঁৱৰ মাজপাঠৰীত বিশ্ব প্ৰতিবন্ধী দিৱস উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, পুৰণিগুদাম, ২ ডিচেম্বৰঃ** বিশেষভাৱে সক্ষম লোকসকলৰ প্ৰতি সহমৰ্মিতা আৰু পাৰস্পৰিক সহযোগিতা প্ৰদৰ্শনৰ এক বিশেষ দিন হিচাপে সমগ্ৰ বিশ্বত ৩ ডিচেম্বৰৰ দিনটো 'বিশ্ব প্ৰতিবন্ধী দিৱস'টি উদ্‌যাপিত হৈ আহিছে। বিশ্ব প্ৰতিবন্ধী দিৱস উপলক্ষে নগাঁও জিলাৰ মাজপাঠৰী উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। মানুহৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশত বাধাগ্ৰস্ত হৈ প্ৰতিবন্ধকতাৰ মাজেৰে জীৱন অতিবাহিত কৰা লোকসকলক এখন উমৈহতীয়া মঞ্চ দিয়াৰ সৎ উদ্দেশ্য আগত ৰাখি ২০২১ চনত প্ৰতিষ্ঠা লাভ কৰা নগাঁও প্ৰতিবন্ধী দিৱস উদ্‌যাপন সমিতিয়ে ৰাইজৰ সহযোগত ৩ আৰু ৮ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে উদযাপনৰ দিহা কৰা হৈছে।কাৰ্যসূচী অনুসৰি ৩ ডিচেম্বৰৰ পুৱা ৮-৩০ বজাত পৰিৱেশ নিকাকৰণ পিছতে মাজপাঠৰী উঃ মাঃ বিদ্যালয়ৰ প্ৰধান শিক্ষক লক্ষী শৰ্মাই বন্তি প্ৰজ্বলন আৰু নগাঁও প্ৰতিবন্ধী দিৱস উদযাপন সমিতিৰ সভাপতি গোলাপ চন্দ্ৰ কলিতাই পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰিব। পুৱা ৯-৩০ বজাত গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰিব নগাঁও জিলা বন সংমণ্ডল বিষয়া কদম সুভাষ তাৰাচান্দে। পুৱা ১০ বজাত স্মৃতিচাৰণ অনুষ্ঠান মুকলি কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমেশ চন্দ্ৰ ভূঞাই। পুৱা ১১ বজাত বিশেষ কাৰ্যকৰী সভা অনুষ্ঠিত হ'ব আৰু সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলনেৰে দিনটোৰ কাৰ্যসূচী অন্ত পৰিব। উক্ত কাৰ্যসূচী মুকলি কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি গুণ কান্ত বৰাই। বিশ্ব প্ৰতিবন্ধী দিৱস উদযাপনৰ দ্বিতীয় দিনা অৰ্থাৎ অহা ৮ ডিচেম্বৰৰ পুৱা ৯-৩০ বজাত বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হ'ব। শিবিৰ মুকলি কৰিব নগাঁৱৰ যুটীয়া স্বাস্থ্য আৰু সেৱা সঞ্চালক ডাঃ ফণী পাঠকে। পুৱা ১০ বজাত প্ৰতিবন্ধীসকলৰ নাম পঞ্জীকৰণ, ১১ বজাত প্ৰতিবন্ধীসকলৰ চিনাকি পৰ্ব আৰু আদৰণি, ১১-৩০ বজাত প্ৰতিবন্ধীসকলৰ প্ৰতিভা বিকাশ প্ৰদৰ্শনৰ অনুষ্ঠান অনুষ্ঠিত হ'ব

# ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ প্ৰসংশনীয় পদক্ষেপ

**ই সংবাদ, গেলেকী, ২ ডিচেম্বৰঃ** মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ প্ৰসংশনীয় পদক্ষেপ ।বিগত সময়ত ধাৰাবাহিকভাৱে বৃহত্তৰ গেলেকী অঞ্চলৰ বিভিন্ন নাৰী জনিত সমস্যাৰ বাবে মাত মাতি অহা গেলেকী ৰাৰিয়ৰ্ছ আঞ্চলিক সমিতিয়ে সংবাদ শিৰোনাম দখল কৰি আহিছে । গেলেকী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ ৰাইজৰ প্ৰতিটো বিপদৰ মুহূৰ্তত সম্ভৱপৰ সহায়ৰ বাবে হাত আগবঢ়ায় আহিছে গেলেকী ৰাৰিয়ৰ্ছে । শেহতীয়াকৈ গোলাঘাট জিলাত অনুষ্ঠিত চতুৰ্থ বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনত শিৱসাগৰ জিলাৰ অন্যতম শ্ৰেষ্ঠ আঞ্চলিকৰ সন্মান বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিয়ে । ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিয়ে ললে আন এক ব্যতিক্ৰমী পদক্ষেপ । গেলেকী অঞ্চলৰ অন্যতম আগশাৰীৰ সামাজিক দায়বদ্ধ অনুষ্ঠান গেলেকী প্ৰেছ ক্লাবৰ কাৰ্যালয়ৰ বেৰ ৰং কৰি জাকত জিলিকি কৰি তুলিলে ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিয়ে ।

# চতুৰ্থ অসম আৰক্ষী কমাণ্ডো চূড়ান্ত বিজয়ী



**ই-সংবাদ, আমগুৰি, ২ ডিচেম্বৰঃ** শিৱসাগৰ জিলাৰ আইদেউবাৰী খেলপথাৰত অনুষ্ঠিত হোৱা প্ৰাইজমাণি আৰু ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰে। এই প্ৰয়োগিতাখনৰ চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয় চতুৰ্থ অসম আৰক্ষী কমাণ্ডোৱে। উল্লেখ্য যে, আইদেউবাৰী ফুটবল ক্লাবৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা অনুষ্ঠিত প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখনিত চতুৰ্থ অসম আৰক্ষী কামাণ্ডোৰ দলটিয়ে চকীমুখ ইউনাইটেড ফুটবল ক্লাব একাদশক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ৩ নৱেম্বৰৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত মুঠ ১৬ টা দলে অংশগ্ৰহণ কৰিছিল। প্ৰায় ১৫ হাজাৰ ক্ৰীড়াপ্ৰেমী ৰাইজৰ সমাগম হোৱা চূড়ান্ত খেলৰ অন্তত বঁটা বিতৰণী অনুষ্ঠানত বিজয়ী আৰু বিজিত দলক পুৰস্কাৰ প্ৰদান কৰা হয়।

## মৰিগাঁৱত সমষ্টি পৰ্যায়ৰ খেল মহাৰণ

**ই-সংবাদ, লাহৰীঘাট, ২ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ তিনিওটা সমষ্টিতে খেল মহাৰণ ২.০ৰ সমষ্টি পৰ্যায়ত অনুষ্ঠিত কৰাৰ বাবে মৰিগাঁও জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। উল্লেখ্য যে জিলাখনৰ ৮৫ খন গাঁও পঞ্চায়তত অনুষ্ঠিত খেল মহাৰণ ২.০ৰ পঞ্চায়ত পৰ্যায়ৰ খেলসমূহ ইতিমধ্যে সমাপ্ত হৈছে। পঞ্চায়ত পৰ্যায়ত অনুষ্ঠিত খেলসমূহত নিৰ্বাচিত খেলুৱৈসকলক লৈ সমষ্টি পৰ্যায়ত অনুষ্ঠিত হ'ব খেল মহাৰণ। সমষ্টি পৰ্যায়ত অনুষ্ঠিত খেল সমূহ অনুষ্ঠিত কৰাৰ বাবে মৰিগাঁও জিলা প্ৰশাসনে জিলাখনৰ মৰিগাঁও, লাহৰীঘাট আৰু জাগীৰোড সমষ্টিত খেলপথাৰসমূহ সজাই পৰাই তুলিছে। ইয়াৰে অংশ হিচাপে জিলাখনৰ লাহৰীঘাট সমষ্টিত অহা ৫ ডিচেম্বৰত সমষ্টি পৰ্যায়ত এথলেটিকছ,ফুটবল, ভলীবল, পৰম্পৰাগত চাইকেল খেল আৰু দবা খেল অনুষ্ঠিত হ'ব। এই খেলসমূহ সমষ্টিটোৰ তিনিচুকীয়া ৰাজীৱ গান্ধী গ্ৰাম্য খেলপথাৰত অনুষ্ঠিত হ'ব। উল্লেখ্য যে লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত পঞ্চায়ত সমূহত পঞ্চায়ত পৰ্যায়ত অনুষ্ঠিত খেল সমূহত নিৰ্বাচিত খেলুৱৈসকলক সিদিনা অংশগ্ৰহণ কৰিবলৈ মৰিগাঁও জিলা ক্ৰীড়া বিষয়াগৰাকীয়ে আহ্বান জনাইছে।




ট্ৰফীৰ সৈতে ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবল প্ৰতিযোগিতাৰ চেম্পিয়ন দলটো, সোমবাৰে

## ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবল প্ৰতিযোগিতা

# ঠাবালক হৰুৱাই কটহগুৰি এফচি চেম্পিয়ন

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ২ ডিচেম্বৰঃ** কাৰ্বি আংলং জিলাৰ লাংহিনৰ গবৈমাৰী খেলপথাৰত বড়ো শ্বহীদ ন্যাসৰ উদ্যোগত আৰু লাংহিন তিনিআলি ক্ৰীড়া সস্থাৰ ব্যৱস্থাপনাত আজি সফলতাৰে সমাপ্তি ঘটা ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবল প্ৰতিযোগিতাত নগাঁৱৰ ৰহাৰ কটহগুৰি এফ চিয়ে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। এই প্ৰতিযোগিতাৰ আজিৰ ফাইনেলত কটহগুৰি এফ চিয়ে হোজাইৰ ঠাবাল এফ চিক ১-০ গ'লত পৰাজিত কৰে। তুমুল প্ৰতিদ্বিতামূলক খেলখনৰ -৪ মিনিটতে কটহগুৰি এফ চিৰহৈ ডানশ্ৰাং বসুমতাৰীয়ে সম্পূৰ্ণ একক প্ৰচেষ্টাৰে বিজয়সূচক গ'লটো দিয়ে। মিড ফিল্ডৰ পৰা বিপক্ষৰ খেলুৱৈক শলঠেকত পেলাই ডানশ্ৰাঙে ক্ষিপ্ৰতাৰে আগুৱাই নিয়া বল দীঘলীয়া শ্বট্‌ৰে গ'ললৈ কাৰ্যকৰী কৰে। ইয়াৰ পিছতে দুয়োটা দলে গ'ল দিবলৈ চেষ্টা অব্যাহত ৰাখিছিল যদিও ফৰৱাৰ্ড লাইনৰ খেলুৱৈসকলৰ দুৰ্বলতাৰ বাবে কোনোটো দলেই গ'লৰ মুখ নেদেখিলে। ক্ৰীড়া সংগঠক নাৰায়ণ বসুমতাৰী মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী ধনেশ শ্বাহক সহায় কৰে প্ৰেম নাৰ্জাৰী, নিজম তামুলাৰী আৰু বাজু টিচ' ( চতুৰ্থ ) য়ে। প্ৰতিযোগিতাৰ অন্তত সামৰণি অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বিলিমোহন খাখ্‌লাৰী, জিলা ক্ৰীড়া বিষয়া ৰিলীপ ৰংহাং আৰু লাংহিনৰ পৌৰপতি কমল ব্ৰহ্মৰ লগতে বড়ো অগ্ৰণী সংগঠনৰ বিষয়ববীয়াই লাংহিন তিনিআলি ক্ৰীড়া সস্থাৰ বিষয়ববীয়া ৰত্নাকৰ স্বৰ্গীয়াৰী, নাৰায়ণ বসুমতৰী আৰু টংকেশ্বৰ খাখ্‌লাৰীৰ উপৰি বড়ো শ্বহীদ ন্যাসৰ সভাপতি শান্তনু বসুমতাৰী আৰু সম্পাদক কিৰণ বসুমতাৰী প্ৰমুখ্যে আন সংগঠকসকলৰ উপস্থিতিত বঁটাসমূহ বিতৰণ কৰে। উল্লেখ্য যে, কটহগুৰি এফ চিৰ ডানশ্ৰাং বসুমতাৰী শ্ৰেষ্ঠ খেলুৱৈ, শচীন বসুমতাৰী শ্ৰেষ্ঠ গ'লৰক্ষক, জিম সিং শ্ৰেষ্ঠ ডিফেণ্ডাৰ আৰু ৰংজালু ক্লাবৰ আডামাই সৰ্বোচ্চ গ'লদাতাৰ বঁটা লাভ কৰে।

## গ্ল'বেল এফচিৰ ছেমি ফাইনেলত প্ৰৱেশ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২ ডিচেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত গোসাইগাঁৱৰ গ্ল'বেল এফ চি ছেমিফাইনেলত উপনীত হৈছে। ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ আজি প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত গ্ল'বেল এফ চিয়ে চমকপ্ৰদ প্ৰদৰ্শনৰে গুৱাহাটীৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ (এএছইবি) স্প'ৰ্টছ ক্লাবক ৩-২ গ'লত পৰাজিত কৰে। খেলখনত গ্ল'বেল এফ চিৰহৈ বিন্দীনা নাৰ্জাৰী (৩৬ মিনিট), ইউব ৰাভা (৬৫ মিনিট ) আৰু অধিনায়ক কামেকা দৈমাৰী (৬৯ মিনিট) য়ে গ'লকেইটা দিয়াৰ বিপৰীতে এ এছ ই বি স্প'ৰ্টছ ক্লাবৰহৈ চানশ্ৰাং বসুমতাৰী (৩০ মিনিট) আৰু ইনজামুল হকে (৮১ মিনিট) গ'ল দুটা দিয়ে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী আব্দুল মজিদ চৌধুৰীক সহায় কৰে পবিত্ৰ বৰা, চুচাং আও আৰু কৃষ্ণকান্ত দাসে ( চতুৰ্থ)। আজিৰ খেলৰ আৰম্ভণিতে অসম ফুটবল সন্থাৰ কোষাধ্যক্ষ হীৰেন গগৈ আৰু সমাজকৰ্মী অনিল শৰ্মাক সম্বৰ্ধনা জনোৱাৰ লগতে খেলুৱৈসকলৰ সৈতে চিনাকি কৰি দিয়া হয়। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস আৰু ফুটবল শাখাৰ সম্পাদক প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্যৰ লগতে আয়োজক সমিতিৰ অন্যতম বিষয়ববীয়া উজ্জল বৰুৱা, অসীম কুমাৰ ভাৱাল, দেৱজিৎ দাস, প্ৰচাৰ উপ সমিতিৰ আহ্বায়কদ্বয় মৃনাল কুমাৰ হাজৰিকা আৰু সমীৰ হাজৰিকাই জানিবলৈ দিয়া মতে, কাইলৈৰ কোৱাৰ্টাৰ ফাইনেলত নগাঁৱৰ ষ্টাৰ স্প'ৰ্টিং ক্লাবে মণিপুৰৰ এএছ ইউএফআইআই ফুটবল একাডেমীৰ বিৰুদ্ধে খেলিব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি